
# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

COLLEGE, LIBRARY
Estd. 1971
Barpeta
(Assam)
P.O.

## ঊনবিংশতিতম সংখ্যা (১৯৯৮-৯৯ বৰ্ষ)




তত্ত্বাৱধায়কদ্বয় ঃ
দেৱান এ. গফুৰ
ড° এম. এছ শ্বেইখ

সম্পাদক
স্বাজাহান আহমেদ

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

## ঊনবিংশতিতম সংখ্যা

১৯৯৮-৯৯

NABAJYOTI COLLEGE LIBRARY

# NABAJYOTI COLLEGE MAGAZINE

## 19th Issue

**1998-99**

সম্পাদক—

স্বাজাহান আহমেদ

তত্ত্বাৱধায়কদ্বয়—

দেৱান আব্দুল গফুৰ (জ্যেষ্ঠ প্ৰৱক্তা)

ড° এম. শ্বাহাজামাল শ্বেইখ (জ্যেষ্ঠ প্ৰৱক্তা)

Editor—

*Shajahan Ahmed*

Incharge—

*Dewan A. Gaffur* (Sr. Lect.)

*Dr. M. S. Sheikh* (Sr. Lect.)

## —ঃ সম্পাদনা সমিতি ঃ—

| | |
|---|---|
| সভাপতি— | বেটুপাত— |
| আব্দুছ ছাত্তাৰ আহমেদ, অধ্যক্ষ | ঘণশ্যাম ভৰালী প্ৰৱক্তা |
| তত্ত্বাৱধায়কদ্বয়— | ড° এম, শ্বাহাজামাল শ্বেইখ ,, |
| দেৱান আব্দুল গফুৰ, প্ৰৱক্তা | আবুল কাশেম দেৱান ,, |
| ড° এম, শ্বাহাজামাল শ্বেইখ ,, | শামচুল আলম ,, |
| সম্পাদক— | অংকণ— |
| স্বাজাহান আহমেদ | শামচুল আলম প্ৰৱক্তা |
| সদস্যদ্বয়— | অংগ সজ্জা— |
| ঘণশ্যাম ভৰালী প্ৰৱক্তা | ড° এম, শ্বাহাজামাল শ্বেইখ প্ৰৱক্তা |
| যোগেন্দ্ৰ ঝা ,, | শামচুল আলম প্ৰৱক্তা |
| | নুৰুল ইছলাম ( স্বত্বাঃ প্ৰগতি প্ৰেছ, কলগাছিয়া ) |

## ছাত্ৰ একতা সভাৰ বিষয়ববীয়া/তত্ত্বাৱধায়ক সকল—

| | | |
|---|---|---|
| ১। আব্দুছ ছাত্তাৰ আহমেদ, অধ্যক্ষ | ( সভাপতি ) | |
| ২। ছফিকুল ইছলাম | ( উপ-সভাপতি ) | |
| ৩। শহিদুল ইছলাম | ( সাধাৰণ সম্পাদক ) | প্ৰৱক্তা এম, নজমুল হক |
| ৪। মফিদা খাতুন | ( সহঃ সাধাৰণ সম্পাদিকা ) | ,, ,, ,, ,, |
| | | প্ৰৱক্তা ড° এ, আজিজ |
| ৫। খন্দঃ আমিনুল ইছলাম | ( সম্পাদক, গুৰু খেল বিভাগ ) | প্ৰৱক্তা ছৈয়দা জি, বেগম |
| ৬। খন্দঃ আশ্ৰাফুল মামুন | ( সম্পাদক, লঘু লেখ বিভাগ ) | প্ৰৱক্তা এ, কে, দেৱান |
| ৭। মিচ্ হুলেনা খাতুন | ( সম্পাদিকা, সমাজ সেৱা বিভাগ ) | প্ৰৱক্তা এ, হক |
| ৮। ছৈয়দ বাহাৰুল ইছলাম | ( সঃ, সঙ্গীত আৰু সাংস্কৃতিক বিঃ ) | প্ৰৱক্তা মীৰ্জা এ, হামিদ |
| | | প্ৰৱক্তা এম, ৰহমান ( G.M ) |
| ৯। স্বাজাহান আহমেদ | ( সম্পাদক, আলোচনী বিভাগ ) | প্ৰৱক্তা এচ, কে, সৰকাৰ |
| | | প্ৰৱক্তা দেৱান এ, গফুৰ |
| ১০। গোলাম মুস্তফা | ( সঃ, তৰ্ক আৰু আলোচনা বিঃ ) | প্ৰৱক্তা ড° এম, এছ, শ্বেইথ |
| ১১। গোলাপ হুছেইন | ( সম্পাদক, শৰীৰ চৰ্চা বিভাগ ) | প্ৰৱক্তা এ, কুদ্দুছ |
| ১২। নবিৰণ নেছা | ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ) | প্ৰৱক্তা এ, খালেক |
| ১৩। দিলদাৰ হুছেইন | ( সম্পাদক, ছাত্ৰ জিৰণি কোঠা ) | প্ৰৱক্তা মিচে'জ্ এছ, আহমেদ |
| | | প্ৰৱক্তা ড° এছ, মণ্ডল |


মুদ্ৰণ— প্ৰগতি প্ৰেছ, কলগাছিয়া— ৭৮১৩১৯

# উছৰ্গা


NABAJYOTI COLLEGE LIBRARY
Estd. 19..
Dist. Barpeta
(Assam)
P.O. KALGACHIA



অকালতে
আঁতৰি যোৱা
আমাৰ মহাবিদ্যালয়ৰ
দৰ্শন বিভাগৰ
নিষ্ঠাবান জ্যেষ্ঠ প্ৰৱক্তা
লম্বিত কোঁৱৰৰ
পবিত্ৰ স্মৃতিত...



অশেষ ধৈৰ্য্য আৰু সহিষ্ণুতাৰ প্ৰতীক *মাননীয় অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ।*
যাৰ একনিষ্ঠ কৰ্ম প্ৰেৰণাৰ ফল স্বৰূপ অসমৰ আগশাৰীৰ মহাবিদ্যালয়ৰ ভিতৰত অন্যতম আমাৰ
***নৱজ্যোতি মহাবিদ্যালয়।***




শতাব্দীৰ শুভাৰম্ভণিতে আলোচনী সম্পাদকৰ দায়িত্ব পূৰণাৰ্থে হাতত কলম তুলি লবলৈ পাই নিজকে ধন্য অনুভৱ কৰিছোঁ। মানৱ সভ্যতাই উন্নতিৰ চৰম শিখৰত ভৰি দিয়াৰ দিনত বিশ্বৰ আৰ্থসামাজিক, ৰাজনৈতিক তথা প্ৰযুক্তিগত দ্ৰুত পৰিবৰ্ত্তনৰ লগত খাপখাই চলিবলৈ যাওঁতে যন্ত্ৰৰূপী মানৱৰ প্ৰায় সকলোবোৰ জাতি-গোষ্ঠীয়ে নিজৰ হৃদয়ৰ নিগুঢ়তাৰ ছন্দক পাহৰি বিষাক্ত পাৰি-পাৰ্শ্বিকতাৰ লগতে নিজৰ ভাষা সাহিত্য তথা কলা-কৃষ্টিকো বিলুপ্তিৰ পথত ঠেলি দিবলৈ কুণ্ঠাবোধ নকৰাৰ উদাহৰণৰ অভাৱ নাই। আন্তৰ্জাতিক বজাৰৰ জটিল তথা কঠিন প্ৰতিযোগিতাত নিজকে শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰাৰ একমাত্ৰ উপায় হ'ল লিখনিৰ জৰিয়তে নিজৰ জাতীয় বিকাশক বিশ্বৰ জনগণৰ মঞ্চত বিয়পাই দিয়া। সম্পাদকৰ এই চুটি কালছোৱাত ক্ষীণ অভিজ্ঞতাৰে অতি দুখেৰেই কবলগীয়া হৈছে যে এনেহেন কঠিন পৰিস্থিতো আমাৰ মাজত জাতীয় চেতনাৰ অভাৱ। সাহিত্য চৰ্চা তথা লিখন অভ্যাস যেন অবাঞ্চনীয় বস্তুহে। দুৰ্লভতাৰ মাজতো যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী তথা বিদ্যায়তনিক শিক্ষাগুৰুৱে মূল্যবান সময় নষ্ট কৰি নিজৰ লিখনিৰে আলোচনীখন সমৃদ্ধ কৰিলে তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

নিভূৰ্লতাই সাহিত্যৰ মানদণ্ড উন্নত কৰাত বাৰুকৈয়ে অৰিহণা যোগায়। তাৰ বাবে বিজ্ঞ ব্যক্তিৰ সদোপদেশ তথা হস্তক্ষেপৰ মহত্ব সৰ্ব্ব-স্বীকাৰ্য্য। এনে গুণৰ অধিকাৰী আমাৰ মহা-বিদ্যালয়ৰ মাননীয় প্ৰবক্তা সকল ক্ৰমে ওমৰ আলী আহমেদ, আতোৱাৰ ৰহমান, আশিকুল হক, হানিফ মোস্তাক, সাহাবউদ্দিন খান, মাছুদ হাছান আৰু শামচুল আলম আদি মহান ব্যক্তিসকলৰ তীক্ষ্ণ দৃষ্টি গোচৰে আলোচনীখনৰ আসোৱাহ বহুগুণে হ্ৰাস কৰাৰ বাবে তেখেতসকললৈ মোৰ চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সুন্দৰৰ পূজাৰী মানৱৰ চিত্তাকৰ্ষণৰ বাবে আলোচনী এখনৰ বেটুপাতৰ লগতে আভ্যন্তৰিণ সু-গাথনিৰ বাৰুকৈয়ে প্ৰয়োজন বুলি মোৰ ধাৰণা। হৃদয়ৰ বহুকল্পিত এই আশাক বাস্তৱত ৰূপায়িত কৰাত বৰ্ণনাতীত উপদেশ তথা বিচক্ষণ দৃষ্টিৰ বহু-মূলীয়া শ্ৰমদানৰ বাবে বেটুপাতৰ শিল্পীসকল, সম্পাদনা সমিতিৰ সভাপতি তথা এইখন মহাবিদ্যা-লয়ৰ সৰ্বপূজ্য অধ্যক্ষ মাননীয় আব্দুছ ছাত্তাৰ আহমেদ মহোদয় আৰু সন্মানীয় সদস্য প্ৰবক্তা সকল ক্ৰমে দেৱান আঃ গফুৰ, শ্ৰীযুক্ত ঘনশ্যাম ভৰালী, ড° খাহাজামাল শ্বেইখ আৰু যোগেন্দ্ৰ ঝা মহাশয়লৈ মোৰ বিনম্ৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। তাৰোপৰি আলোচনীখন সুপৰিকল্পিত আৰু সৰ্বাঙ্গ সুন্দৰ কৰি ছপোৱাৰ বাবে প্ৰগতি প্ৰেছৰ

সত্ত্বাধিকাৰী নুৰুল ইছলাম আৰু কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

নাৰী জাগৰণ তথা নাৰী বিপ্লৱ অবিহনে সমাজ এখন পঙ্গু বুলি কলেও বঢ়াই কোৱা নহব। কিন্তু লেখিকাৰ অভাৱ এইবাৰৰ আলোচনীৰ আন এটা গুৰুত্বপূৰ্ণ দিশ। বৰ্ত্তমানৰ অস্থিৰ মানৱ সমাজৰ লগত ছন্দ মিলাই চলিবলৈ বিজ্ঞান সন্মত পৰ্দাৰ পৰিসৰৰ মাজত থাকি আমাৰ সমাজৰ ছাত্ৰী সকলে বিপদাপন্ন সমাজখনক উদ্ধাৰৰ হকে ভৱিষ্যতে গভীৰ ভাবে চিন্তা কৰিব আৰু লিখাৰ বাবে আপ্ৰাণ চেষ্টা কৰিব বুলি আহ্বান জনালোঁ।

আলোচনী সম্পাদকৰ গুৰুদায়িত্ব গ্ৰহণৰ পৰা আলোচনীখন ছপাই ওলোৱালৈকে বিভিন্ন ধৰণে সহায় কৰা ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যা তথা বিভাগীয় ভাৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী সকললৈ আৰু আলোচনী সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্বত অধিষ্ঠিত কৰাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী, কাৰ্য্যালয় তথা বিভাগীয় সমূহ কৰ্মীবৃন্দলৈ শ্ৰেণী অনুযায়ী মোৰ হাৰ্দিক সেৱা, শ্ৰদ্ধা আৰু ভাল পোৱা জ্ঞাপন কৰিলোঁ।

আলোচনী সম্পাদকৰ কালছোৱাত ছাত্ৰ একতা সভাৰ সামূহিক পদত নিয়োজিত ইংৰাজী বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা মাননীয় নজমুল হক মহাশয়ে বিভিন্ন দিশত আগবঢ়োৱা সহায় আৰু উপদেশৰ বাবে তেখেতৰ ওচৰত চিৰ ঋণী ও কৃতজ্ঞ হৈ থাকিম। একেদৰে বিভিন্ন ধৰণে সহায় সহযোগ কৰা বন্ধু-বান্ধৱী সকললৈও মোৰ হিয়া ভৰা ভাল পোৱা জ্ঞাপন কৰিলো।

যিসকল মহান ব্যক্তিৰ অশেষ ত্যাগৰ বিনিময়ত আজিৰ এই নৱজ্যোতি মহাবিদ্যালয় — তাৰ বহুতেই আমাৰ মাজত আজি নাই। বেদনাই যেন মোৰ কালছোৱাৰ সৰ্বশ্ৰেষ্ঠ উপহাৰ। তাৰ ফলস্বৰূপেই হয়তো অকালতে হেৰুৱাব লগীয়া হ'ল কেবাজনো প্ৰতিভাবান ছাত্ৰ-ছাত্ৰী। নিয়তিৰ কঠোৰ বিধান তাতো ক্ষান্ত নেথাকি সকলোকে কন্দুৱাই অকালতেই হৰণ কৰি ললে আটাইয়েৰে মৰমৰ পাত্ৰ তথা পূজনীয় শিক্ষাগুৰু মাননীয় শ্ৰীযুত লম্বিত কোঁৱৰ দেৱক। যাৰ অবিহনে মহাবিদ্যালয়ৰ ন-জ্যোতি আজি সঁচাকৈয়ে ম্ৰিয়মান। আহক আমি এই সকলোবোৰ ব্যক্তিৰ বিদেহী আত্মাৰ সদগতিৰ বাবে পৰম কৰুণাময়ৰ ওচৰত দোওৱা ও প্ৰাৰ্থনা কৰো। হৃদয়ৰ বেদনাক কিছু পৰিমাণে পাতল কৰিবলৈ নৱজ্যোতি মহাবিদ্যালয় আলোচনীৰ উনবিংশতিতম সংখ্যাটো স্বৰ্গীয় লম্বিত কোঁৱৰ দেৱৰ পৱিত্ৰ স্মৃতিত অৰ্পন কৰিবলৈ পাই নিজকে সুখী অনুভৱ কৰিলোঁ।

নিজৰ জ্ঞাত-অজ্ঞাতে কৰা ভুলৰ বাবে কৰযোৰে ক্ষমা প্ৰাৰ্থনা কৰি নতুন শতাব্দীত সকলোৰে সুখ-শান্তি আৰু দীৰ্ঘায়ু কামনাৰে সামৰিছোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয় আলোচনী"
"জয়তু নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে —
স্বাজাহান আহমেদ
সম্পাদক,
আলোচনী বিভাগ।

NABAJYOTI COLLEGE, LIBRARY
Estd. 1971
P. O. KALGACHIA

এই সংখ্যাৰ ....

## সূচ-সম্বাদ


| | | পৃষ্ঠা — |
| --- | --- | --- |
| নিঃকিনৰ জেঁৱাই সেৱা | ড° এম, এছ, শ্বেইখ | ১ |
| জাতীয়তাবাদৰ পটভূমিত জাতি গঠণৰ প্ৰক্ৰিয়া | ড° ভগীৰথ নাথ | ৩ |
| কবিতা | মোঃ শ্বহিদুল ইছলাম | ৬ |
| অন্ধকাৰ | ছায়েত আলী | ৬ |
| নিৰুত্তৰ | মিচ্ আবিদা চুলতানা | ৭ |
| অবুজ বেদনা | মিচ্ নজমুন নেছাৰ | ৭ |
| নিৰ্জন মজিয়া | মিচ্ কবিয়া খাতুন | ৮ |
| দুটি নিষ্পাপ আত্মাৰ পৰিণতি | ছায়েত আলী | ১৩ |
| আমি ডেকা ছাত্ৰৰ দল | ৰফিকুল ইছলাম খান | ১৮ |
| নাম নাই | মোঃ আনোৱাৰ হুছেইন | ১৮ |
| বিদ্ৰোহী কবি কাজী নজৰুল ইছলাম | প্ৰৱক্তা ছোবমান আলী | ১৯ |
| আই | এ, বাছেদ | ২৩ |
| খন্তেকৰ বিদায় ক্ষণত | আব্দুছ ছালাম | ২৩ |
| প্ৰাণী বিজ্ঞানৰ এটি যুগান্তকাৰী আৱিস্কাৰ | প্ৰৱক্তা শামচুল আলম | ২৪ |
| গ্যাষ্ট্ৰালজিয়া : ইয়াৰ চিকিৎসা | প্ৰৱক্তা মোঃ ছোলেমান খান | ২৬ |
| শতিকাৰ অন্তিম বেদনাহত হৃদয়ৰ কান্দোন | আজাদ হুছেইন শ্বৰীফ | ৩০ |
| "মানৱ সেৱাৰ অমৰ প্ৰতীক : মাদাৰ টেৰেছা" | মিছ হাছিনা আহমেদ | ৩১ |
| একলব্য সংবাদ অথবা মুহিবুল মাষ্টৰৰ এদিন | প্ৰৱক্তা চৈয়দ কাইয়ুম কবীৰ | ৩৬ |

# : CONTENTS :

Page


| | | |
|---|---|---|
| ☐ The Reckless Race | A. S. Ahmed, Principal | 1 |
| ☐ Pollution | Hayet Ali | 4 |
| ☐ Qyamat the Ultimate destination | Dr. M. S. Sheikh | 5 |
| ☐ Land | Shahidul Islam | 10 |
| ☐ Utility of Copper and its biological role | A. H. Mustaque, Lecturer | 11 |
| ☐ What is interview | Norul Alam | 13 |
| ☐ After my death | Md. Anowar Hussain | 18 |


☐ সম্পাদকীয় প্ৰতিবেদনৰ শিতান—


# নিঃকিনৰ জোঁৱাই সেৱা


ড° এম, এছ, শ্বেখ
জ্যেষ্ঠ প্ৰবক্তা, প্ৰাণী বিজ্ঞান বিভাগ।


দূৰ্গাপূজাৰ দীঘলীয়া বন্ধত জীতুৱে নিজৰ ঘৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। জীতু মহাবিদ্যালয়ৰ প্ৰবক্তা। বহুদিনৰ মূৰত জীতু আজি ঘৰলৈ যাব। তীক্ষ্ণ গৰম, ধাৰাসাৰ বৰষুণ আৰু প্ৰবল বানপানীৰ মাজতো পাঠদান আৰু গৱেষণাত ব্যাস্ত থকাত ঘৰলৈ যোৱাটো জীতুৰ পক্ষে সম্ভৱ হোৱা নাছিল। জীতুৰ মনটো আজি বৰকৈ চঞ্চল। অজানিত ভাবে তাৰ মানসপটত নিজৰ ঘৰখনৰ ছবি প্ৰতিফলিত হব ধৰিলে। জীতুৰ মনত পৰিল দেউতাকৰ সকলো মৰম দিয়া দাদাৰ কথা। মনত পৰিল সেইজনী নবৌৰ কথা যিজনীয়ে 'নিজৰ সন্তানৰ দৰে জীতুক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। যি দাদা-নবৌৰ নিঃস্বাৰ্থ ত্যাগৰ ফলত জীতু আজি প্ৰবক্তা। অথচ সিহঁতক কিমান দিন ধৰি দেখা দিয়া দূৰৰ কথা চিঠি এখনো দিয়া নাই জীতুৱে।

জনপূৰ্ণ ব্যাস্ত চহৰৰ পৰা ওলাই মুক্ত আকাশৰ তলত গাঁৱলীয়া পৰিৱেশ, শাৰী শাৰী ওখ সেউজ পাহাৰ, শইচপূৰ্ণ সোণালী খেতি-পথাৰ আদিয়ে জীতুক বাৰুকৈয়ে পুলকিত কৰিব ধৰিলে। ঘণ্টাৰ পিছত ঘণ্টা অতিবাহিত হ'ল। ভাবত তন্ময় জীতুৱে ক্ৰমান্বয়ে বাঢ়ি অহা বিড়ি ছিগাৰেটৰ ধোঁৱা আৰু গাড়ীৰ তীব্ৰ থেকেচাত জিউ-মৰোঁ কৰিব ধৰিলে। কাকো দোষ দি লাভ নাই। ধপাতৰ ধোঁৱা খোৱাত প্ৰায়বোৰ মানুহেই অভ্যস্ত। অথচ কোনেও এবাৰ ভাবি নেচায় ৰুটিছৰ সময়তে পকি কৰা ৰাস্তাটোৰ কিয় ইমান শোচনীয় অৱস্থা। জৰাজীৰ্ণ কাঠৰ দলংবোৰ পালে আৰু ৰক্ষা নাই। বাছৰ পৰা সকলো যাত্ৰী নামিলেহে গাড়ীখনে দলং কোনোমতে পাৰ হব পাৰে। গাড়ীৰ গতিবেগ বৰ বেছি হলে ঘণ্টাত বিশ কিলোমিটাৰ। যি যুগত মানুহে আকাশীযানত ভ্ৰমণ কৰিও আমনি পায় অথচ এনে এটা সময়তো যাত্ৰীবাহী গাড়ীয়ে কাছৰ দৌৰ প্ৰতিযোগিতা পাতে। ভাবিলে সচাঁকৈয়ে আচৰিত যেন লাগে। গাড়ীৰ থেকেচাত প্ৰায় আধামৰা হৈ জীতুৱে নিজৰ গাওঁখনৰ ওচৰৰ আস্থান পালেগৈ।



জীতুৱে নিজৰ ঘৰখনক চিনিবই পৰা নাছিল। পাহাৰৰ নামনিয়েদি শত-শত নতুন পৰিয়ালৰ বাস-গৃহ। প্ৰত্যেকেই ব্ৰহ্মপুত্ৰৰ প্ৰৱল গৰাখহনীয়াৰ কবলত পৰি জুৰুলা হোৱা একোটাকৈ যেন ভগ্নাৱশেষ। ৰাস্তাৰ দাঁতিয়েদি শাৰী-শাৰী জুপুৰী ঘৰ। সৰু-সৰু জুপুৰীবোৰতেই একোটাকৈ বিশাল পৰিয়াল। শোচ-পেচাৰৰ গোন্ধ, কেচুৱাৰ কান্দোন, প্ৰসৱ বেদনাত চট্‌ফটাই থকা মাতৃৰ কাতৰ আৰ্তনাদ আৰু হাতত থাল-বাটি লৈ ঘূৰিফুৰা ভিক্ষাৰীৰ দলবোৰে যেন বাৰে-বাৰে কৈ আছে আমাক থাকিবলৈ ঠাই দিয়া, খাবলৈ এটুকুৰা পোৱা ৰুটি দিয়া, আটা কিনিবলৈ দহটা পইচা দিয়া। কিন্তু কোনে কাৰ বিলাপ শুনিব। সকলোৱে ভাবে মাথোন নিজে জীয়াই থাকিব পাৰিলেহে ৰক্ষা। ৰাইজৰ আলৈ-আথানি দেখি জীতুৰ মনটো একেবাৰে সেমেকি গ'ল। জীতুৱে সপোনতো ভবা নাছিল ৰাইজৰ ইমান দূৰ্দশা হব পাৰিবে বুলি। জীতুৰ মনত পৰিল শৈশৱৰ সেই দিন

বোৰৰ কথা। আম, জামু, বগৰী, তেতেলী আদিৰ বাগিছা, আহল-বহল খেল পথাৰ আৰু বিস্তৃৰ্ণ ধাননি পথাৰবোৰলৈ। মনত্যপৰিল জীতুৱে অধ্যয়ন কৰা প্ৰাথমিক, মধ্য ইংৰাজী, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহলৈ। য'ত এদিন হেজাৰ-হেজাৰ ল'ৰা-ছোৱালীয়ে অধ্যয়ন কৰিছিল তাত আজি ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতবোৰ আনন্দত আপোন পাহৰা হৈ কিৰিলি পাৰি আছে। এটি ভয়ঙ্কৰ অজগৰ সাপৰ দৰে হেজাৰ বাস-গৃহ পেটত সুমুৱাই নদখনে ৰৈ আছে মহামিলনৰ উদ্দেশ্যে।

এজনী অতৰচেলাই আধবয়সীয়া বুঢ়ীৰ মাতত জীতুৰ তন্দ্ৰা ভাগিল। চকুমেলি জীতুৱে দেখিলে মাথোন সোঁতোৰা সোঁতৰ ছাঁলেৰে আবৃত এটি নৰ-কংকাল হাতত থকা লাখুটিডালৰ ওপৰত ভৰ দি থিয় হৈ আছে। বুঢ়ীৰ বাগিছাৰ ফল-মূলৰ মিঠা আৰু টেঙা সোৱাদবোৰ জীতুৰ দেহাৰ পৰা অকটা তিতা বেদনা আকাৰে ওলাবলৈ ধৰিলে। জীতুৱে আবেগতে মাথোন ক'লে, আপুনি চেনেহী নবো নহয় জানো! বুঢ়ীয়ে আপোন মনেৰে ককৃবকাই কবলৈ ধৰিলে - তই ঘৰলৈ অহা খবৰ শুনি চিধাই আহিলোঁ। নকবি বাপাৰে আগৰ ঘৰ-বাৰীখনো ব্ৰহ্মপুত্ৰই নিলে, চিন্তাতে বুঢ়াটোও ঢুকাল, গাইজনীও বানপানীত মৰি থাকিল, হাঁহ কেইজনীও কোনোবাই ধৰি নি খালে, ছাগলীজনীও জুনুমুনুৰ বিয়াত কাটি ৰাইজক খুৱালোঁ। বাপাৰে, তোৰ মাষ্টৰ দাদাই চাউল আৰু কাপোৰ কিনি দিয়াতহে ছোৱালীজনীৰ বিয়া দিব পাৰিলোঁ। যিহে চৰকাৰ, মানুহৰ এনেহেন দূৰ্দশাতো ভালকৈ ৰিলিপ নিদিয়ে। মাত্ৰ এদিন কেইটা মান চাউল আৰু আটা দিলে তাৰ পিছত আৰু খবৰে নাই। ভোট আহিলেহে সিহঁতৰ চাটু কথা শুনিবলৈ পোৱা যায়। সকলোৱে কৈ আছে মিনিষ্টাৰে বোলে ট্ৰাকভৰ্ত্তী আটা-চাউল বিকি খালে। মিনিষ্টাৰক এ কাণ্ড অজগৰ সাপ এটা বনাই মুখেৰে ট্ৰাকভৰ্ত্তী মাল সুমোৱা ছবি ডেকা ল'ৰাবোৰে গাৱেঁ-গাৱেঁ দেখুৱাই ফুৰিছিল। সঁচাকৈয়ে সিহঁত বৰ বেয়া মানুহ। দূৰ্গাপুজাত নতুন জোঁৱাই ঘৰলৈ আহিব। হাতত পইচাপাতি একো নাই। কিহেৰে জোঁৱাইক আদৰ কৰিম। তই জানা নহয় মোৰ একমাত্ৰ জোঁৱাই। বাপাৰে, মোৰ সন্মান ৰক্ষা কৰ। যোৱা দুদিন ধৰি কিমানজনৰ ওচৰলৈ যে গলোঁ তাৰ হিচাপ নাই। ক'তো ধাৰ নেপালোঁ। তই মোক মাত্ৰ দহ টকা ধাৰলৈ দে। মজুৰী খাটি হলেও তোৰ টকা পৰিশোধ কৰিম। জীতুৱে বেদনাক্লিষ্ট মনেৰে বুঢ়ীক কলে দহটকাৰে জোৱাইক কিনো খুৱাবি। বুঢ়ীয়ে সহজ ভাবে ক'ব ধৰিলে কিয়? দহটকাৰে মাছ কিনিম, চাউল কিনিম, চেনী কিনিম, চাহপাত কিনিম, আৰু মুৰী কিনিম। জীতুৱে আৰু নিজকে চম্ভালিব নোৱাৰিলে। বেদনাবোৰ যেন হাঁহি আকাৰে অবিচ্ছিন্ন ভাবে জীতুৰ মুখেৰে ওলাব ধৰিলে। জেপৰ পৰা দহটকা উলিয়াই বুঢ়ীৰ হাতত দিলে। টকা পাই আনন্দত আভুহাৰাহৈ লাখুটিডাল হাতত লৈ বুঢ়ীয়ে বেগাই খোজ ললে বজাৰ অভিমুখে। জীতুৱে একেথৰে চাই থাকল বুঢ়ী যোৱা বাটৰ পিনে। বুঢ়ীয়ে লাহে লাহে পূজামণ্ডপৰ চৌদিশে জাকপাতি আনন্দত আত্মহাৰা হৈ থকা ৰংবিৰঙৰ বিশাল জনসমুদ্ৰৰ মাজত হেৰাই গ'ল। পশ্চিম আকাশত বেলিটিয়ে তাৰ ৰক্তিম সোণালী আভাৰে যেন জীতুক সম্ভাষণ জনালে আৰু কলে জীতু উঠা আৰু এটা অন্ধকাৰক আঁকোৱালা লবলৈ সাজু হোৱা।





# জাতীয়তাবাদৰ পটভূমিত জাতি গঠনৰ প্ৰক্ৰিয়া

ড° ভগীৰথ নাথ
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ।

মানৱ সমাজ ক্ৰমোন্নতিৰ পথত আগবাঢ়ি অহাৰ লগে লগে সমাজৰ প্ৰয়োজনবোধ পৰিৱৰ্ত্তিত হৈ আহিছে। সামাজিক, ৰাজনৈতিক সুখ-শান্তিৰ কাৰণেই মানৱ জীৱনৰ সমস্যাবোৰো ভিন্ন দৃষ্টিভঙ্গীৰে উত্থাপিত হবলৈ ধৰিলে। সামাজিক, ৰাজনৈতিক আৰু ধৰ্মীয় ৰীতি-নীতিৰ নিষ্পেষণত ভাগি পৰা জীৱনৰ আকাংক্ষাসমূহ জটিলতাৰ মেৰপাকত আৱদ্ধ হ'ল। জটিলতাই নিজৰ জাতি তথা দেশৰ প্ৰতি বাঢ়ি অহা অনুৰাগ বা স্বদেশ চেতনাক প্ৰখৰ কৰি তুলিলে। নিজ নিজ জাতিৰ স্বাধীনতা আৰু সংস্কৃতি ৰক্ষা বা সম্প্ৰসাৰণ কৰিবলৈ জাতীয় প্ৰেমৰ উন্মেষ ঘটিল। ভিন্ন ভিন্ন জাতিসমূহৰ মনত নতুন সৃষ্টি আৰু উদ্দেশ্য বহল ভিত্তিত গঢ় লবলৈ ধৰিলে। জাতীয়তাবাদে নিজস্ব উৎকৰ্ষ সাধনতো সহায় কৰিলে। ইয়াৰ ফলতেই জনসাধাৰণৰ অন্তৰত জাগৰিত হল জাতীয়তাবোধ। সমস্যাই মানুহৰ অভাৱ অভিযোগৰ কথা বুজাত সহায় কৰিলে। প্ৰাপ্যখিনিৰ পৰা কোনো গোষ্ঠীয়ে বঞ্চিত হ'ব নিবিচাৰে। প্ৰাপ্তি লাভৰ বাবে সকলোৱে নিজস্ব দাবী সাব্যস্ত কৰাৰ প্ৰতি বিশেষভাবে আগ্ৰহান্বিত হ'ল।

এনেদৰে দাবী সাব্যস্ত কৰিবলৈ যাওঁতেই জনসাধাৰণ স্বদেশ প্ৰেমত বা জাতি প্ৰেমত স্বাভাৱিকতে উদ্বুদ্ধ হৈছে। ই মানুহৰ সহজাত প্ৰৱৃত্তি আৰু এই প্ৰবৃত্তিয়ে যুগে যুগে মানৱ মনত চিৰন্তন-ৰূপত প্ৰতিষ্ঠিত হৈ অহাটো বাৰুকৈয়ে লক্ষণীয়। নিজস্ব স্থিতিৰ অনুভৱতেই সামাজিক স্থিতিৰ মনোভাৱৰ উদয় হয় আৰু সমাজত প্ৰত্যয়শীল চিন্তাই মানুহক স্বদেশ প্ৰেমেৰে স্বাভাৱিকতে উদ্বুদ্ধ কৰে। জীৱেশ্বৰ শৰ্মাদেৱৰ উক্তিৰে কবলৈ হলে—

"অন্যান্য প্ৰবৃত্তিৰ দৰে মানুহৰ অন্তৰত এই ভাৱৰ মূল্যও জীৱনৰ আৰম্ভণিৰ পৰা থিতলয়। কিন্তু মানুহৰ বাহ্যিক প্ৰবৃত্তিৰ লগত ইয়াৰ এনে ওচৰ সম্বন্ধ যে, কাৰ্য্যথলিত স্বাভাৱিকতে এটিৰ দ্বাৰা আনটি চালিত হোৱা দেখা যায়। এই ভাব মানুহৰ স্বাভাৱিক প্ৰবৃত্তিৰ হ'লেও বাহ্যিক প্ৰবৃত্তিৰ দ্বাৰাই পৰিচালিত হৈ, ই লৌকিক কাৰ্য্যত প্ৰতিফলিত হোৱাৰ পিছতেই ইয়াৰ সম্পূৰ্ণ স্থিতি অনুভৱ কৰিব পৰা যায়।" [১] সাধাৰণতে দেশৰ অথবা জাতিৰ প্ৰগতিত বাধা, সময়ৰ লগত খাপ খাব নোৱাৰা সামাজিক জটিলতাই এনে ভাৱৰ সৃষ্টি কৰে বুলি ক'ব পাৰি। গতিকে, জাতীয়তাৰ ভাৱ সমৃদ্ধ সাহিত্যৰাজিৰ ক্ষেত্ৰত, কাল আৰু অৱস্থাৰ প্ৰেৰণাও মন কৰিবলগীয়া বিষয়।

অতীত কালত মানুহে গাইগুটীয়া ভাৱে আছিল যদিও জৈৱিক আৰু বৈষয়িক বাস্তৱ প্ৰয়োজনৰ তাগিদাত পৰিয়ে গোষ্ঠীবদ্ধ জীৱন-যাপন কৰিবলৈ লৈছিল। সমাজ জীৱনৰ আধাৰত পৰিচালিত হোৱা মানৱ জীৱনৰ ৰূপটোৱেই কালক্ৰমত পৃথিবীৰ বিভিন্ন ভূ-ভাগত বিভিন্ন ভৌগলিক সীমাৰ মাজত

১। কলিতা, দক্ষিণাথ ( সম্পাদিত ) 'প্ৰদীপ' ১৯১৯ চন,
জীৱেশ্বৰ শৰ্মাৰ প্ৰবন্ধ ( 'স্বদেশ প্ৰেম' ) পৃঃ ১

বোৰৰ কথা। আম, জামু, বগৰী, তেতেলী আদিৰ বাগিছা, আহল-বহল খেল পথাৰ আৰু বিস্তৰ্ণ ধাননি পথাৰবোৰলৈ। মনুত্যপুৰিল জীতুৱে অধ্যয়ন কৰা প্ৰাথমিক, মধ্য ইংৰাজী, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহলৈ। য'ত এদিন হেজাৰ-হেজাৰ ল'ৰা-ছোৱালীয়ে অধ্যয়ন কৰিছিল তাত আজি ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতবোৰ আনন্দত আপোন পাহৰা হৈ কিৰিলি পাৰি আছে। এটি ভয়ঙ্কৰ অজগৰ সাপৰ দৰে হেজাৰ বাসগৃহ পেটত সুমুৱাই নদখনে বৈ আছে মহামিলনৰ উদ্দেশ্যে।

এজনী অতৰচেলাই আধবয়সীয়া বুঢ়ীৰ মাতত জীতুৰ তন্দ্ৰা ভাগিল। চকুমেলি জীতুৱে দেখিলে মাথোন সোঁতোৱা সোঁতৰ ছালেৰে আবৃত এটি নৰ-কংকাল হাতত থকা লাখুটিডালৰ ওপৰত ভৰ দি থিয় হৈ আছে। বুঢ়ীৰ বাগিছাৰ ফল-মূলৰ মিঠা আৰু টেঙা সোৱাদবোৰ জীতুৰ দেহাৰ পৰা অকটা তিতা বেদনা আকাৰে ওলাবলৈ ধৰিলে। জীতুৱে আবেগতে মাথোন ক'লে, আপুনি চেনেহী নবো নহয় জানে।! বুঢ়ীয়ে আপোন মনেৰে কক্‌বকাই কবলৈ ধৰিলে - তই ঘৰলৈ অহা খবৰ শুনি চিধাই আহিলোঁ। নকবি বাপাৰে আগৰ ঘৰ-বাৰীখনো ব্ৰহ্মপুত্ৰই নিলে, চিন্তাতে বুঢ়াটোও ঢুকাল, গাইজনীও বানপানীত মৰি থাকিল, হাঁহ কেইজনীও কোনোবাই ধৰি নি খালে, ছাগলীজনীও জুনুমুনুৰ বিয়াত কাটি ৰাইজক খুৱালোঁ। বাপাৰে, তোৰ মাষ্টৰ দাদাই চাউল আৰু কাপোৰ কিনি দিয়াতহে ছোৱালীজনীৰ বিয়া দিব পাৰিলোঁ। যিহে চৰকাৰ, মানুহৰ এনেহেন দূৰ্দশাতো ভালকৈ ৰিলিপ নিদিয়ে। মাত্ৰ এদিন কেইটা মান চাউল আৰু আটা দিলে তাৰ পিছত আৰু খবৰে নাই। ভোট আহিলেহে সিহঁতৰ চাটু কথা শুনিবলৈ পোৱা যায়। সকলোৱে কৈ আছে মিনিষ্টাৰে বোলে ট্ৰাক-ভৰ্ত্তী আটা-চাউল বিকি খালে। মিনিষ্টাৰক ৫ কাণ্ড অজগৰ সাপ এটা বনাই মুখেৰে ট্ৰাকভৰ্ত্তী মাল সুমোৱা ছবি ডেকা ল'ৰাবোৰে গাৱেঁ-গাৱেঁ দেখুৱাই ফুৰিছিল। সঁচাকৈয়ে সিহঁত বৰ বেয়া মানুহ। দূৰ্গাপূজাত নতুন জোঁৱাই ঘৰলৈ আহিব। হাতত পইচাপাতি একো নাই। কিহেৰে জোঁৱাইক আদৰ কৰিম। তই জানা নহয় মোৰ একমাত্ৰ জোঁৱাই। বাপাৰে, মোৰ সন্মান ৰক্ষা কৰ। যোৱা দুদিন ধৰি কিমানজনৰ ওচৰলৈ যে গলোঁ তাৰ হিচাপ নাই। ক'তো ধাৰ নেপালোঁ। তই মোক মাত্ৰ দহ টকা ধাৰলৈ দে। মজুৰী খাটি হলেও তোৰ টকা পৰিশোধ কৰিম। জীতুৱে বেদনাক্লিষ্ট মনেৰে বুঢ়ীক কলে দহটকাৰে জোৱাইক কিনো খুৱাবি। বুঢ়ীয়ে সহজ ভাবে ক'ব ধৰিলে কিয়? দহটকাৰে মাছ কিনিম, চাউল কিনিম, চেনী কিনিম, চাহপাত কিনিম, আৰু মুৰী কিনিম। জীতুৱে আৰু নিজকে চম্ভালিব নোৱাৰিলে। বেদনাবোৰ যেন হাঁহি আকাৰে অবিচ্ছিন্ন ভাবে জীতুৰ মুখেৰে ওলাব ধৰিলে। জেপৰ পৰা দহটকা উলিয়াই বুঢ়ীৰ হাতত দিলে। টকা পাই আনন্দত আগুহাৰাহৈ লাখুটিডাল হাতত লৈ বুঢ়ীয়ে বেগাই খোজ ললে বজাৰ অভিমুখে। জীতুৱে একেথৰে চাই থাকিল বুঢ়ী যোৱা বাটৰ পিনে। বুঢ়ীয়ে লাহে লাহে পূজামণ্ডপৰ চৌদিশে জাকপাতি আনন্দত আত্মহাৰা হৈ থকা ৰংবিৰঙৰ বিশাল জনসমুদ্ৰৰ মাজত হেৰাই গ'ল। পশ্চিম আকাশত বেলিটিয়ে তাৰ ৰক্তিম সোণালী আভাৰে যেন জীতুক সম্ভাষণ জনালে আৰু কলে জীতু উঠা আৰু এটা অন্ধকাৰক আঁকোৱালি লবলৈ সাজু হোৱা।





# জাতীয়তাবাদৰ পটভূমিত জাতি গঠনৰ প্ৰক্ৰিয়া

ড° ভগীৰথ নাথ
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ।

মানৱ সমাজ ক্ৰমোন্নতিৰ পথত আগবাঢ়ি অহাৰ লগে লগে সমাজৰ প্ৰয়োজনবোধ পৰিৱৰ্ত্তিত হৈ আহিছে। সামাজিক, ৰাজনৈতিক সুখ-শান্তিৰ কাৰণেই মানৱ জীৱনৰ সমস্যাবোৰো ভিন্ন দৃষ্টিভঙ্গীৰে উত্থাপিত হবলৈ ধৰিলে। সামাজিক, ৰাজনৈতিক আৰু ধৰ্মীয় ৰীতি-নীতিৰ নিষ্পেষণত ভাগি পৰা জীৱনৰ আকাংক্ষাসমূহ জটিলতাৰ মেৰপাকত আৱদ্ধ হ'ল। জটিলতাই নিজৰ জাতি তথা দেশৰ প্ৰতি বাঢ়ি অহা অনুৰাগ বা স্বদেশ চেতনাক প্ৰখৰ কৰি তুলিলে। নিজ নিজ জাতিৰ স্বাধীনতা আৰু সংস্কৃতি ৰক্ষা বা সম্প্ৰসাৰণ কৰিবলৈ জাতীয় প্ৰেমৰ উন্মেষ ঘটিল। ভিন্ন ভিন্ন জাতিসমূহৰ মনত নতুন সৃষ্টি আৰু উদ্দেশ্য বহল ভিত্তিত গঢ় লবলৈ ধৰিলে। জাতীয়তাবাদে নিজস্ব উৎকৰ্ষ সাধনতো সহায় কৰিলে। ইয়াৰ ফলতেই জনসাধাৰণৰ অন্তৰত জাগৰিত হল জাতীয়তাবোধ। সমস্যাই মানুহৰ অভাৱ অভিযোগৰ কথা বুজাত সহায় কৰিলে। প্ৰাপ্যখিনিৰ পৰা কোনো গোষ্ঠীয়ে বঞ্চিত হ'ব নিবিচাৰে। প্ৰাপ্তি লাভৰ বাবে সকলোৱে নিজস্ব দাবী সাব্যস্ত কৰাৰ প্ৰতি বিশেষভাবে আগ্ৰহান্বিত হ'ল।

এনেদৰে দাবী সাব্যস্ত কৰিবলৈ যাওঁতেই জনসাধাৰণ স্বদেশ প্ৰেমত বা জাতি প্ৰেমত স্বাভাৱিকতে উদ্বুদ্ধ হৈছে। ই মানুহৰ সহজাত প্ৰৱৃত্তি আৰু এই প্ৰবৃত্তিয়ে যুগে যুগে মানৱ মনত চিৰন্তন-ৰূপত প্ৰতিষ্ঠিত হৈ অহাটো বাৰুকৈয়ে লক্ষণীয়। নিজস্ব স্থিতিৰ অনুভৱতেই সামাজিক স্থিতিৰ মনোভাৱৰ উদয় হয় আৰু সমাজত প্ৰত্যয়শীল চিন্তাই মানুহক স্বদেশ প্ৰেমেৰে স্বাভাৱিকতে উদ্বুদ্ধ কৰে। জীৱেশ্বৰ শৰ্মাদেৱৰ উক্তিৰে কবলৈ হলে—

"অন্যান্য প্ৰবৃত্তিৰ দৰে মানুহৰ অন্তৰত এই ভাৱৰ মূল্যও জীৱনৰ আৰম্ভণিৰ পৰা থিতলয়। কিন্তু মানুহৰ বাহ্যিক প্ৰবৃত্তিৰ লগত ইয়াৰ এনে ওচৰ সম্বন্ধ যে, কাৰ্য্যথলিত স্বাভাৱিকতে এটিৰ দ্বাৰা আনটি চালিত হোৱা দেখা যায়। এই ভাব মানুহৰ স্বাভাৱিক প্ৰবৃত্তিৰ হ'লেও বাহ্যিক প্ৰবৃত্তিৰ দ্বাৰাই পৰিচালিত হৈ, ই লৌকিক কাৰ্য্যত প্ৰতিফলিত হোৱাৰ পিছতেই ইয়াৰ সম্পূৰ্ণ স্থিতি অনুভৱ কৰিব পৰা যায়।" [১] সাধাৰণতে দেশৰ অথবা জাতিৰ প্ৰগতিত বাধা, সময়ৰ লগত খাপ খাব নোৱাৰা সামাজিক জটিলতাই এনে ভাৱৰ সৃষ্টি কৰে বুলি ক'ব পাৰি। গতিকে, জাতীয়তাৰ ভাৱ সমৃদ্ধ সাহিত্যৰাজিৰ ক্ষেত্ৰত, কাল আৰু অৱস্থাৰ প্ৰেৰণাও মন কৰিবলগীয়া বিষয়।

অতীত কালত মানুহে গাইগুটীয়া ভাৱে আছিল যদিও জৈৱিক আৰু বৈষয়িক বাস্তৱ প্ৰয়োজনৰ তাগিদাত পৰিয়ে গোষ্ঠীবদ্ধ জীৱন-যাপন কৰিবলৈ লৈছিল। সমাজ জীৱনৰ আধাৰত পৰিচালিত হোৱা মানৱ জীৱনৰ ৰূপটোৱেই কালক্ৰমত পৃথিবীৰ বিভিন্ন ভূ-ভাগত বিভিন্ন ভৌগলিক সীমাৰ মাজত

১। কলিতা, দক্ষিণাথ ( সম্পাদিত ) 'প্ৰদীপ' ১৯১৯ চন, জীৱেশ্বৰ শৰ্মাৰ প্ৰবন্ধ ('স্বদেশ প্ৰেম') পৃঃ ১

থাকিবলৈ আৰম্ভ কৰিছিল। এনেদৰে একোখন দেশ, মহাদেশ, একোটা জাতি গঠণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। তাৰ ফল স্বৰূপে নিজৰ দেশৰ প্ৰতি, সামাজিক ৰীতি-নীতি, জাতীয় ঐতিহ্য, নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি আপোনা আপুনি আস্থা বা অনুৰাগৰ উদ্ভৱ হবলৈ ধৰিলে। তেতিয়াই সকলো বান্ধোনৰ পৰা মুক্তি বিচাৰি দেশীয় বা জাতীয় পাৰ্থক্যৰ ভিত্তিত একোখন সমাজে জাতীয়তা, উপ-জাতীয়তা আদি নানা ফৈদত বিভক্ত হৈ নানা ধৰণৰ অভাৱ অভিযোগৰ সমাধান বিচাৰি ঐক্যবদ্ধভাৱে নিজৰ দাবী উত্থাপন কৰিবলৈ লয়। ড° গোবিন্দ শৰ্ম্মাদেৱৰ উদ্ধৃত কথাখিনি এনে চিন্তাৰ বিকাশতেই প্ৰতিফলন বুলিব পাৰি।

Behind the search for the past glories of a country by its people lies a national spirit. The people of a country are enthused by this spirit generally in the first stage of the development of nationalism in the country. This search for the glories of the past is also a sort an endeavour for self-assertion; and thus, this, too, appears in the first stage of the development of national spirit. But besides trying to assert the self of the nation through history or historical fiction, the people of a country want through it to achieve unity or self-determination." and to rouse a "Political and historical consciousness of the nation." [2]

এনেদৰে পৃথিৱীৰ বহুতো উন্নত জাতীয় সভ্যতাই বিভিন্ন সময়ত ৰূপ সলনি কৰিছে আৰু সময়ৰ সোঁতত বিভিন্ন দেশত জাতীয়তাবাদৰ অভ্যুত্থান ক্ৰমশঃ পুৰঠ কৰি তুলিছে। "সপ্তদশ, অষ্টাদশ আৰু উনবিংশ শতাব্দীৰ ইতিহাস প্ৰধানকৈ মানৱ জাতিগত বিস্তৃত অঞ্চলবোৰৰ জাতি সংগঠণৰ ইতিহাস আভ্যন্তৰীণ আৰু বাহ্য-প্ৰতিবন্ধকৰ বিপক্ষে জায়মান জাতি সমূহে পূৰ্ণাংগ জাতি হৈ উঠিবলৈ কৰা সংগ্ৰামৰ আৰু ইতিমধ্যে গঠিত হৈ উঠা জাতি সমূহৰ পৰস্পৰৰ মাজত আত্মসংৰক্ষণ আৰু আত্ম শক্তি বিস্তাৰৰ ইতিহাস। বিংশ শতাব্দীতো জাতি গঠণৰ প্ৰক্ৰিয়া চলি আছিল যি সময়ত ভাৰতীয়, চীনা, তুৰ্কী, আৰবীয় আৰু ইজিপ্তীয় আৰু এছীয় আৰু আফ্ৰিকা মহাদেশীয় জাগ্ৰত জাতি সমূহে স্বাধীন জাতি হিচাপে তেওঁলোকৰ পূৰ্ণবিকাশৰ পথত প্ৰতিবন্ধক জন্মোৱা স্থানীয় সামান্তবাদী বা বিদেশী সাম্ৰাজ্যবাদী অন্তৰায় সমূহক আঁতৰাবৰ কাৰণে সংগঠিত আন্দোলন গঢ়ি তুলিছিল। এই আন্দোলনবোৰে জাতীয় ভিত্তিত তেওঁলোকৰ আৰ্থিক আৰু সাংস্কৃতিক জীৱনৰ মুক্ত আৰু অপ্ৰতিহত ক্ৰম-বিকাশৰ আকাংক্ষা প্ৰকাশ কৰিছিল। আনকি ইউৰোপতো প্ৰথম মহাসমৰৰ শেহত (১৯১৪ - ১৮) মাগীয়াৰ হাংগেৰীয়, জেক আদি কিছুমান জাতীয় জনসমষ্টিয়ে আৰু বহুজাতীয় অষ্ট্ৰ-হাংগেৰীয় সাম্ৰাজ্যৰ অধীনত বাস কৰা আন কিছুমানেও সেই অধীনতা জোকাৰি পেলাবৰ কাৰণে আন্দোলন সংগঠণ কৰিছিল।" [৩]

2. Sarma, G.P : Nationalism In Indo Angliam Fiction. P. 60

৩। ৰাজগুৰু, সৰ্ব্বেশ্বৰ (অনুদিত) ভাৰতীয় জাতীয়তাবাদৰ সামাজিক পটভূমি ( উক্ত গ্ৰন্থখন A.R. Desai ৰ Social Background of Indian Nationalism ৰ অসমীয়া অনুবাদ ) পৃঃ – ৩




কোনো এটা জাতিয়ে নিজস্ব ভাষা-সংস্কৃতি অথবা কোনো গোষ্ঠীৰ শোষণৰ পৰা মুক্ত হৈ আত্ম-নিয়ন্ত্ৰণৰ পথত খোজ দিবলৈ ইচ্ছা কৰে। এনে অনুপ্ৰেৰণাই কেতিয়াবা কেতিয়াবা বিৰোধী গোষ্ঠীৰো জন্ম দিয়ে। তাৰ ফলত গোষ্ঠীগত বিৰোধ ঠেক পথেৰে খোজ পেলাবলৈ বাধ্য হয়। এনে মনোভাৱক সংকীৰ্ণ আখ্যা দিব নোৱাৰি। এনে মনোভাৱ সম্বন্ধে নেহেৰুৱে তেওঁৰ আত্মজীৱনী "An Auto biography" ত লিখিছে— "Nationalism is essentially an anti-feeling, and it feeds and fatteus on hatred and anger against other national groups." [৪]

মানুহৰ অন্তৰত ঐক্য, মিলন আদিৰ জোৱাৰ আনিব পাৰি আবেগ অনুভূতিৰে। শ্ৰদ্ধাভক্তি, প্ৰেম-স্নেহ, সহানুভূতি, কৃতজ্ঞতাবোধ, দয়া, সৌন্দৰ্য্য-বোধ আদিয়ে মানৱ অন্তৰত সহজতে ভাৱানুভূতিৰ সঞ্চাৰ কৰিব পাৰে। সভ্যতাৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত যিবিলাক মূল্যৱান অৱদান আছে তাৰে এটি বিস্তৃত অংশ এই আবেগ অনুভূতিৰেই ফল। সাহিত্য বা শিল্পকলাই হওঁক যিবিলাক অপূৰ্ব সৌন্দৰ্য্যময় সৃষ্টি মানৱৰ মনৰ পৰা উদ্ভৱ হৈছে সেই সকলোবিলাকৰ মূলতেই হৈছে আবেগ অনুভূতি। মহাকবি বাল্মীকিৰ মুখৰ পৰা স্বতঃস্ফূৰ্তভাৱে ওলোৱা কবিতাও আছিল আবেগ আৰু অনুভূতিৰেই ফল। আবেগ উদ্বেল ভাৰত কবিৰ মনত যি গভীৰ আৰু ৰসাল অনুভূতিৰ সৃষ্টি হয় তাৰ ফলতেই কবিৰ অন্তৰ্দৃষ্টি বা দিব্য দৃষ্টি লাভ হয়। মহাকবি কালিদাসৰ শকুন্তলা নাটকত শকুন্তলা আৰু প্ৰকৃতিৰ মনোমোহা বৰ্ণনাৰ মাজত এই ভাৱানুভূতি দেখা যায়।

জাতীয়তাবোধ এক সৰ্ব্বজনীন অনুভূতি। দেশবাসীৰ মাজত ঐক্যানুভূতি জাগ্ৰত কৰিবলৈ হ'লে দেশীয় লোকৰ অন্তৰত আবেগ জগাই তোলা অত্যন্ত আৱশ্যক। পৃথিৱীৰ যিবিলাক দেশ বা জাতিয়ে উন্নতিৰ শীৰ্ষস্থান আৰোহণ কৰিব পাৰিছে তাৰ মূলতে হ'ল জাতীয়তাবোধ। ভাৰতবাসীৰ এশ বছৰীয়া সংগ্ৰাম আছিল স্বদেশৰ স্বাধীনতা পুনৰ ঘুৰাই অনাৰ। দেশৰ বাবে কাৰাবৰণ অথবা ফাঁচী কাঠত উঠিবলৈ কুণ্ঠাবোধ নকৰা ভাৰতবাসীৰ মূল উদ্দেশ্য আছিল দেশৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম। ছশ বছৰীয়া আহোমৰ ৰাজত্ব কালত অসমীয়া জাতিৰ জীয়াই থকাৰ যি প্ৰেৰণা আছিল ইয়াতো আছিল প্ৰতিজন অসমবাসীৰ জাতীয়তাবোধৰ আত্ম চেতনা। ‡‡

8. Nehru, Jawharlal: An Auto Biograyhy. P. 75



## ঃঃ কবিতা ঃঃ

মোঃ শ্বহিদুল ইছলাম
স্নাতক মহলা, ২য় বৰ্ষ।
মুখ্য বিষয় ইতিহাস।

মই যাৰ স'তে ধেমালি কৰিছোঁ
নাম তাৰ কবিতা।
মোৰ খিড়িকি কাষত বহি
লিখিছোঁ তাৰেই কবিতা।
কি যে তাৰ গোপন
মাদকতা সনা।
অলেখ অবুজ
মনৰ বেদনা।
বহাগৰ বসন্তই গৰকি
যোৱা কেঁচা দেহৰ
উত্তাল উন্মত্ত
জোৱাৰৰ ঢৌ।
অজানিতে দোমোজাত হেৰাই গ'ল
মোৰ নিৰস কবিতা।
মই যাৰ স'তে ধেমালি কৰিছোঁ
সঁচাকৈয়ে নাম তাৰ কবিতা।

● ● ●

## ঃঃ অন্ধকাৰ ঃঃ

হায়েত আলী
উঃ মাঃ দ্বিতীয় বৰ্ষ
( বিজ্ঞান শাখা )

পাহৰিলো আজি অতীতক !
হিংসা বৰ্জিত, সুস্থিৰ মনুষ্য সমাজ।
ভ্ৰমি জীৱনৰ সুখময় ঠাই,
যুগে যুগে কিয় আহিলো আগুৱাই ॥
কালৰ সোঁতত যিমানে ভটিয়াওঁ
অপকৰ্মৰ লেখ জোখ নাই।
যুগে যুগে কিয় আহিলো আগুৱাই ॥
প্ৰৱেশিলো আহি সমুদ্ৰ গৰ্ভত
উদ্ধাৰ হ'বৰ বাট পথ নাই।
ক্ৰন্দনৰত আত্মাই পিছুৰাব খোজে তুনাই
নোৱাৰে যাব শিকলি ছিঙি পিছুৱাই।
যুগে যুগে কিয় আহিলোঁ আগুৱাই ॥
চৌদিশে অন্ধকাৰ, কেৱল গহীন অন্ধকাৰ
পোহৰৰ লেখ মাথোন অলপো নাই
যুগে যুগে হাই কিয় আহিলোঁ আগুৱাই ॥

● ● ●



## ঃঃ নিৰুত্তৰ ঃঃ

মিচ্ আবিদা চুলতানা
স্নাতক মহলা (কলা)
প্ৰথম বাৰ্ষিক।

একুৰা জুই জলিছে হৃদয়ত
প্ৰতি হিংসাৰ জুই
নে কামনা বাসনাৰ জুই
নে আন কোনো অনুতপ্ত জীৱনৰ জুই !
পাৰিবানে দিব সমিধান ইয়াৰ ?
প্ৰবাল, সৌ সুদূৰলৈ চোৱা
বৈ গৈছে এখনি উত্তাল নৈ
কি যে অবিৰাম সোত
নোৱাৰে যাব কোনো এটি তৰী।
কিন্তু কিয় নোৱাৰে— ?
বিবেক. নাযাবা তুমি !
সেই পিনে চোৱা— এখনি সমাজ
সি বোলে ৰসময়ী নাৰীৰ সমাজ;
শুনাচোন চিঞৰিছে কেনেকৈ,
নাৰী ছলনাময়ী, নাৰী করুণাময়ী
নাৰী ৰহস্যময়ী বুলি।
কিন্তু তাৰ আঁৰতে আছে লুকাই
পুৰুষৰ কাপুৰুষতা
তথা প্ৰেমৰ প্ৰতিহিংসাৰ জুই।

● ● ●

## ঃ অবুজ বেদনা ঃ

মিচ্ নজমুন নেছাৰ (মিনু)
স্নাতক, ২য় বৰ্ষ (কলা)

অন্তৰৰ নিভৃত কোণত থকা
অবুজ বেদনাৰ কথা
কাৰ আগে প্ৰকাশিম
কোনেনো শুনিব ?
প্ৰবল আশাৰ জৰীৰে বান্ধি
থোৱা প্ৰেমৰ মালাধাৰী
চূৰ্ণ বিচূৰ্ণ হ'ল কিয়
কোনেনো সুধিব ?
মৰম আকুলতা
মধুৰ প্ৰণয়ৰ কল্পনা
কিয় আজি কলুষিত
কোনেনো দেখিব ?
মোৰ হিয়া পদূলিৰ
আজি বালি ঘৰ ভুটিৰ চূৰ্ণতাত
বুকুভেদি আহে মৰ্মস্পৰ্শী হুমুনিয়াহ
স্মৃতি শ্মশানত আজি
মাথো অকলশৰীয়া ॥

● ● ●

● আজিৰ কাম কালি কৰিম বুলি পেলাই নথবা কাৰণ কালি তোমাৰ কি অৱস্থা হব তুমি নিজেই নাজানা।

হজৰত মহম্মদ

# নিৰ্জন মজিয়া

মিচ্ ৰুবিয়া খাতুন
স্নাতক মহলা ১ম বৰ্ষ (কলা)
স্নাতক বিভাগ, ৰাজনীতি বিজ্ঞান।

আজি তুপৰীয়াৰে পৰা ৰুমিৰ মূৰটো বিষাই আছে। অকল আজিয়ে নহয়, যোৱা ছমাহ ধৰি এটা নহয় এটা অসুখে লগ এৰা নাই। অসুখবোৰ অইনৰ বাবে সাধাৰণ যদিও ৰুমিৰ বাবে এইবোৰ ডাঙৰ অসুখ বুলিয়ে ক'ব লাগিব। ঘৰখনৰ ভিতৰতে নিৰোগী আৰু সু-স্বাস্থ্যৰ অধিকাৰী বুলি তাইৰ এটা নাম আছিল। কিয়নো ল'ৰা হ'লেও ককায়েক বাজু আছিল বৰ পেনপেনীয়া। ৰ দত ওলালেও হাহাকাৰ, ৰৰষুণত তিতিলেও হাহাকাৰ। এদিন দেউতাকে ধেমালি কৰি কৈছিল, "তহঁত দুয়োজনকে ভগৱানে ভুলকৈ সৃজিছে।" ৰুমিয়ে হাঁহিছিল যদিও ৰাজুৱে বৰ খং কৰিছিল। কিন্তু এতিয়া ৰুমিৰ অৱস্থাও একে শাৰীতে পৰিছেহি। সেয়ে তাই এতিয়া সঘনে ডাক্তৰৰ ওচৰলৈ যায়; মানে ডাঃ দেৱজিৎ বৰাৰ ওচৰলৈ। ডাঃ বৰাক তাই বেয়া পোৱা নাই; বিশেষকৈ আন কিছুমান হৃদয়হীন ডাক্তৰৰ দৰে নহয় বাবেই নিশ্চয়। তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ এজন অধ্যাপক যদিও ৰুমিহঁতৰ ঘৰৰ ওচৰতে থকা নাচিং হ'ম এখনলৈ সদায় আহে গধূলি প্ৰায় ছয়মান বজাত।

ডাঃ বৰা ডেকা মানুহ। অবিবাহিত। নিয়মীয়া গঢ়ৰ আৰু স্বাস্থ্যবান। ঘৰৰ ডাঙৰ ল'ৰা হিচাপে দায়িত্ব পালন কৰি নিজৰ জীৱনৰ কথা ভাৱিবলৈ অলপ পলম হৈছে। হৃদয়ৰ এক নিবিড় কোঠাত ৰুমিলৈ তেওঁৰ মৰম সঞ্চিত হৈ আহিব ধৰিছে লাহে লাহে। কিন্তু মুখ খুলি ৰুমিক জনাব পৰা নাই। ছোৱালীজনী যেন অলপ গহীন প্ৰকৃতিৰ, কিন্তু ডাঃ বৰাই প্ৰায় সিদ্ধান্ত কৰি পেলাইছে যে এইবাৰ যেতিয়াই ৰুমিয়ে তেওঁৰ ওচৰলৈ আহিব তেতিয়াই তেওঁ সকলো কৈ দিব।

সন্ধিয়া প্ৰায় ছাৰে ছয় বজাত ৰুমি যেতিয়া ডাঃ বাৰৰ চেম্বাৰত উপস্থিত হ'ল, বৰা তেতিয়ালৈ আহি পোৱাই নাই। ল'ৰা এজনক সুধি গম পোৱা মতে, তেখেতহেনো এখন বিয়ালৈ গৈছে; অলপ পিছতে আহি পাব বুলি ফোনেৰে জনাইছে। সেয়ে ৰুমি অপেক্ষাৰত ভাৱে এখন চকীত বহি ৰ'ল। প্ৰায় দহ মিনিট পিছত—

"গুড ইভিনিং মিচ্ ৰুমি।" ডাঃ বৰাৰ সুপৰিচিত স্পষ্ট কণ্ঠত ৰুমি বহাৰ পৰা উঠিল আৰু কবলাগিলে "গুড ইভিনিং ডাক্তৰ।"

বহক। মোৰ আজি অলপ পলম হ'ল, আপুনি চাগে আমনিয়ে পালে নহয়নে ?"

ডাক্তৰ আৰু ৰোগীৰ সাধাৰণ সম্বন্ধক অতিক্ৰম কৰি যোৱা এই মন্তব্যত ৰুমিয়ে অকনো ইতস্ততঃ-বোধ নকৰিলে। মাথো অলপ হাঁহিলে আৰু ক'লে "ডাক্তৰ হ'ল বুলিয়েনো বিয়ালৈ নোযোৱাকৈ থাকিবনে ?"

চেম্বাৰটোৰ বাহিৰৰ চকীত আৰু পাঁচজনমান ৰোগীয়ে অপেক্ষা কৰি আছিল। অনিচ্ছাস্বত্বেও বৰাই তেওঁলোকক আজি আৰু নাচায় বুলি জনালে। ডাক্তৰৰ এই ব্যৱহাৰত ৰুমি অৱশ্যে আচৰিত নোহোৱাকৈ নাথাকিল।

ৰুমিয়ে নিজৰ অসুখৰ কথা কবলৈ আৰম্ভ কৰাৰ মূহুৰ্ততে ডাঃ বৰাই কৈ উঠিল।" আপোনাৰ এই অসুখবোৰ আচলতে একো টান অসুখ নহয় এইবোৰ বহু পৰিমাণে মানুহৰ মনৰ ওপৰতে নিৰ্ভৰ কৰে।"

ডাঃ বৰাই কোৱা কথাখিনি দাৰ্শনিক অথবা মানসিক চিকিৎসক এগৰাকীয়ে কোৱা কথাৰ দৰে লাগিল।

এনেকুৱা কথা শুনি ৰুমিয়ে তলমূৰ কৰিলে যদিও কিছুসময়ৰ অন্তত—

'মনৰ অৱনতি ঘটিব পৰা কোনো ঘটনাই ঘটা নাই।' নিজৰ প্ৰেমৰ ব্যৰ্থতা ঢকাৰ বৃথা প্ৰয়াস কৰিলে ৰুমিয়ে।

"আপুনি যেন কিবা কথা ঢাকি ৰাখি নিজকে কষ্ট দিছে, মোৰ এনেকুৱা লাগিছে।" বৰাই পুনৰ ক'লে।

'মোৰ ব্যক্তিগত জীৱনৰ কোনো কথাই নুসুধিলে মই ভাল পাম। ৰুমিৰ মাতত কঠোৰতা ফুটি উঠিল।

ক্ষন্তেক সময়লৈ বৰা যেন নিৰুপায় পৰিল, তেওঁ ভাৱি থকা কথাষাৰ সত্য হ'ল। ঠিকেইতো, আনৰ ব্যক্তিগত জীৱনৰ সূক্ষ্ম অনুভূতিত আঘাত হানিবৰ তেওঁৰ কোনো অধিকাৰ নাই, ইচ্ছাও নাই। কিন্তু তেওঁৰ মনে ৰুমিক আনৰ পৰা পৃথক কৰিছে। তেওঁৰ বিবাহিত পত্নী হোৱাৰ যোগ্যতা ৰুমিৰ আছে যদিও ছোৱালী হিচাপে বয়সটো অলপ বেছি হৈছে তথাপিও দেহৰ কমনীয়তা অকনো ম্লান পৰা নাই। ৰুমি বৰ্ত্তমান এগৰাকী অধ্যাপিকা; ৰসায়ণ বিজ্ঞান বিভাগৰ। ৰুমিৰ বিষয়ে ইতিমধ্যে তেওঁ প্ৰায়বোৰ কথাই গম পাইছে।

আজিৰ এই মূহুৰ্তটোৰ সুযোগ এৰি দিব নিবিচাৰি তেওঁ স্পষ্ট ভাৱে ৰুমিৰ সন্মুখত বিবাহৰ প্ৰস্তাৱ আগবঢ়ালে।

ৰুমি স্তব্ধ হ'ল যদিও একো উত্তৰ নিদিয়াকৈ ডাক্তৰৰ চেম্বাৰৰ পৰা লৰালৰিকৈ নিজৰ ঘৰলৈ গুচি আহিল। এতিয়া তাই মূৰৰ বিষৰ ঠাইত আন এটা নতুন বিষৰ উদ্ৰেক অনুভৱ কৰিলে।

নিজৰ ঘৰৰ কোঠাৰ দুৱাৰ বন্ধ কৰি তাই উচুপি থাকিল বহু সময়লৈ। এটা সময়ত যেতিয়া চকুপানীবোৰ শুকাই গ'ল, তেতিয়া বিশ্ববিদ্যালয়ৰ সেই দিনবোৰ মনৰ মণিকোঠাত ভাহি আহিল লেঠেৰি নিছিঙাকৈ ....

ৰাতিপুৱা উঠি পঢ়াৰ নামত অকল নিয়মটোহে পালন কৰিলে ৰুমিয়ে। অনিলৰ লগত চিনাকী হোৱাৰে পৰা তাৰ প্ৰতি তাই দুৰ্ব্বলহৈ পৰিছে। সেয়ে তাই সিদ্ধান্ত কৰিছে যে যিকোনো প্ৰকাৰে হলেও অনিলক আজি লগ কৰিবই লাগিব।

নানা চিন্তাৰে আৱৰা মনটোলৈ তাই গাড়ীৰ পৰা নামি বিশ্ববিদ্যালয়ৰ চৌহদৰ মাজেৰে হোষ্টেল অভিমুখে খোজ পেলালে। হোষ্টেল চৌহদৰ ভিতৰত নিস্তব্ধ পৰিবেশ। মাথো দুই এজন হোষ্টেল আবাসী কেণ্টিন অভিমুখী হৈছে ৰাতিপুৱাৰ চাহ খাবলৈ। হঠাতে বিজয়ে ৰুমিক দেখি আচৰিত হ'ল। কিয়নো তেতিয়া ৰাতিপুৱা চাৰে সাত বজাই নাই। তাতে যোৱা ৰাতি টি-ভিৰ লেট-নাইট পিকচাৰখনে হোষ্টেলৰ গোটেই আৱাসীকে পলমকৈ শুবলৈ বাধ্য কৰাইছিল।

"অনিল নিশ্চয় উঠিছে।" ৰুমিয়ে সুধিলে।

"নাই, এতিয়াও উঠা নাই। যোৱা ৰাতি লেট-নাইট পিক্‌চাৰ চাইছেতো।" বিজয়ে হাঁহি মাৰি উত্তৰ দিলে।

'মইয়েই টৈগ মাতি দিওঁ নে কি কয়?'

অলপ সময় ৰবাচোন। চাহ একোকাপকে খাওঁগৈ বলা।" ৰুমিয়ে আপত্তি নকৰিলে।

তুমি প্ৰথম গাড়ীখনতে আহিলা নহয়নে ৰুমি?

হয়, মই প্ৰথম গাড়ীখনতে আহিলোঁ। মই ৰাতিপুৱা খুউব সোনকালে সাৰ পাওঁ। বিচনাত বাগৰি থকা অভ্যাস মোৰ মুঠেই নাই।

অনিলৰ কোঠাত প্ৰবেশ কৰি ৰুমিয়ে দেখিলে যে গোটেইখন তেনেই খেলি-মেলি।

অনিলে ৰুমিৰ উপস্থিতিক সহজভাৱে ল'ব পৰা নাই; তাতে আকৌ ইমান ৰাতিপুৱা।

যোৱাকালি প্ৰেক্‌টিকেল ক্লাছত তুমি নিশ্চয় মোক বেয়া পাইছা নহয়, আচলতে মই ইচ্ছাকৃত ভাৱে তোমাক তেনেকৈ কোৱা নাছিলোঁ। উপৰীয়া কল্পনাৰ লগত সাধাৰণ কথা এটাতে মোৰ কাজিয়া লাগিছিল। তাই বৰ সৰু কথাতে বেয়া পায় নহয়নে? ৰুমিয়ে একেলগে বহুখিনি কথাকৈ পেলালে।

'নাই সেই সাধাৰণ কথাটোতে তোমাক বাৰু বেয়া পাব পাৰোনে, তুমি এনেয়ে এইবোৰ ভাবি সময় নষ্ট কৰিছা। কল্পনাৰ বিষয়ে মই একো মন্তব্য দিব নোৱাৰিম; তাইক আজিলৈকে মই মাতি পোৱা নাই আৰু মাতিব লাগে বুলি ভবাও নাই।' অনিলে স্পষ্টভাৱে কৈ গ'ল।

'আৰু মোৰ বিষয়ে তোমাৰ মন্তব্য?"

'তুমি মোৰ বান্ধৱী' অনিলে তলমূৰ কৰিলে। যোৱা কেইবাদিনো ধৰি তোমাক কথা এটা কওঁ কওঁ বুলিও ক'ব পৰা নাই। আজি তাকেই কম বুলি আহিছো, তুমি যদি মোক পাতল মনৰ ছোৱালী বুলি ভাবা।'

'নাই; তোমাক দেখোন গহীন মনৰ ছোৱালী বুলি ছাৰহঁতেও চিনি পায়। মোৰ আগত কথা ক'বলৈ সঙ্কোচ নকৰিবা দেই।'

'মই তোমাক ভাল পাওঁ অনিল। প্লিজ, তুমি যেন ইয়াক 'না' নকৰা।' কথাখিনি কৈয়ে ৰুমিৰ মনটো যুকলি মুকলি লাগিল।

অনিলে সপোনতো ভাৱিব পৰা নাছিল ৰুমি ইমান স্পষ্টবাদী ছোৱালী বুলি। আচলতে, সিও তাইৰ প্ৰতি দূৰ্ব্বলতাত ভুগিবলৈ আৰম্ভ কৰিছিল।

দুয়োজনৰে মাজৰ সম্পৰ্ক বিজয়ে ধৰিব পাৰিছে। ৰুমিয়ে আজিকালি প্ৰায়েই হোষ্টেললৈ অহাযোৱা কৰে। হোষ্টেলৰ প্ৰায়বোৰ আবাসীয়ে ৰুমিক চিনি পোৱা হৈছে। বিজয়ে সকলো গম পালেও এই বিষয়ত গুৰুত্ব দিয়া নাই। সি হোষ্টেলত বেছি সময় নাথাকে। ৰুমি হোষ্টেললৈ অহাটো কেতিয়াবাহে দেখা পায় সি। কেতিয়াবা সি থকা সময়ত ৰুমি আহিলেও কিবা অজুহাত দেখুৱাই ৰুমৰ পৰা ওলাই যায়।

বন্ধৰ দিনবোৰত অনিল প্ৰায়ে ৰুমিহঁতৰ ঘৰলৈ আহে। ৰুমিৰ বন্ধু হিচাপে ঘৰখনৰ সকলোৱে অনিলক মৰম কৰে। অনিল আৰু ৰুমিৰ সম্পৰ্কক কোনেও আইন দৃষ্টিৰে চোৱা নাই। একে ক্লাছৰ ল'ৰা-ছোৱালীৰ মাজত বন্ধুত্ব থকাটো তেনেই স্বাভাৱিক।



আৰ্য্যবিদ্যাপীঠ কলেজত ডিগ্ৰী পঢ়ি থকা সময়তে চামেলি নামৰ ছোৱালী এজনীৰ লগত বিজয়ৰো এটা ভাল সম্পৰ্ক গঢ়ি উঠিছিল। দুয়োৰে পঢ়া বিষয়ো একে। সিহঁত যেতিয়া চূড়ান্ত বৰ্ষত পঢ়িছিল, তেতিয়া হঠাতে চামেলিয়ে অনিলৰ লগত থকা তাইৰ সম্বন্ধ ত্যাগ কৰিছিল। তাই এদিন বিজয়ক কৈছিল পৰীক্ষা শেষ হোৱাৰ পিছতে দেউতাহঁতে মোৰ বিয়া ঠিক কৰিছে; ল'ৰাজন ইঞ্জিনিয়াৰ। বিয়াখন যথেষ্ট লৰালৰিকৈ ঠিক হৈছে।

বিজয় হতভম্ব হৈ পৰিছিল চামেলিৰ কথাত। তথাপিও সি সুধিছিল, তুমি এইবোৰ সঁচা কৈছা নে ধেমালি কৰিছা?

"মই সকলোবোৰ সঁচা কৈছো; এইবোৰ কথা জানো ধেমালিতে ক'ব পাৰি।"

সেইদিনা বিজয়ৰ মুৰটো আচন্দ্ৰাই কৰা যেন লাগিছিল; সি সুধিছিল তুমি প্ৰতিবাদ নকৰিলা চামেলি?

'নাই মই প্ৰতিবাদ কৰিব নোৱাৰিলো। লাহে লাহে তুমি মোক পাহৰিবলৈ চেষ্টা কৰা বিজয়। মই ঘৰৰ একমাত্ৰ ছোৱালী, সেই কাৰণে মই কোনো কথাতে মা-দেউতাক আঘাত দিব নিবিচাৰো। ভুল মোৰেই হৈছিল, মই অজ্ঞানিতে তোমাক ভাল পোৱাৰ প্ৰস্তাৱ দিছিলো।

চামেলিয়ে কোৱা কথাখিনিয়ে সেই মুহূৰ্ত্তত কোনোবা নাটকৰ সংলাপ যেন লাগিছিল। কিন্তু কিছুদিন পিছত যেতিয়া বিজয়ে চামেলিৰ বিয়াৰ নিমন্ত্ৰণী চিঠিখন পাইছিল, তেতিয়া সি ডেউকাভগা কপৌৰ দৰে অসহায় হৈছিল আৰু কান্দিছিল। চামেলিয়ে বিজয়ক এনে নিষ্ঠুৰ ভাবে ... ।

সেয়েহে আজিকালি বিজয়ৰ প্ৰেম ভাল পোৱাৰ প্ৰতি কোনো গুৰুত্ব নাই। প্ৰেম কি, ভাল পোৱা কি সেইবোৰ তাৰ বাবে যেন নৰকৰ বৰ্ণনা। সেই কাৰণে ৰুমি আৰু অনিলকো সি বিশ্বাস কৰা নাই। আনকি এদিন সি ৰুমিক এটা ইঙ্গিত দিছিল যে অনিলে তাইক পাহৰি যাব অথবা তাইয়ো অনিলক পাহৰি পেলাব। সিদিনা ৰুমিয়ে বিজয়ক বৰ বেয়া পাইছিল।

ফাইনেল পৰীক্ষা শেষ হোৱাৰ পিছত অনিল ঘৰলৈ গুচি গ'ল। ৰুমিয়ে খুউব কান্দিছিল ইমান দিন অনিলক নেদেখাকৈ থকাটো সম্ভৱ হ'ব নে? অনিলে বাৰে বাৰে তাইক বুজাইছিল যে ৰিজাল্ট দিয়াৰ লগে লগে সি আহি তাইক লগ ধৰিব।

অনিল যোৱাৰ পিছত ৰুমিয়ে কেইদিন মান বৰ অকলশৰীয়া অনুভৱ কৰিলে। প্ৰতিটো দিন যেন একোটা বছৰহে পৰিল। তাই বৰ কষ্টৰে দিনবোৰ কটালে।

সিহঁতৰ পৰীক্ষাৰ ৰিজাল্ট ওলাল। অনিল প্ৰথম শ্ৰেণীৰ প্ৰথম আৰু ৰুমি দ্বিতীয় শ্ৰেণীৰ তৃতীয় হ'ল। নিজতকৈ অনিলৰ ৰিজাল্টৰ বাবে তাই বেছি গৌৰৱবোধ কৰিছে। তাইৰ আটাইতকৈ ভাল লাগিল যে অনিলে এতিয়া শুৱাহাটী পাবহি।

তাই ভবামতে অনিল কিন্তু নাহিল। কলেজ এখনৰ প্ৰৱক্তাৰ চাকৰিৰ বাবে তাই আবেদন কৰিলে। তাইৰ আবেদন মঞ্জুৰ হ'ল। চাকৰিয়ে তাইক এক প্ৰকাৰ ব্যস্ত কৰিলে। কিন্তু অনিলে অশৰীৰীভাৱে তাইক আমনি কৰিবলৈ নেৰিলে। স্বাভাৱিকভাৱে কেইবাজনো ভাল ভাল ল'ৰাৰ পৰা বিয়াৰ প্ৰস্তাৱ আহিল, কিন্তু সকলোবোৰ তাই নীৰবে প্ৰত্যাখ্যান কৰিলে। তাইৰ ভাব হয় এদিন অনিল তাইৰ ওচৰলৈ আহিব।

কিন্তু অনিলে অতীতৰ সকলো কথা পাহৰি গ'ল। সি এতিয়া যথেষ্ট ব্যস্ত। বাগানখনৰ সকলো দায়িত্বই নিজে চন্তালিব লগা হৈছে। সেয়েহে চাৰ্টাৰ একাউণ্টেট এজনে তেওঁক যথেষ্ট সহায় কৰিলে, ঠিক নিজৰ ল'ৰা হৈ পৰিল। তেখেতৰ একমাত্ৰ ছোৱালী দীপা অনিলৰ বান্ধৱী হৈ পৰিল। দীপা আৰু অনিলৰ সম্পৰ্ক আগবাঢ়ি গ'ল আৰু ৰুমিৰ কথা মনত নপৰাই হ'ল। এটা সময়ত দীপা আৰু অনিলৰ বিয়াৰ দিন ঠিক হ'ল। বিয়াৰ আগতে ৰুমিয়ে একো গম নাপালে। মাত্ৰ এখন চিঠি পালে তাকো বিয়াৰ পিছতহে।

মৰমৰ ৰুমি,

মৰম লবা। মোৰ বহুত ভুলহে গ'ল চিঠিখন পাই তুমি নিশ্চয় দুখ পাবা। তোমাৰ ওচৰত ক্ষমা বিচাৰিছোঁ। তোমাক দিয়া কথা মই ৰাখিব নোৱাৰিলোঁ। তাৰ কাৰণে দুখ পাইছো। এই মাহৰ পোন্ধৰ তাৰিখে দীপা নামৰ ছোৱালী এজনীৰ লগত মোৰ বিয়া ঠিক হৈছে। ইয়াৰ বাবে তুমি মোক বিশ্বাস ঘাতক বুলি আখ্যা দিবা। শেষত তোমাৰ ভৱিষ্যত জীৱনলৈ মোৰ শুভেচ্ছা থাকিল।

মৰমেৰে—

অনিল

চিঠিখনৰ প্ৰতিটো শাৰীয়ে ৰুমিৰ শৰীৰক কঁপাই তুলিলে। নিজৰ দেহ মনৰ ওপৰত তাইৰ নিয়ন্ত্ৰণ হেৰাই গ'ল। অনিলক তাই কি বুলি ভাবিব তাই সিদ্ধান্ত কৰিব নোৱাৰিলে। তাই ভাবি থাকিল অনিলে মোক এনেকৈয়ে পাহৰি যাব পাৰিলেনে? মই কেনে আছো; কি কৰিছো তোমাৰ চাবলৈ মন নাযায়নে? আগতেতো তুমি মোৰ বিষয়ে নিজতকৈ বেছি চিন্তা কৰিছিলা। সঁচাকৈয়ে তুমি মোক ফাকি দিলা নহয়নে বাৰু। মই কিন্তু তোমাক দিয়া কথা ৰাখিলো। মই সদায়েই তোমাৰেই অপেক্ষাত থাকিম।

বৰ্ত্তমান ৰুমিয়ে বিশ্ববিদ্যালয়ত গৱেষণা কৰে। অনিল অবিহনে বিশ্ববিদ্যালয়ৰ মজিয়াটো নিৰ্জন নিৰ্জন লাগে। এই নিৰ্জন লগা মজিয়ায়েও তাইক একো উত্তৰ দিব নোৱাৰে। তথাপিও তাই এই মজিয়াটো এৰিব নোৱাৰে। কিয়নো অনিলক তাই এদিন কথা দিছিল যে সুবিধা পালেই তাই গৱেষণা কৰিব।

এদিন দুদিনকৈ তিনিটা বছৰ পাৰ হ'ল। ডঃ ৰুমি বৰুৱাৰ ফটো ওলাল প্ৰায়বোৰ বাতৰি কাকতত। এদিন অনিলে কৈছিল বিয়াৰ পিছত গৱেষণা কৰিলে তাইৰ নামটো ডঃ ৰুমি চলিহা হিচাপেহে ওলাব; অনিল চলিহাৰ পত্নী হিচাপে। কিন্তু দৈনিক অসমত ৰুমিৰ ফটো ওলাবৰ দিনা আন খবৰ ৰুমিৰ চকুত পৰিল; যিটো খবৰে ৰুমিক শ্বাস-ৰুদ্ধ কৰি পেলোৱাৰ উপক্ৰম হ'ল। যোৰহাটৰ যুৱ চাহ খেতিয়ক অনিল চলিহাৰ এক মটৰ দুৰ্ঘটনাত মৃত্যু হৈছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল মাত্ৰ বত্ৰিশ বছৰ। তেওঁ পত্নীসহ এটি কেচুৱা সন্তান এৰি থৈ গৈছে।

ৰুমিয়ে বাতৰিটো কেইবাবাৰো পঢ়ি চালে। তাইৰ ভাবিবলৈ টান লাগিল যে অনিলৰ সঁচাকৈ মৃত্যু হ'ল জানো ...... ...... .. .. ।

ৰুমিয়ে মনতে সিদ্ধান্ত কৰিলে যে তাই আৰু ডাঃ দেৱজিৎ বৰাৰ ওচৰলৈ কোনো দিনেই নাযায়। কিয়নো তাই প্ৰেম আৰু ভাল পোৱাক কেতিয়াও প্ৰশ্ৰয় দিব নিবিচাৰে। বিজয়ে সঁচাকৈয়ে তাইক কৈছিল "প্ৰেম ভাল পোৱা সেইবোৰ যেন এক নৰকৰ বৰ্ণনা।"

● ● ●





● চুটি গল্প ●

# দুটি নিষ্পাপ আত্মাৰ পৰিণতি

হায়েত আলী
উঃ মাঃ চূড়ান্ত বৰ্ষ (বিজ্ঞান শাখা)

মফিদুল এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰ। বিগত এটা বছৰে শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱী আটাইৰে লগত তাৰ ভাল চিনাকিও হৈছে। সিয়ে শ্ৰেণীৰ আটাইৰে হাঁহি তামাছাৰ খোৰাক যোগায়। সেইদেখি তাক সকলোৱে ভালো পায়। যোৱাবাৰ সি ভাল ৰিজাল্ট কৰিব পৰা নাই। সেয়ে মনে মনে ভাবিছে— ইবাৰ হয়তো ভাল ৰিজাল্ট কৰিব। তাৰ আশা— সি ইবাৰ প্ৰথম ক্লাচৰ পৰাই ভালকৈ মনোযোগেৰে কিতাপ চাব।

আজি মফিদুলহঁতৰ প্ৰথম ক্লাচ। সি শ্ৰেণী কোঠাত সোমাই ইফালে সিফালে চোৱাচুই কৰিলে। 'ঐ বিল্লাল, কিমানজন কমিলহে ইবাৰ? বহুত ছাত্ৰ নাই দেখো। ভালে হৈছে ৰ'। ইবাৰ ঠেলা হেচা নকৰাকৈ আৰামচে ক্লাচ কৰিব পাৰিম।" —সি ক'লে। বিল্লাল কিন্তু তাৰ কথাত সন্তুষ্ট নহল। সি ক'লে— "বেলেগৰ কথাতো কৈছা. তই ফেল পৰিলেহে বুজিলিহৈ ঠেলাটো।" "হেঃ হেঃ হেঃ সঁচা কথাই কৈছাদে তই। ইবাৰ কিন্তু পঢ়িব লাগিব।" —হাঁহি হাঁহি সি কথাখিনি ক'লে। তাৰ পিছত সি ছোৱালীবোৰৰ পিনে চালে আৰু বিল্লালৰ কাণৰ ওচৰত মুখথৈ ফুচ-ফুচাই ক'লে " ঐ, এইজনী ছোৱালী ক'ৰ এ? আমাৰ লগৰ না বেলেগ?" "মোক কিয় সোধা, পাৰিলে তই নিজে যাই সুধি চা।" —বিল্লালে টপৰাই উত্তৰ দিলে। 'সেইটো আৰু পাৰা নাপাৰাৰ কথা আছেনা? চা তেনেহলে— বুলি কৈ সাউতকৰি বেঞ্চৰ পৰা উঠি ছোৱালীবোৰৰ ডেস্কৰ কাষলৈ গৈ নতুন ছোৱালীজনীক ক'লে— 'বাইদেউ আপোনাকতো ফাষ্ট ইয়াৰৰ ক্লাচত কোনো দিন দেখা নাই।" আন এজনী ছোৱালীয়ে ক'লে —'বাইদেউ কিহৰ? একে ক্লাচৰ ছাত্ৰী, নাম মাতি কলেই হ'ল। "হয় নেকি? মই নাজানো নহয়।' নতুন ছোৱালীজনীলৈ চাই সি পুনৰ ক'লে – "আচ্ছা তোমাৰ সাধাৰণ পৰিচয়টো?" "মোৰ নাম ৰুমেলা দেউতাৰ নাম মতিয়াৰ ৰহমান আৰু ঘৰ ইয়াতে।" —এই বুলি ছোৱালীজনীয়ে তাইৰ সাধাৰণ পৰিচয়টো দিলে। বা! বঢ়িয়া নামহে তোমাৰ। পাছে ফাষ্ট ইয়াৰ ক'ত পঢ়িলা? —সি সুধিলে। 'মই ফাষ্ট ইয়াৰ গুৱাহাটীত, মানে ডনবস্কোত পঢ়িলো।" – ছোৱালীজনীয়ে ভদ্ৰতাৰে জনালে। "কিন্তু হায়াৰ চেকেণ্ডাৰী পাছ নকৰাকৈয়ে ইয়ালৈ আহিলা যে? সিখন বোলে খুব ভাল কলেজ?" —সি পুনৰ সুধিলে। ৰুমেলাই এইদৰে ক'লে— "কলেজ হওঁতে ভালেই; তথাপি আহিলো আৰু তোমাসবৰ লগত পঢ়িবলৈ। কিয় বেয়া পোৱা নেকি?" "নাই, নাই বেয়া পাম কিয়? সুধিলো আৰু। আচ্ছা ভাল বাৰু।" বুলিকৈ সি দৌৰ মাৰি বিল্লালৰ ওচৰলৈ গ'ল। "কি হ'ল নোৱাৰো বোলে? চেলেঞ্জ আছে; চেলেঞ্জ বুজিলি। ছোৱালীজনী কিন্তু মোৰ ভাল

লাগিছেদে। জানাও হ'ব কিজানি" —বুলি ময়িত্তলে কৈ থলে। ময়িতুলে ভবাৰ দৰে ছোৱালীজনী আচলতে লিখা পঢ়াত খুব ভাল। মেট্ৰিকত ষ্টাৰ কৰিছে, ফাষ্ট ইয়াৰৰ ফাইনেলতো ভাল নম্বৰ পাইছে। কথা-বতৰা, চাল-চলন সকলোতে ছোৱালীজনী পাকৈত। দেখাতো তাই আন ছোৱালীবোৰতকৈ সুশ্ৰী আৰু খুব ধুনীয়া।

ইয়াৰ পিছৰে পৰা ময়িতুল শ্ৰেণীত আহিয়েই ৰুমেলা আহিছেনে নাই চাই লয়। তাই ক্লাচত নাহিলে তাৰ বেয়া লাগে। সি নিজেই কব নোৱাৰে কেনেকৈ এই আশৈশৰ ভাল পোৱাৰ ভাব তাইৰ প্ৰতি গঢ়ি উঠিল। সি তাইক যেন পাহৰিবই নোৱাৰে।

"তুমি দেখো ভাল ইংলিচ কব পাৰাহে। ভাল লাগিছে কিন্তু।" —এদিন ৰুমেলাই তাক ক'লে। "ক'ত, খুব এটা কব নোৱাৰো। তথাপি ছাৰৰ লগত ইটো-সিটো কওঁ আৰু। কিয় বহুত ভুল হয় নেকি ?" প্ৰশ্নসূচক দৃষ্টিৰে সি ৰুমেলাৰ পিনে চালে। "নাই ভুল হ'ব কিয়। একদম কাৰেক্ট।" —তাই ময়িতুলক ক'লে। তোমাৰ যে কথা বুলি কৈ ময়িতুলে হাঁহিবলৈ ধৰিলে আৰু ৰুমেলাইয়ো নাহাঁহি থাকিব নোৱাৰিলে।

এমাহ পাৰহৈ গ'ল। আজি সি ভাবিছে — তাইক পঢ়াৰ কথা সুধিব। শ্ৰেণীকোঠাৰ পৰা শিক্ষক মহোদয় ওলাই যোৱাৰ পিছত সি তাইক ক'লে— "ৰুমেলা, তোমাৰ পঢ়া পাতি কেনে? তোমাৰতো আৰু চিন্তা নাই, কোৰ্চ ক্লিয়াৰ হৈয়ই কিজানি ?" "মই আজিৰ পৰা ফ্ৰি ফ্ৰম অল টেনচনছ।" —ৰুমেলাই কলে। "হোৱাই"? ময়িতুলে পুনৰ সুধিলে যেতিয়া, তাই ক'লে— "কিয় বুজা নাই ?" ময়িতুলৰ মুখলৈ চাই ৰুমেলাই হাঁহিলে আৰু তাকে দেখি ময়িতুল, বিপ্লাল আৰু শ্ৰেণীৰ আটাইয়ে পাৰ্য্যমানে হাঁহিলে।

সিদিনাখনৰ পিছৰ পৰাই তাক আটাইয়ে ৰুমেলাক লৈ ঠাট্টা মস্কৰা কৰে। অফ্ পিৰিয়ডত ওজনে কৈয়ে পেলালে আচল কথাটো— "ময়িতুল, তোৰ কামহৈ গ'ল কিজানি। ভেজাল নলগাবি তো ?" সি একো কব নোৱাৰে। কব খুজিলেও তাৰ মাতটো যেন কোনোবা অপদেৱতাই ভিতৰৰ পৰা ওলাই আহিব নিদিয়ে। লাহে লাহে তাৰ কথা মেছৰ সকলোৰে মাজত প্ৰচাৰ হল আৰু সিহঁতেও তাক নানাভাৱে ৰুমেলাক লৈ ঠাট্টা বিদ্ৰূপ কৰে। কিন্তু সি ধৰিব পৰা নাই আৰু নুবুজেওঁ সিহঁতে তাক তেনেকৈ কয় কিয়। সিতো কোনোদিনে তাইক কোনো প্ৰেম পত্ৰও দিয়া নাই নাইবা প্ৰেমালাপো কৰা নাই। কিন্তু সিহঁতে তাক তেনেকৈ কব কিয়— ময়িতুলৰ কেতিয়াবা খুব বেয়া লাগে। অভিমান, ঠেহ— ইত্যাদিৰ বশৱৰ্তী হৈ সি নিজকে সংযত কৰিবলৈ অপাৰগ হল। সি ৰুমেলাক তাৰ হৃদয়ৰ মণিকোঠাত পাব বিচাৰে। কিন্তু এই কথা সি তাইক ক'ব কেনেকৈ ? তাইৰ চকুলৈ সি কোনোদিনে কুদৃষ্টিৰে চোৱা নাই। ৰুমেলায়ো তাৰ কোনো ধৰণৰ বেয়া স্বভাৱ চৰিত্ৰ দেখিবলৈ পোৱা মনত নপৰে। তইয়ো তাৰ চাল-চলন, কথা বতৰা; চকুৰ চাৱনি আদি বহু দিনৰ পৰাই লক্ষ্য কৰি আহিছে। কিন্তু কোনো অশালীন ব্যৱহাৰ তাৰ পৰা কোনোদিন পোৱা নাই। সেইকাৰণে তাইয়ো তাক মনে মনে ভাল পায়। সিহঁতৰ মাজত অভাৱ অকল মধ্যস্থতাকাৰীৰ। ভাল পোৱা নিজৰ অন্তৰতে জিলিকি থাকিল।



মেছত থকা সময়ৰ বেছিভাগ সময়েই ময়িতুলে বিছনাত শুই থাকি নাইবা কিবাকিবি ভাবি থাকি কটায়। তাৰ আচৰণত গাম্ভীৰ্য্যপূৰ্ণ ভাৱ। মেছৰ ল'ৰাবোৰে তাক প্ৰায়ে কয়— "ময়িতুল, এনেকৈ কিমান দিন ভাবি থাকিবি ? তই ছোৱালীজনীক তোৰ মনৰ কথা খুলি ক'গৈ। তাই নিশ্চয় কিবা এটা কৰিব।" কিন্তু সি সাহ পোৱা নাই নাইবা ক'বলৈ ইচ্ছাও কৰা নাই। ইমান নিৰপৰাধী, অবলা ছোৱালী এজনীক সি কেনেকৈ এই কথা কব। তাৰ বাবে এইটো একেবাৰে কাপুৰুষালি হ'ব। সি তাৰ দুৰ্ব্বলতাৰ কথা কাকো কোনো দিন কোৱা নাই আৰু আজিও নকয়। "নাই মই নোৱাৰো তাইক মই এই কথা ক'ব নোৱাৰো। এই কথাকৈ মোৰ বন্ধুত্বপূৰ্ণ ভালপোৱাক খৰ্ব কৰিব নিবিচাৰো সি ফেকুৰি ফেকুৰি কান্দি উঠে। আনফালে ৰুমেলাইও কিন্তু মনে মনে বহি থকা নাই। তাইও এই বন্ধুত্বক প্ৰেমলৈ ৰূপান্তৰ কৰিব বিচাৰে। কিন্তু ল'ৰাৰ ফালৰ পৰা প্ৰথমে প্ৰস্তাৱ নোহোৱাকৈ এয়া অসম্ভৱ !

এমাহ দুমাহ কৰি ছমাহ পাৰ হ'বৰ উপক্ৰম হ'ল। নতুন বছৰৰ আগজাননীয়ে বাৰুকৈয়ে তোলপাৰ লগাইছে। মেছত ছিৰণীৰ সময়ত কোনে কাক নতুন বছৰৰ শুভেচ্ছা পত্ৰ দিব সেই বিষয়ে আলোচনা প্ৰায়েই হয়। সেয়ে ময়িতুলে মনে মনে ভাবিছে— ৰুমেলাক নতুন বছৰৰ শুভ-ইচ্ছাৰে এখন দামী উপহাৰ পত্ৰ দিব। এসপ্তাহমান আগৰে পৰাই সি Greetings টো প্ৰস্তুত কৰি ৰাখিছে। টেষ্ট পৰীক্ষাৰ অন্তিম দিনাখন সি Greetings টো লগত লৈ আহিছে। কিন্তু সেইটো দিব কেনেকৈ। আন ছোৱালীবোৰতো লগত থাকিব। সিহঁতক নিদি অকল তাইক দিলে সিহঁতেৰা কি ক'ব. নাইবা সিহঁতকো দিবলৈ গলে তো তাৰ বহুত টকা লাগিব ইত্যাদি কথাবোৰ সি মনতে ভাবি বাৰান্দাত থিয় হৈ আছে। হঠাৎ ৰুমেলাই পৰীক্ষা গৃহৰ পৰা ওলাই আহি তাক ক'লে— "তোমাৰ পৰীক্ষা কেনে হ'ল ?" "পৰীক্ষা আৰু কি হব, লিখা-পঢ়া বাদ দিছো।" —বুলিকৈ সি ৰুমেলাৰ মুখলৈ চালে। লগে লগে তাইৰ মুখমণ্ডললৈ যেন কলা মেঘৰ আৱৰণ নামি আহিল। তাই আৰু একো কব নোৱাৰিলে। ময়িতুলে পুনৰ ক'লে— "তোমাৰ লগৰ ছোৱালীবোৰ ক'ত আছে ?" সিহঁতৰ কেইজনীমানে আজি পৰীক্ষা দিয়া নাই আৰু বাকী দুজনীয়ে আগেয়ে গুচি গৈছে। কথাষাৰ কৈ তাই ঘৰলৈ খোজ ললে। ময়িতুলৰ মনটো আনন্দত শিয়ঁৰি উঠিল। কিয়নো সি এতিয়া নিৰ্ভয়ে তাইক Greetings দিব পাৰিব। সেই আশাৰেই সিয়ো তাইক অনুসৰণ কৰিলে। অলপ দূৰ গৈ সি পাছফালৰ পৰা তাইক মাত দিলে— "ৰুমেলা, শুনাচোন অলপ।' ৰুমেলাই আঁচৰিত হৈ পাছফালে ঘূৰি চাই থিয় হ'ল। "এইটো লোৱা তোমাৰ কাৰণে Greetings আনিছো।" —বুলিকৈ Greetings টো আগবঢ়াই দিলে। "থেংক ইউ" বুলি ৰুমেলাই Greetings টো হাতত ললে। ময়িতুল যাবলৈ এখোজমান দিওঁতেই তাই কৈ উঠিল —"এ, ৰবাচোন, শুনা" সি ঘূৰি চাই ক'লে —"কিয় কিবা সন্দেহ আছে নেকি ?" নাই নাই সন্দেহ কিহৰ। চাম বাৰু কেনেকুৱা Greetings" —ৰুমেলাই লাজ পালে। Greetings টো মেলি তাই দেখিলে —সুন্দৰকৈ আৰ্ট কৰা আছে— Wishing Your, Bright future, Happy New Year। বা! ইমান সুন্দৰকৈ কোনে লিখিছে ? খুব ভাল হৈছে কিন্তু। থেংক ইউ এগাইন" বুলিকৈ তাই গুচি গ'ল।

মম্মিতুলে সিদিনাৰ পৰা ভাবি আছে— "কিন্তু তাই মোক ইমান সন্দেহ কৰিলে।" এই ভাৱনাই তাক বিচলিত কৰি তোলে। তাক নিজকে অপৰাধী যেন লাগিল। বিভিন্ন সময়ৰ বিভিন্ন কথাবোৰ ভাবি ভাবি মম্মিতুলৰ ৰাতি টোপনি নাহে, নাখালেও ভোক নালাগে। তাৰ মগজুত এক বিৰূপ প্ৰতিক্ৰিয়াই দেখা দিলে। স্বাস্থ্যও দিনক দিনে বেয়াৰ ফাললৈ গতি কৰিব ধৰিলে। উপায়হীনহৈ সি স্থানীয় ডাক্তৰ এজনৰ ওচৰলৈ গ'ল। ডাক্তৰে পৰীক্ষা কৰি দেখা পালে তাৰ 'ব্ৰেইন টিউমাৰ'। ভাল চিকিৎসা নললে অসুস্থ হৈ মৃত্যুও হব পাৰে। কিন্তু উপযুক্ত চিকিৎসাৰ বাবে সি টকা পাব ক'ত। তাক কোনোমতে পঢ়াৰ খৰচ বহন কৰি থকা হোজা মাক-দেউতাকেই বা টকা পাব ক'ত। এনেবোৰ কথাৰ উপৰি কথা ভাবি ভাবি সি বিছনাত পৰি গ'ল। মাক-দেউতাকে খবৰ পাই তেওঁলোক লৰালৰিকৈ তালৈ আহিল। কিন্তু তেওঁলোক নিৰুপায় হৈ অশ্ৰুসিক্ত চকুলোৰে বুকু তিয়াই পেলালে। তাৰ মূৰৰ বেদনা ক্ৰমাৎ প্ৰগাঢ় হৈ উঠিবলৈ ধৰিলে। উপায়হীনহৈ আৰু অসহ্য বেদনাত ৰব নোৱাৰি সি ৰুমেলালৈ চিঠি এখন দি পঠিয়ালে— সাহায্য বিচাৰি। চিঠিখন পোৱা মাত্ৰকে তাইৰ অন্তৰত যেন কিহবাই খুন্দা এটা মাৰিলে। "নাই! মই আৰু বহি থাকিব নোৱাৰো। তাক যিকোনো প্ৰকাৰে সহায় কৰিবই লাগিব— এই বুলি মনে মনে ভাবি টকা দুহেজাৰমান লৈ মাক দেউতাকৰ পৰা বিদায় মাগিলে আৰু দেউতাকৰ ক'লা ৰঙৰ মাৰুতিখনলৈ মম্মিতুলহঁতৰ মেছলৈ গ'ল। তাক থকা বিছনাৰ পৰা লৰালৰিকৈ গাড়ীত উঠাই কলে— "জগতত কোনোবাই যাব নেকি?" "মা যাব ৰুমেলা, মা।"— ভগা ভগা মাতেৰে মম্মিতুলে ক'লে।

গাড়ী চলিব ধৰিল। তাক লৈ গ'ল চহৰৰ এখন ভাল চিকিৎসালয়লৈ। "টকা যিমান লাগে দিম, মুঠতে ৰোগীজন সুস্থ হব লাগে।" —তাই ডাক্তৰক ক'লে। উচিত চিকিৎসা আৰু যত্নৰ ফলত এসপ্তাহৰ ভিতৰত মম্মিতুল প্ৰায় সুস্থহৈ উঠিল। "ইয়াত আৰু নাথাকো! আইজনী দয়াকৰি আমাক ঘৰত থৈ আহকগৈ।" —মম্মিতুলৰ মাকে ৰুমেলাক আবদাৰৰ সুৰত কলে। পুনৰ গাড়ী চলিব ধৰিলে। মম্মিতুলৰ আজি খুব ভাল লাগিছে। সিয়েন এক নতুন জীৱন ঘূৰাই পালে। ৰাস্তাৰ দুয়োফালৰ শাৰী শাৰী গছবোৰ এটাৰ পিছত এটাকৈ পাছফালে গৈ আছে তীব্ৰবেগে। গছবোৰৰ ছাঁবোৰ চাই মম্মিতুলৰ ভাৱ হয় যেন ইবোৰে সিহঁতৰ অজানিতে ভাল পোৱাক হাঁহি হাঁহি স্বাগতম জনাইছে। আবেলি পৰত আহি সিহঁতৰ ঘৰ পালেগৈ। "দয়াৰ সাগৰ স্বৰূপ এই আইজনী নহ'লে মই আজি তাক ঘূৰাই নাপালোহেঁতেন। সময়ত আমি তোমাৰ টকা পৰিশোধ কৰিম। তোমাৰ দুহেজাৰ টকা আৰু অশেষ কষ্টই মোৰ দুই লাখ টকাৰ কাম সমাধা কৰিছে। আল্লাই তোমাৰ ভৱিষ্যৎ জীৱন উজ্জ্বল কৰক" —এটাৰ পিছত এটাকৈ ভৰভৰাই মম্মিতুলৰ মাকে কথাবোৰ কৈ গ'ল। "উহ! তেনেদৰে কৈ মোক আৰু বেছি অপৰাধী নকৰিব আই। ঔষধবোৰ সময়মতে খুৱায় যেন। মম্মিতুল, তুমি খুব জোৰেৰে কিন্তু নিচিঞৰিবা। মই আহিলোঁ।" —বুলিকৈ ৰুমেলাই গাড়ীত বহিল "গাড়ী ক'তো নাৰাখিবা ৰুমেলা।" - মম্মিতুলে সাৱধান কৰি দিলে।



গাড়ী চলিল গন্তব্য স্থানলৈ। কিছুদূৰত এটা সৰু চ'ক আছে। তাত আবেলি পৰত ভাল বেয়া সকলো মানুহৰে আড্ডা চলে। হঠাৎ চিক্‌চিকিয়া ক'লা ৰঙৰ মাৰুতিখন দেখি তাৰে কেইজনমানৰ স্বাভাবিকতেই কৌতুহল জন্মিল— "ঐ, এনে সন্ধিয়াপৰত ক'ৰ দাদাই গাড়ীলৈ আহি আছেহে" —এজন ডেকা ল'ৰাই কলে। আন এজনে ক'লে— "দাদা নহয় এ, দাদী ······· হেঃ হেঃ হেঃ" কৈ খিল্‌খিলাই আটাইকেইজন ল'ৰাই হাঁহিলে আৰু আটাইয়ে গাড়ী ৰখাবলৈ ইংগিত দিলে। ৰুমেলাই কিন্তু গাড়ী নাৰাখি তীব্ৰবেগে চলাই দিলে। হঠাৎ দুজনমানে দৌৰি আহি ডাঙৰ শিলগুটিৰে গাড়ীখনৰ গ্লাছত আঘাত কৰিলে। ভঙা কাচৰ টুকুৰাই ৰুমেলাৰ হাত-মুখ ক্ষত বিক্ষত কৰি পেলালে। অসহ্য হৈ তাই গাড়ী ৰখাবলৈ বাধ্য হ'ল। লগে লগে উন্মত্ত উগ্ৰপন্থীৰ দলটোৱে গাড়ীত উঠি ললে। তাৰে এটাই ক'লে "কলৈ পলাব খুজিছিলি, তোৰ ইমান সাহস, ব'ল এতিয়াই" —বুলি কৈ চকু মুখ জপাই ধৰিলে। আন এজনে গাড়ী চলাই অজান ঠাইলৈ লৈ গুচি গ'ল।

পিছদিনাখন ৰাতিপুৱা মম্মিতুলে বাতৰি কাকতখন চাবৰ বাবে হাতত তুলি ললে। শিৰোনামাবোৰৰ ওপৰেদি লাহে লাহে চকু ফুৰাই থাকোতেই হঠাৎ তাৰ চকুৰ আগত যেন ভাহি আহিল— "উন্মত্ত উগ্ৰপন্থীৰ দ্বাৰা মাৰুতি গাড়ীৰে সৈতে ৰুমেলাক অপহৰণ।" বাতৰিটো পঢ়াৰ লগে লগে তাৰ গোটেই মুখমণ্ডল শেঁতাহৈ পৰিল। "ৰুমেলা!!!" —বুলি হৃদয় বিদাৰিক আৰু আৰ্তনাদপূৰ্ণ চিঞৰ এটা অজানিতে তাৰ মুখৰ পৰা ওলাই আহিল। তাৰ মুখখন আৰু চকু দুটা চিৰদিনৰ বাবে মেলখাই থাকিল।

● ● ●

শিক্ষা, একতা, ভাতৃত্ব, সম্যবাদ আৰু স্বাক্ষৰতাই একমাত্ৰ উন্নতিৰ পথ। মানুহৰ মাজত জাতিগত, সম্প্ৰদায়গত কোনো প্ৰভেদ নাই। গণতন্ত্ৰ, সাম্যবাদ আৰু বিশ্বভাতৃত্বৰ এয়েই মহামন্ত্ৰ।

— হজৰত মহম্মদ (ছাঃ)

'As to those who deny the signs of God, and in defiance of right,
Announce to them a grevious Penalty.'

— Al Quran.

## ঃঃ আমি ডেকা ছাত্ৰৰ দল ঃঃ

ৰফিকুল ইছলাম খান
স্নাতক মহলাৰ ৩য় বৰ্ষ
( কলা শাখা )

আমি ডেকা ছাত্ৰৰ দল
উত্তপ্ত আমাৰ মন,
আমাৰ বাহুত আছে বল;
আমি ডেকা ছাত্ৰৰ দল।
আমাৰ আছে ঐক্য, নাই মতানৈক্য
সকলো অভেদ, নাই ভেদাভেদ,
আমি সংগ্ৰামী, আমি বিপ্লৱী,
অন্যায়ৰ, উৎপীড়ণৰ;
শোষণৰ বিৰুদ্ধে ল'ৰোঁ
তেজেৰে ৰাঙলী কৰোঁ পদতল
আমি ডেকা ছাত্ৰৰ দল ॥
আমি ধুমুহা, আমি বজ্ৰ
আমি বিশ্ব শক্তি
শোষণকাৰী, পুঁজিপতিৰ দলক
আমি কেতিয়াও নকৰো ভক্তি
শক্তিশালী আমাৰ মনোবল
আমি ডেকা ছাত্ৰৰ দল।
আমি নকৰো ভয় নিবিচাৰো পৰাজয়
আটায়ে মিলি আগবাঢ়ি যাওঁ
প্ৰতি বন্ধৰ দ্বাৰ ভাঙি কৰো চুৰমাৰ
আমি বিশ্ব কৰিম জয়
আমি জনতাৰ দুখত হওঁ বিহ্বল
আমি ডেকা ছাত্ৰৰ দল।
ভেদভাৱ নাই আমাৰ
আমি বীৰ।
অন্যায়ক আশ্ৰয় নিদিও এক প'ল
আমি ডেকা ছাত্ৰৰ দল।
কোটি কোটি কণ্ঠে সুৰ মিলাই
সাম্যক ঐক্যৰ
জয় গীত গাওঁ
শুণা শুণা হে শোষকৰ দল
আমি ডেকা ছাত্ৰৰ দল।

● ● ●

## ঃঃ নাম নাই ঃঃ

মোঃ আনোৱাৰ হুছেইন
উঃ মাঃ দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

গীতটি শেষ হ'ল
চকুপানী বৈয়ে থাকিল
হঠাৎ বেঁচুৱা শব্দত তাৰ
স্বপ্ন ভাগিল।
শুকান হাঁহিটিৰে সি
পইচাবোৰ মেপিয়ালে,
তাৰ চকুপানী গছকি
এজাক মানুহ পাৰ হৈ গ'ল।

● ● ●



NABAJYOTI COLLEGE
Estd. 1971
Dist Barpeta (Assam)
P.O. KALGACHIA



# বিদ্ৰোহী কবি কাজী নজৰুল ইছলাম

( জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি )

অধ্যাপক ছোৰমান আলী
ইতিহাস বিভাগ।
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

মাত্ৰ ২২ বছৰ বয়সত "বল বীৰ, বল উন্নত মম শীৰ" (বিদ্ৰোহী) কবিতা লিখি বাংলা কাব্য জগতত তোলপাৰ লগোৱা কাজী নজৰুল ইছলামক নতুনকৈ পৰিচয় কৰি দিয়াৰ প্ৰয়োজন নাই। একেধাৰে কবি, গল্পকাৰ ইছলামীয় গজল আৰু সঙ্গীতৰ স্ৰষ্টা স্বাধীনতা সংগ্ৰামী নজৰুল ইছলামৰ প্ৰথম জন্ম শতবাৰ্ষিকী উৎসৱ যোৱা ১৯৯৯ চনৰ ৭ মে' তাৰিখত ধুমধামেৰে পালন হৈ যায়।

আমাৰ দেশত মৃত্যুৰ পিছতহে যোগ্যজনক স্বীকৃতি দিয়াৰ পৰম্পৰা মতেই শান্তি নিকেতন বিশ্ববিদ্যালয়ত উদযাপিত কেন্দ্ৰীয় অনুষ্ঠানত দেশৰ মাননীয় প্ৰধান মন্ত্ৰী প্ৰমুখ্যে বহুতো বিজ্ঞলোকে নজৰুলৰ জীৱন আৰু কৰ্মৰ ওপৰত বহুতো তথ্য গধুৰ বক্তব্য আগবঢ়ালে। কথা আৰু প্ৰশংসাৰ ফুলজাৰিৰে নজৰুলক জীয়াই তোলা হল সমবেত মানুহৰ নিভৃত স্মৃতিৰ বন্ধ কোঠালিৰ পৰা। কিন্তু কোনেও আলোচনা নকৰিলে কবি জীয়াই থকা দিনবোৰৰ সেই ভয়াল দুৰ্দশা গ্ৰস্ত দিনবোৰৰ কথা অৰ্থাভাৱ আৰু চিকিৎসা বিহীন ভাৱে এটি বিৰল প্ৰতিভাৰ অপমৃত্যুৰ সেই কৰুণ কাহিনী—।

১৮৯৯ চনৰ মে' মাহৰ ২৪ তাৰিখে পশ্চিমবঙ্গৰ বৰ্দ্ধমান জিলাৰ চুৰুলিয়া গাৱঁত মঙ্গলবাৰে কাজী নজৰুল ইছলামৰ জন্ম হয়। পিতা কাজী ফকিৰ আহমেদ মাতৃ জাহেদা খাতুন। কাজী ফকিৰ আহমেদৰ দুই স্ত্ৰীৰ ফালৰ ল'ৰা ৭ টা, ছোৱালী দুই। কবি পিতৃৰ দ্বিতীয় পক্ষৰ দ্বিতীয় সন্তান। জন্মগত ভাৱে কবিয়ে মুখামুখী হব লগা হয় অভাৱৰ লগত। পিতৃৰ উপাৰ্জন আছিল সীমিত। আৰ্থিক স্বচ্ছলতা নেথাকিলেও বংশাভিজাত্যৰ ফালৰ পৰা কবিৰ পূৰ্ব পুৰুষসকলৰ কৌলিন্য লক্ষ্য কৰিবলগীয়া। মোগল সম্ৰাট শাহ আলমৰ সময়ত তেওঁৰ পূৰ্ব্ব পুৰুষ সকল পাটনাৰ হাজীপুৰৰ পৰা বৰ্দ্ধমান জিলাৰ আচানচোল লৈ আহে আৰু মোগল বিচাৰালয়ত কাজীৰ পদ পায়। নজৰুল ইছলাম হল কাজী সকলৰ বংশধৰ।

চাৰি পুত্ৰৰ অকাল মৃত্যুৰ পিছত কাজী নজৰুল ইছলামৰ জন্ম হয়। দুখৰ মাজতেই জন্ম হোৱা বাবে কবিৰ নাম ৰখা হয় দুখু মিঞা। সকতে তেওঁক বহুতে— তাৰাখেপা আৰু ঘৰমত কিছুমানে নজৰ আলী বুলিও মাতিছিল। কবি পিতৃহীন হয়

১৯০৮ চনত মাত্র ৮ বছৰ বয়সত। ১০ বছৰ বয়সত গাৱৰ মক্তবৰ পৰা নিম্ন প্ৰাথমিক পৰীক্ষাত পাচ কৰে। আৰ্থিক দুৰাৱস্থাৰ বাবে কৱিয়ে এই মক্তৱতে শিক্ষকতা আৰম্ভ কৰে লগতে ঘৰৰ ওচৰত থকা মাজাৰ শ্বৰিফত খেদমতকাৰী, মছজিদত ইমামতী, গাওঁত মোল্লাগিৰীৰ দায়িত্বও লয় আৰ্থিক উপাৰ্জনৰ বাবে। ধৰ্মীয় পৰিৱেশ আৰু ইছলামীয় ঐতিহ্যৰ লগত জড়িত এই সময় ছোৱাতে কবিয়ে আৰবী, উৰ্দ্দু, ফাৰ্চী মিশ্ৰিত বাংলা ভাষাত কাব্য চৰ্চা আৰম্ভ কৰে। পৰবৰ্ত্তী জীৱনত বাংলা সাহিত্য আৰু সঙ্গীত জগতলৈ ইচলামীয় সঙ্গীতৰ যি নতুন ধাৰা কবিয়ে প্ৰবৰ্ত্তন কৰিছে, তাৰ প্ৰেৰণা কবিয়ে ইয়াতে পাইছিল।

এটা বস্তুতে, একে ঠাইতে লাগি থকাটো নজৰুলৰ স্বভাৱ বিৰুদ্ধ আছিল। স্থান, কাল আৰু কৰ্ম্ম পৰিবৰ্ত্তন হৈছে ঘনে ঘনে। মুছলিম সাহিত্যৰ লগত জড়িত এই সময়ৰ পিচতে কবি সেই সময়ত প্ৰচলিত গাৱলীয়া যাত্ৰাদল লেটো নাচৰ লগত জড়িত হৈ পৰে। কবিৰ বয়স তেতিয়া ১২ বছৰ। ইয়াতে তেওঁ পৰিচিত হয় হিন্দু সংস্কৃতি আৰু পৌৰাণিক সাহিত্যৰ লগত। লেটো দলৰ প্ৰয়োজনতে হিন্দু উপাখ্যান আৰু ঐতিহাসিক ঘটনাৱালীক লৈ তেওঁ ৰচনা কৰে সৰু সৰু নাটক, পালাগীত আৰু সঙ্গীত। লৰালিৰ এই হিন্দু-মুছলিম যৌথ মিলন পৰবৰ্ত্তী সময় ছোৱাত বাংলা সাহিত্য জগতৰ পক্ষে পৰম শুভ হৈ দেখা দিলে। লেটো দল এৰাৰ পিচত ১৯১১ চনত মাথৰুন হাইস্কুলত ক্লাচ VI ত নাম ভৰ্ত্তি কৰে যদিও অৰ্থাভাৱত তেওঁ স্কুল এৰিব লগা হয় আৰু পুনৰ ঘূৰি আহে সঙ্গীত আৰু সুৰৰ জগতলৈ। এই সময়ত কবিক দেখা যায় সেই সময়ত প্ৰচলিত 'কবি গানৰ' মজলিচত ঢোল বাদক হিচাবে পিচলৈ গায়ক ৰূপে আৰু সঙ্গীতকাৰ হিচাবে। নজৰুলৰ জীৱনত বহুতো উত্থান পতন আহিলেও সঙ্গীত চৰ্চাৰ কোনোদিন ছেদ পৰা নাই।

ইয়াৰ পিচত আৰম্ভ হয় কবিৰ বিচিত্ৰ জীৱন যাত্ৰা। শীতৰ এক সেমেকা ৰাতি কবিৰ গান শুনি মুগ্ধ হয় এজন খৃষ্টান ৰেঙ্গলী গাৰ্ডচাহাব আৰু বাবুৰ্চিৰ কাম দি লগত লৈ আহে। বাবুৰ্চি হিচাবে কিছুদিন থাকি গুচি আহে আৰু এম বক্সীৰ চাহ ৰুটিৰ দোকানত মাহে ১ টকা দৰমহাত এটা চাকৰি লয়। এই সময়তে কবিয়ে লগ পায় এজন দয়ালু পুলিচ ইন্সপেক্টৰ কাজী ৰফিউল্লাহ চাহাবক। তেওঁ কবিৰ দুৰ্দশা দেখি লগত লৈ যায় ৫ টকা দৰমহাৰ ব্যৱস্থা কৰি। তেওঁৰ যত্নতে কবি ভৰ্ত্তি হয় ৭ম মান শ্ৰেণীত। শিয়াৰশোল হাই স্কুলৰ পৰা বাছনি পৰীক্ষাত পাচ কৰিয়ে অশান্ত আৰু চঞ্চল কবিয়ে পঢ়া-শুনা বাদ দি সৈন্য বাহিনীত সোমাই পৰে আৰু কৰাচীত থাকিবলৈ লয়। সৈন্য জীৱনৰ কঠোৰ নিয়মাবৰ্ত্তীতাৰ মাজতো কবিৰ সাহিত্য চৰ্চা চলিয়ে থাকে আৰু এই সময়তে প্ৰকাশ পায় তেওঁৰ প্ৰথম গল্প "বাউনেদলৰ আত্ম কাহিনী" আৰু প্ৰথম কবিতা 'মুক্তি'। ১৯২০ চনৰ মাৰ্চ মাহত কবিৰ সৈনিক জীৱনৰ শেষ হয় আৰু গুচি আহে কলিকতালৈ।

এই সময়তে কবিৰ জীৱনত এটা ঘটনা ঘটে। কুমিল্লা মহকুমাৰ দৌলতপুৰৰ নাৰ্গিস আসাৰ খানমৰ লগত কবিৰ বিয়া সম্পন্ন হয় যদিও ছোৱালীৰ পক্ষৰ চৰ্ত্তত অতিষ্ঠ হৈ সেই ৰাতিয়ে কবি গুচি আহে আৰু কুমিল্লাৰ বিখ্যাত সেনগুপ্ত পৰিয়ালৰ ঘৰত থাকিবলৈ লয়। এই সময়তে কবিৰ অপূৰ্ব সৃষ্টি "বিদ্ৰোহী" কবিতা প্ৰকাশ পায়। ইয়াৰ পিচৰ পৰাই কবি ক্ৰমে ইংৰাজ বিদ্ৰোহী হৈ উঠে।



১৯২২ চনত প্ৰকাশিত "আনন্দময়ীৰ আগমনে" প্ৰকাশৰ বাবে তেওঁৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি হয় আৰু পিচত ১ বছৰৰ সশ্ৰম কাৰাদণ্ড দিয়ে। এই মামলাত নিজ পক্ষক সমৰ্থন কৰি কবিয়ে যি জ্বালাময়ী ভাষণ দিছিল বাংলা সাহিত্য জগতত আজিও সি এক বিশেষ মৰ্যাদা সম্পন্ন দলিল হৈ আছে। হুগলী জেলত থাকোতে বন্দীসকলৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিবাদ কৰি ৩৯ দিন ধৰ্ম্মঘট কৰি গোটেই দেশৰ দৃষ্টি আকৰ্ষণ কৰে। জেল মুক্তিৰ পিচত হুয়ো বাংলাতে কবিক যি বিপুল সম্বৰ্দ্ধনা জনোৱা হয় জীৱিত অৱস্থাত কবি ৰবীন্দ্ৰ নাথৰ বাহিৰে হয়তো কাৰো জীৱনত সেইটো সম্ভৱ হোৱা নাই।

১৯২৪ চনৰ ২৫ এপ্ৰিলত প্ৰমিলা সেন গুপ্তৰ লগত কবিৰ বিয়া হয়। বিয়াৰ পিচতে প্ৰকাশিত হয় তেওঁৰ বিখ্যাত কাব্যগ্ৰন্থ "বিসেৰ বাসী"। ইয়াৰ পিচত কবিয়ে নিৰবিচ্ছিন্ন ভাবে সাহিত্য কৰ্মত নিয়োজিত হলেও অৰ্থকষ্ট তেওঁৰ লগ এৰা নাছিল। কিছুদিন পাচত প্ৰকাশ পায় নজৰুল ইচলামৰ শ্ৰেষ্ঠ কবিতাৰ সংকলন "সঞ্চিতা"। এই সময়তে বঙ্গ দেশৰ সুধী সমাজ দুই ভাগত বিভক্ত – নজৰুল আৰু নিন্দা। কিন্তু বিৰল প্ৰতিভাৰ প্ৰশংসাৰ অধিকাৰী নজৰুলক কোনেও ৰোধ কৰিব নোৱাৰিলে। ১৯২৭ চনত Albert Hall ত শ্ৰদ্ধেয় প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ সভাপতিত্বত আৰু মুখ্য অতিথি সুভাষ চন্দ্ৰ বসুৰ উপস্থিতিত বিপুল সম্বৰ্দ্ধনা জনোৱা হয়। ১৯২৯ চনত প্ৰকাশিত 'প্ৰলয় শিখা' কাব্যগ্ৰন্থৰ বাবে কবিয়ে পুনৰ ৰাজৰোষত পৰে আৰু ৬ মাহৰ জেল হয়। পিচলৈ গান্ধী আৰউইনৰ চুক্তি অনুসৰি মুক্তি লাভ কৰে। অৰ্থাভাৱত জুৰুলা কবিয়ে এই সময়ত ব্যয় বহুল কেন্দ্ৰীয় আইন সভাৰ সদস্য পদ প্ৰাৰ্থীৰ নিৰ্ব্বাচনত নামে আৰু পৰাজিত হয়।

পৰৱৰ্ত্তী সময়ত কবিৰ জীৱনলৈ নামি আহে ক্ৰমাগত বেদনাৰ শ্ৰোত। ১৯২৮ চনত কবিৰ মাতৃ বিয়োগ হয়। ১৯৩০ চনত প্ৰথম পুত্ৰ আজাদ কামালৰ মৃত্যু হয় আৰু কিছুদিন পিছতেই দ্বিতীয় পুত্ৰ বুলবুলৰ অকাল মৃত্যু হয় বসন্ত ৰোগত। বুলবুলৰ মৃত্যুয়ে কবিক অত্যন্ত শোকাতুৰ কৰি তোলে আৰু শোকাতুৰ কবিয়ে কিছুদিন নিজকে আধ্যাত্মিক জগতত ডুবাই ৰাখে আৰু ৰোগ শয্যাত পতিত বুলবুলৰ কাষত বহি কবিয়ে মূল ফাৰ্চীৰ পৰা "ৰুবাইত ই হাফিজৰ" অনুবাদ সম্পূৰ্ণ কৰে।

১৯৩১ চনৰ পৰা কবিয়ে নাটক আৰু চিনেমা সঙ্গীতৰ লগত জড়িত হৈ পৰে আৰু পিছলৈ কলিকতা ৰেডিও চেণ্টাৰত বিভিন্ন পদৱীত কাম কৰে।

প্ৰচুৰ মানসিক চাপ, অৰ্থাভাৱ আৰু প্ৰিয়জনৰ অকাল মৃত্যুত কবি তিলে তিলে ক্ষয় হৈ গৈ আছিল আৰু সেইটো হয়তো কবিয়ে উপলব্ধি কৰিব পাৰিছিল। ১৯৪১ চনৰ ১৬ মাৰ্চত ৰনগা সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনত সভাপতিৰ ভাষণত কবিয়ে কৈছিল "আপনারা আমাকে সাহিত্য সম্মিলনে ডাকছেন সাহিত্য সম্পৰ্কে ভাষণ দিতে, Mystic তত্ত্ব শোনাতে নয়। কিন্তু আপনাদের দেরি হয়ে গেছে। দুই দিন আগে আমি যে ভাষায় যেমন করে ভাষণ দিতে পারতাম আজ আমি সেই ভাষা ভুলে গেছি"। ১৯৪১ চনৰ বঙ্গীয় সাহিত্য সমিতিৰ ৰজত জুবিলি উৎসৱত কবি নজৰুলে তেওৰ জীৱনৰ শেষ ভাষনত কৈছিল "আর যদি বাশী নাবাজে, আপনারা

আমায় ক্ষমা করবেন। মনে করবেন পূর্ণত্বের তৃষ্ণা নিয়ে যে একটি অশান্ত তরুণ এই ধরায় এসেছিল অপূর্ণতার বেদনায় তারই বিগত আত্মা যেন স্বপ্নে আপনাদের মাঝে কেঁদে গেল। কবিয়ে যেন আগন্তুক দিনবোৰৰ ভয়াল চিত্ৰবোৰ দেখা পাইছিল। সংসাৰৰ নানা অশান্তিৰ মাজত সেই সময়ত স্ত্ৰী প্ৰমিলা পক্ষাঘাতত বিছনাৰ পৰা উঠিব নোৱাৰা অৱস্থা। এই মানসিক যন্ত্ৰণা হয়তো কবিয়ে সহ্য কৰিব পৰা নাছিল। অৱশেষত সুৰৰ বুলবুলি নজৰুল ১৯৪২ চনৰ ১০ জুলাই তাৰিখত এক দুৰাৰোগ্যত আক্ৰান্ত হৈ স্তব্ধ হৈ গ'ল চিৰদিনৰ বাবে। চিকিৎসাৰ কোনো ব্যৱস্থা নহ'ল। সম্পূৰ্ণ দহ বছৰ পিছতহে 'নজৰুল-নিৰাময় কমিটি' গঠন কৰি কবিক চিকিৎসাৰ নামত প্ৰথমে কৰাচীত আৰু পিছলৈ লণ্ডন আৰু অৱশেষত জাৰ্মানীলৈ পঠোৱা হয়। তাত বহু পৰীক্ষা-নিৰীক্ষাৰ পিছত ডাক্তৰ সকলে স্থিৰ কৰে যে কবি 'পিকস্ ডিজিজ' নামৰ এক দুৰাৰোগ্যত ভুগি আছে আৰু এই অৱস্থাত ভাল হোৱাৰ কোনো আশা নাই কাৰণ বহুত দেৰি হৈ গৈছে।

ইয়াৰ পিছত আৰম্ভ হয় কবিৰ প্ৰতি চৰকাৰ তথা অনুষ্ঠান প্ৰতিষ্ঠান সমূহৰ কৰুণা আৰু সন্মান প্ৰদৰ্শন। ১৯৪৫ চনত কলিকতা বিশ্ববিদ্যালয়ে তেওঁলৈ "জগত্তাৰিণী" পুৰস্কাৰ ঘোষণা কৰে। ভাৰত চৰকাৰে ১৯৬০ চনত 'পদ্মভূষণ' দিয়ে। ১৯৬৯ চনত কবিক বিশ্ব ভাৰতীয়ে 'ডিলিট' উপাধি দিয়ে। কিন্তু এই বিৰল সন্মানৰ প্ৰতি কবিৰ তেতিয়া কোনো অনুভূতি নাই। হেজাৰ-হেজাৰ কবি, প্ৰেমিকক উত্তৰ দিৱে পৰা নাই। ফুলেৰ জলসায় কবি নিৰব কেন?

এই অৱস্থাতে স্ত্ৰী প্ৰমিলা নেজৰুলৰ মৃত্যু হয় ১৯৬২ চনত। কবিৰ দুই পুত্ৰ কাজী সব্যসাচী ইচলাম আৰু কাজী অনুৰুদ্ধ ইচলামৰ যথাক্ৰমে ১৯৭৪ আৰু ১৯৭৯ চনত মৃত্যু হয়। কবিৰ কোনো কন্যা সন্তান নাই।

১৯৭১ চনত বাংলাদেশ সৃষ্টিৰ পাচত শেখ মজিবৰৰ প্ৰচেষ্টাত নজৰুলক বাংলাদেশলৈ নিয়া হয় আৰু পিচত তেওঁক বাংলাদেশৰ নাগৰিকত্ব প্ৰদান কৰা হয়। ঢাকা বিশ্ববিদ্যালয়ে তেওঁক 'ডিলিট' উপাধি প্ৰদান কৰি সন্মান কৰাৰ লগতে বাংলাদেশৰ সাহিত্য সংস্কৃতিৰ সৰ্বোচ্চ পুৰস্কাৰ '২১শ পদক' প্ৰদান কৰে। ইমান যত্ন, সন্মানেও কবিক বেছি দিন ধৰি ৰাখিব নোৱাৰিলে। অৱশেষত ১৯৭৬ চনৰ ২৯ আগষ্ট তাৰিখে কবিয়ে আকোৱালি লয় সেই চৰম মৃত্যুক।

ঢাকা বিশ্ববিদ্যালয়ৰ কাষৰ মচজিদৰ ওচৰত তেওঁক কবৰস্থ কৰা হয়। নজৰুল ইচলামৰ ২০৪০ বো অধিক গীতৰ এটি গীতত তেওঁ লিখিছিল—

মচজিদেৰই পাশে আমায় কবৰ দিও ভাই,

বহুতো অতৃপ্ত বাসনাৰ মাজত কবিৰ এটা ইচ্ছা হয়তো পূৰণ হ'ল।





## ঃঃ আই ঃঃ


এ. ৰাছেদ
স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা

অ' আই তোমাৰ কোলাতে জনম লভি,
ধন্য হ'ল মোৰ এই জীৱন।
মই কিমান যে আমনি দিছো,
সৰু কালতে তোমাক।
সকলো সহ্য কৰি তুমি,
ডাঙৰ দীঘল কৰিছা মোক।
অ' আই তোমাৰ কোলাতে জনম লভি,
ধন্য হ'ল মোৰ এই জীৱন।
থাকিলে দূৰত পৰিলে মনত,
ওলায় যে মোৰ কিমান চকুলো।
আশা কৰো চিৰ শান্তিৰ বাবে মোক কৰিবা
আৰ্শীবাদ, হব পাৰো যেন জীৱন জয়ী।
চৰণ ধৰি কাকুতি কৰো নিদিবা,
মোৰ আশাক ফাঁকি।
কেতিয়া? তুমি মোৰ জীৱনলৈ,
দিবা প্ৰদীপ জ্বলাই।
তুমি নিদিলে মোৰ জীৱনলৈ,
দিবনে প্ৰদীপ কোনোবাই।
তুমিয়ে মোৰ জীৱনৰ ভাল পোৱা
তোমাৰে হিয়াৰ পৰশ বিনে
মোৰ জীৱনেই অসাৰ।
পাওঁ যেন তোমাৰে মৰম চিৰ দিনে,
এই বিশ্বব্ৰাহ্মণ্ডৰ মাজতে।

## ঃ খন্তেকৰ বিদায় ক্ষণত ঃ

আব্দুছ ছালাম
দ্বাদশ শ্ৰেণী (বিজ্ঞান শাখা)

খন্তেকৰ বিদায় ক্ষণত
জিল্‌মিল্‌ চৌ
স্ৰোতস্বিনীৰ শত স্ৰোত
সেয়া মোৰ মাতৃৰ চকুলো।
নীৰৱে টুকি টুকি
নিবাৰন কৰে ........
পুত্ৰহাৰা মাতৃৰ দৰে
বুকুৰ মাজত উথলাই উঠা
কাঁইটীয়া যন্ত্ৰনাবোৰ!
নেত্ৰদ্বয়ে কাঢ়ি লয়,
মুখৰ ভাষা
'আশীৰ্ব্বাদ"বোৰ নিগৰি আহে ধাৰাসাৰে।
মোৰ হৃদয় তিয়াই পেলায়
নতুন আশাৰে .......... !!



## প্ৰাণী বিজ্ঞানৰ

# এটি যুগান্তকাৰী আৱিষ্কাৰ

মহঃ শামচুল আলম, এম, এছছি

যি সময়ত মানুহৰ বাহন বুলিবলৈ আছিল মাত্ৰ ঘোঁৰা, গাধ, উট আদি, সেই সময়ত মানৱ সভ্যতাৰ গতিও আছিল তেনেই মন্থৰ। বহু হাজাৰ বছৰ মানুহৰ জীৱন ধাৰা একেই গতানুগতিক প্ৰক্ৰিয়াৰে চলি আহিছিল। এই গতানুগতিক লেহেম গতিৰ সুদীৰ্ঘ যুগৰ অন্ত পৰিছিল তেতিয়াই যেতিয়া মানুহে ‘চকা’ আৱিস্কাৰ কৰিছিল। তেতিয়াৰে পৰা বৰ্ত্তমানলৈও মানৱ সভ্যতা চকাৰ গতিৰেই পূৰ্ণবেগে উৰ্দ্ধগতিত ধাৱমান। সেই বাবেই চকাৰ আৱিস্কাৰক প্ৰথম যুগান্তকাৰী ঘটনা বুলি গণ্য কৰা হয়। ঠিক একেদৰেই সৌ সিদিনা (১৯৬৯ চনত) প্ৰথমবাৰ মানুহে মহাকাশত ভ্ৰমণ কৰি চন্দ্ৰ পৃষ্ঠত অৱতৰণ কৰা ঘটনাকো একে সমান মৰ্য্যাদা সম্পন্ন ঘটনা বুলিব পাৰি, যিয়ে মানুহৰ জ্ঞান বিজ্ঞানৰ ক্ষেত্ৰত আন এটা নতুন যুগৰ দুৱাৰ মুকলি কৰি দিলে।

সম্প্ৰতি প্ৰাণী বিজ্ঞানীসকলে কৰা এটা আৱিস্কাৰক যুগান্তকাৰী ঘটনাৰ সমমানৰ বুলিব পাৰি। যোৱা সহস্ৰাব্দৰ অন্তিম কাল অৰ্থাৎ ১৯৯৯ চনৰ ২ ডিচেম্বৰত ব্ৰিটেইন, আমেৰিকা আৰু জাপানৰ এটা বিজ্ঞানীৰ দলে এই সাফল্যৰ বিষয়ে “নেচাৰ” পত্ৰিকাত সদৰি কৰিছে। আৱিস্কাৰটোৰ বিষয়ে জনাৰ আগতে দুটিমান কথা উল্লেখনীয়। সকলো জীৱৰে দেহটো এটা বা অসংখ্য একক কিছুমানেৰে গঠিত। এই একক সমূহক কোষ বুলি কোৱা হয়। প্ৰতিটো কোষৰ কেন্দ্ৰাংশত ক্ষুদ্ৰ ক্ষুদ্ৰ সুতাৰ দৰে ‘ক্ৰম’জম’ সূত্ৰ’ নামৰ কিছুমান নিৰ্দ্দিষ্ট সংখ্যক অংগিকা থাকে। ডি, এন, এ নামৰ ৰাসায়নিক অনুৰ সূত্ৰই হ’ল ক্ৰম’জ’মৰ মূল অংশ। মানুহৰ ক্ষেত্ৰত এনে ক্ৰম’জ’ম সূত্ৰৰ সংখ্যা কোষে প্ৰতি ২৩ যোৰাকৈ। প্ৰতিডাল ক্ৰম’জ’মতেই ‘জিন’ নামৰ অতি সুক্ষ্ম এককবোৰ মনিৰ মালাৰ দৰে নিৰ্দ্দিষ্ট বিন্যাসত সজ্জিত থাকে। এই জিনবোৰেই জীৱটোৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, বংশগতীয়, বেমাৰ সম্পৰ্কীয় আদি সকলো চাৰিত্ৰিক প্ৰকৃতি নিৰূপন তথা নিয়ন্ত্ৰণ কৰে। জিন সমূহৰ বিভিন্ন ক্ৰমৰ বিন্যাসে বিভিন্ন একক হিচাপে কাম কৰে। এনে একক উপাদান সমূহক ‘লেটাৰ’ বুলি কোৱা হয়। মানুহৰ কোষৰ ২৩ যোৰ ক্ৰম’জ’মত এনে লেটাৰৰ সংখ্যা সৰ্ব্বমুঠ সত্তৰ কোটি। সৰ্বাধিক জটিল বুলি চিহ্নিত ২২ নং ক্ৰম’জ’মত থকা লেটাৰৰ সংখ্যা ৩ কোটি ৪০ লাখ।



ক্ৰম’জ’মত থকা “লেটাৰ” সমূহৰ বিন্যাস কৃত্ৰিম পদ্ধতিৰে সাল-সলনি আৰু প্ৰয়োজন অনুসৰি মেৰামতি কৰিব পৰা যায়। এনে পদ্ধতিক “জেনেটিক ইঞ্জিনিয়াৰিং” ৰ “ডি,এন,এ, ৰিপিয়াৰিং” বুলি কোৱা হয়। এই ইঞ্জিনিয়াৰিংত ডি, এন, এ অনুত থকা অনুন্নত আৰু অবাঞ্চিত চৰিত্ৰৰ সাংকেতিক ভাষাৰ পৰিৱৰ্তন ঘটাই উন্নত আৰু শুভ চৰিত্ৰ নিৰ্দ্ধাৰণ কৰাকৈ লেটাৰ সমূহৰ পুণৰ বিন্যাস ঘটোৱা হয়।

চিকিৎসা বিজ্ঞানত নতুন যুগৰ সুচনা কৰিব পৰা আৱিস্কাৰটো হ’ল— মানৱ-কোষৰ সৰ্বাধিক জটিল ২২ নং ক্ৰম’জ’মত থকা সাংকেতিক ভাষাৰ “পাঠোদ্ধাৰ”। এই ৩ কোটি ৪০ লাখ লেটাৰ সম্পন্ন ক্ৰম’জ’মডালেই স্কিজোফেনিয়া, ক্ৰনিক মাইলইড্, লিউকেমিয়া, গৰ্ভপাত, হৃদৰোগ, মানসিক প্ৰতিৰক্ষকতা, স্তন কেন্সাৰ, কেটাৰেক্ট, আইঝেইমাৰ বা স্মৃতিভ্ৰংশ আদি ৰোগ নিয়ন্ত্ৰণ কৰে। সেয়ে এইযোৰ ক্ৰম’জ’মৰ সাংকেতিক ভাষাৰ পাঠোদ্ধাৰৰ অৰ্থ হ’ল উক্ত বেমাৰ সমূহৰ প্ৰতিৰোধৰ উপায় উদ্ভৱ হোৱা। এনে বেমাৰৰ বাবে দায়ী, ক্ৰম’জ’মত থকা অসম্পূৰ্ণতাখিনি মেৰামতি কৰি দিব পাৰিলেই এই কাম সম্ভৱ। এনে অৰ্থত উক্ত আৱিস্কাৰটোক যুগান্তকাৰী বুলিয়েই কব পাৰি। এই আৱিস্কাৰৰ সুফল তৃতীয় সহস্ৰাব্দৰ মানৱ সমাজে উপভোগ কৰিব।

ক্ৰম’জ’মৰ মেৰামতিৰ দ্বাৰা বংশগত ৰোগসমূহ নিয়ন্ত্ৰণ কৰাটোতো সম্ভৱ হবই আনকি প্ৰতিভাৱান সন্তান জন্ম দিয়াতো এই পদ্ধতি ব্যৱহাৰ কৰিব পৰা হব। ইয়াৰ বাবে কেৱল ক্ৰম’জ’মৰ লেটাৰ সমূহক বিশেষ গুণ সম্পন্ন কৰি ললেই হ’ব। এই আৱিস্কাৰৰ ফলাফলে অচিৰেই মানৱ জাতিলৈ কল্যাণ আনক।

● ● ●

> প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে
> তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য। সত্য আৱিষ্কাৰ কৰিবৰ
> বাবে তেওঁ সকলো কৰিবলৈ সাজু।
>
> —এৰিষ্টটল

# গ্যাষ্ট্ৰালজিয়াঃ ইয়াৰ চিকিৎসা

মোঃ ছোলেমান খান, এম, এ
বিভাগীয় মুৰব্বী, আৰবী বিভাগ।
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

গ্যাষ্ট্ৰালজিয়া ( Gastralgia )

ইয়াৰ আন নাম গ্যাষ্ট্ৰোডাইনিয়া ( Gastrodynia ) বা ক্ৰাম্প অব দি ষ্টমাক (Cramp of the Stomach )

ইয়াত অগ্ৰকড়াৰ ঠিক তলত এক প্ৰকাৰ বেদনা হয়। ইয়াৰ বেদনা হঠাৎ উপস্থিত হয়। ৰোগীয়ে স্বাভাবিক ভাৱে কাজ কৰ্ম্ম কৰি থাকোতে হঠাৎ ওপৰৰ পেটত অগ্ৰকড়াৰ ঠিক তলত টানি ধৰা, জ্বালাকৰা, খোঁচাবেঁধা, পাকদিয়া কিংবা খিলধৰাৰ দৰে এক প্ৰকাৰ ভয়ানক যন্ত্ৰণাদায়ক বেদনা উপস্থিত হয়, আৰু সেই বেদনা পেটৰ পৰা পিঠিলৈ যায়; পিঠিত ভয়ানক ভাবে বেদনা বাঢ়িগৈ থাকে, যন্ত্ৰনাৰ ধমকত ৰোগীয়ে কান্দি থাকে, চীৎকাৰ কৰি থাকে, মাজে সময়ে অজ্ঞানলৈ যায়, হিমাঙ্গ হয়, নাড়ী ক্ষীণ আৰু সূতাৰদৰে হৈ যায়। অগ্ৰকড়াৰ তলত বেলৰ দৰে ফুলি উঠে। কোনো কোনো স্থলত পেট সঙ্কুচিত হৈ পৰে। পেটৰ ওপৰত হাত দিলে ধক্ ধক্ কৰা অনুমিত হয়। ইয়াৰ বেদনা কোনো কোনো ক্ষেত্ৰত চাপ দিলে অলপ উপশম হয়, সেই কাৰণে ৰোগীয়ে নিজৰ হাতে চাপদি ধৰি থাকে। আকৌ কোনো ক্ষেত্ৰত চাপ দিলে বৃদ্ধিও হয়; পেটত চাপ দিবলৈ নিদিয়ে। অনেক সময়ত বেদনা পেটৰ পৰা বুকুলৈ, ইছুফেগাছ, লেৰিংছ আৰু ক্ষুদ্ৰান্ত্ৰত পৰিচালিত হয়। যিয়েই নহওঁক এই বেদনা ৫/১০ মিনিটৰ পৰা ২/৩ ঘণ্টাৰ অধিক স্থায়ী নহয়। ২/৩ টা ঢেকুৰ উঠিলে, ২/৩ বাৰ ট'ক বমি হলে কিম্বা অলপ পৰিমান প্ৰস্ৰাব হলে হঠাৎ বেদনাৰ উপশম হয়। কোনো কোনো ক্ষেত্ৰত বেদনাৰ উপশম হলে ৰোগীৰ জ্বৰ উঠাও দেখা যায়। ইয়াৰ পিছত আন কোনো প্ৰকাৰৰ উপসৰ্গ নাথাকে। কিন্তু কেই ঘণ্টামান পিচত নাইবা কেই দিনমান পিছতো এইদৰে বেদনা চলি থাকিব পাৰে। কোনো কোনো ৰোগীৰ বেদনা উপশম হোৱাৰ পিছত পেটত বায়ু জমিবলৈ ধৰে, ঢেঁকুৰো উঠিবলৈ ধৰে। গ্যাষ্ট্ৰালজিয়া হৈছে পাকস্থলীৰ এক প্ৰকাৰ নিউৰ্যালজিক বেদনা।

অন্যান্য পীড়াৰ লগত ইয়াৰ প্ৰভেদ —

গ্যাষ্ট্ৰালজিয়া বেদনা— ১। ৰাতি সাধাৰণতে খালি পেট হলে ইয়াৰ বেদনা বাঢ়ে, কিন্তু কিছু খালে বেদনাৰ উপশম হয়।

২। বেদনা বাহিৰৰ পৰা চাপ দিলে কমে।

৩। এটা আক্ৰমণৰ পিছত পৰবৰ্ত্তী আক্ৰমণৰ সময়ৰ মাজত ডিছপেপছিয়াৰ বিশেষ কোনো উপসৰ্গ নেথাকে।

৪। স্বাস্থ্যৰ বিশেষ হানি নহয়।

৫। উপসৰ্গ সমূহৰ মাজত স্ত্ৰীলোকৰ নিউৰ্যালজিয়া হিষ্ট্ৰিৰিয়া প্ৰভৃতি প্ৰকাশ পায়।

৬। অম্লৰ লক্ষণ থাকিলেও অতি কম লক্ষণহে পৰিলক্ষিত হয়।

৭। বমিৰ লগত কিম্বা অইন কোনো প্ৰকাৰৰ ৰক্তস্ৰাব নেথাকে।

পাকস্থলীৰ ক্ষত ( Gastric Ulcer )—

১। ইয়াৰ বেদনা কিছু খালে আৰু পাকস্থলী পূৰ্ণ হলে বৃদ্ধি হয়।

২। বেদনা বাহিৰৰ পৰা চাপ দিলে বৃদ্ধি হয়।

৩। এটা আক্ৰমণৰ সময়ৰ পিছৰ পৰা পৰবৰ্ত্তী আক্ৰমণৰ সময়ৰ ভিতৰত ডিছপেপছিয়াৰ অধিকাংশ লক্ষণ বৰ্ত্তমান থাকে।

৪। স্বাস্থ্য অত্যন্ত খাৰাপ হয়।

৫। অত্যধিক অম্লৰ লক্ষণ থাকে।

৬। উপসৰ্গৰ মাজত স্ত্ৰীলোকৰ ক্লোৰেছিছ, বাধক প্ৰভৃতি প্ৰকাশিত হয়।

৭। বমিৰ লগত বা অন্য প্ৰকাৰৰ ৰক্তস্ৰাব হয়, ৰক্ত বমি হয়।

কলিক শূল বা এন্টেৰ্যালজিয়া ( Colic or Enteralgia )

ইয়াত অন্ত্ৰৰ মাজত স্নায়বিক নিউৰ্যালজিক বেদনা হয়। বেদনাৰ প্ৰকৃতি— কামড়ানি, খামচানি পাকদিয়া বা খিলধৰাৰ দৰে; সাধাৰণত নাভীৰ চতুৰ্দ্দিকত পেটৰ দুই পাৰ্শ্বৰ পৰা বেদনা আৰম্ভ হৈ ক্ৰমশঃ চাৰিওপিনে সিচৰিত হয়। বাহিৰৰ পৰা খুব জোৰে জোৰে চাপ দিলে বেদনাৰ উপশম হয়; কেতিয়াবা কেতিয়াবা বাঢ়ে নাইবা হ্ৰাস-বৃদ্ধি কোনোটোৱেই নহয়, অন্ত্ৰত বায়ু জমি-পেট ফুলি উঠে। পেটত গড়-গড় কৰি মাতি থাকে। গা-বমি, উদ-গাৰ, হিককা, শ্বাসকষ্ট, প্ৰস্ৰাব ত্যাগৰ ইচ্ছা, কোষ্ঠ বদ্ধ, বিন্দু বিন্দু ঘাম, হাত ভৰি শৰীৰ ঠাণ্ডা, নাৰীৰ গতি ক্ষীণ প্ৰভৃতি লক্ষণ সমূহ বৰ্ত্তমান থাকে। ৰোগীয়ে যন্ত্ৰণাত ছটফট কৰে, সন্মুখত যি পায় তাকেই ধৰি পেটত চাপ দি ধৰে; ২/৪ বাৰ বায়ু নিঃসৰণ কিম্বা ২/১ বাৰ বাহ্য হলেই যন্ত্ৰণাৰ হঠাৎ উপশম হয়।

পাকস্থলীত ক্যান্সাৰ ( Cancer of the Stomach )

ই সাধাৰণত পাকস্থলীৰ কাৰ্ডিয়াক এণ্ডত ( খাদ্য প্ৰথমেই যি পথ ধৰি পাকস্থলীত প্ৰৱেশ কৰে সেই পথত ) এই দুই স্থানত হয়।

পাইলোৰি এণ্ডৰ ক্যান্সাৰ—

সকলো সময়ত বেদনা থাকে। আহাৰৰ ৩/৪ ঘণ্টা পিছত প্ৰবল বেদনা হয়, আহাৰৰ ৮/১০ ঘণ্টা পিছত সব ভুক্ত দ্ৰব্য বমি হয়। বমিত কুঁচো কুঁচো পদাৰ্থ নিৰ্গত হয়, ৰঙা আভাযুক্ত বমি হয়, কাফি-গোলাৰ দৰেও বমি হয়, মলৰ লগত তেজ পৰে, ৰক্ত বমন নোহোৱা, কোষ্ঠবদ্ধ, সকলো সময়ত ক্ষুধা মান্দ্য, হজম শক্তিৰ লোপ, দিনে দিনে দুৰ্ব্বল তথা কৃশ হোৱা প্ৰভৃতি দেখা দিয়ে। কাৰ্ডিয়াক এণ্ড ক্যান্সাৰত- আহাৰ কৰাৰ লগে লগে বমি হয়, খাদ্য গিলাৰ সময়ত কষ্ট হয়, পাকস্থলী শুকাই যায়, অগ্ৰকড়াৰ তলত খাল পৰে, খুব শীঘ্ৰ শীঘ্ৰ দুৰ্ব্বল তথা ৰক্তহীন হোৱা প্ৰভৃতি লক্ষণ সমূহ প্ৰকাশ পায়।

চিকিৎসা ( Treatment )

বেদনাৰ সময়ত ৰোগীক প্ৰচুৰ পৰিমানে গৰম পানী পান কৰিবলৈ আৰু পেটত গৰম পানীৰ ফোমেণ্টচন কৰিবলৈ দিব লাগে। সাধাৰণতে এই পীড়া গুৰুপাক দ্ৰব্য ভোজন, চা, কফি, দোক্তা, তামাক প্ৰভৃতি উত্তেজক মাদক দ্ৰব্য ব্যবহাৰ আৰু এনিমিয়া, মানসিক দূৰ্ব্বলতা হিষ্টিৰিয়া; মানসিক কষ্ট ইত্যাদি কাৰণতেই হয় বাবে মূল পীড়াৰ কাৰণ বোৰ দূৰ কৰিবলৈ যত্ন কৰিব লাগে।

ঔষধ ( Medicine )

এবিচ নায়গ্ৰা— পাকস্থলীৰ ওপৰত অগ্ৰকড়াৰ স্থানত বোধহয় যেন কিবা এটা দলি বৈ আছে।

এব্ৰোটেনাম— নানা প্ৰকৃতিৰ বেদনা, বেদনা ৰাতিত খুব বৃদ্ধি হয়। বেদনা সদায়েই থাকে, এবাৰৰ বাবেও নকমে।

আৰ্জ্জে নাই— অগ্ৰকড়া আৰু নাভীৰ মধ্যবৰ্ত্তি কোনো এক অলপ পৰিসৰ স্থানত স্পৰ্শকাতৰতা বেদনা থাকে, প্ৰবল বেদনাৰ স্থানৰ পৰা আৰম্ভহৈ ক্ৰমে বুকুত, পিঠিত, কান্ধত সিচৰিত হৈ পৰে। ইয়াৰ বেদনা ধীৰে ধীৰে বাঢ়ে, ধীৰে ধীৰে কমে।

এছাফিটিডা— পেটত বায়ু জমে, নহৰু কিম্বা মলৰ গন্ধৰ দৰে দুৰ্গন্ধ ঢেঁকুৰ উঠে, বায়ু নিম্ন দিশত নিঃসৰণ নহয় ওপৰৰ দিশত উত্থিত হয়, ভয়ানক কোষ্ঠবন্ধ, পীড়া নিৰ্দ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে আক্ৰমণ কৰে। খালি পেটত থাকিলেই যন্ত্ৰনা বাঢ়ে, কোনো কিছু খালেই যন্ত্ৰনাৰ উপসম হয়।

বেলেডোনা— বেদনা হঠাৎ আহে, হঠাৎ যায়। অত্যন্ত যন্ত্ৰণাদায়ক বেদনা, ৰোগী পশ্চাৎ দিশত হেলি নিশ্বাস বন্ধ কৰি থাকে, বেদনা পেটৰ পৰা পিঠিলৈ যায়। অত্যন্ত পানী পিঁয়াহ থাকে; কিন্তু পানী পান কৰিলেই যন্ত্ৰণা বাঢ়ে, স্ত্ৰীলোকৰ ঋতু-কালীন পীড়াও হয়।

ক্যালকেৰিয়া কাৰ্ব্ব— বোধহয় পাকস্থলীত এটা গধুৰ পাথৰ আৱদ্ধহৈ আছে, বেদনা পেটৰ পৰা গললৈকে উঠি যায়, টক ঢেঁকুৰ উঠে টক বমি হয়।

ক্যালকেৰিয়া হাইপোফচ— বেদনা হঠাৎ উপস্থিত হয়। এটা আক্ৰমণৰ পিছত পৰবৰ্ত্তী আক্ৰমণৰ সময় ছোৱাত বেদনাৰ চিন মাত্ৰও নেথাকে, ৰোগীয়ে বিবেচনা কৰে যেন পেটত বায়ু জমি বেদনা হয়। বেদনা উৰ্দ্ধ দিশত পৰিচালিত হয়, কেতিয়াও তললৈ নামি নাহে। সাধাৰণত আহাৰৰ দুই ঘণ্টা পিছত বেদনা উপস্থিত হয়, সেই সময়ত অলপ খাখীৰ বা কিছু চৰ্ব্বন কৰি খালে বেদনাৰ উপশম হয়। বেদনা পিঠি, বুকু আৰু গললৈকে পৰিচালিত হয়। ইয়াৰ লগত বমি আৰু পেটত খামুচনি বেদনা থাকে।

কলোচিন্থ— অত্যন্ত কাঁটাছেড়াৰ দৰে বেদনা। বেদনা বুকু; পেট প্ৰভৃতি শৰীৰৰ অন্যান্য স্থানৰ পৰা আৰম্ভহৈ ক্ৰমশঃ পাকস্থলীত যায়। ইয়াৰ বেদনা চাপত উপশম হয়।

গ্ৰাফাইটিচ— এনিমিক ও ক্লোৰোটিক পীড়াগ্ৰস্থ ব্যাক্তি সকলৰ, যি স্ত্ৰীলোকৰ বাধক, অৰ্শ তথা কোষ্ঠবন্ধৰ পীড়া থাকে তেওঁলোকৰ ধাতুত এই ঔষধ উপকাৰী।

ৰিউমেক্স— অগ্ৰকড়াৰ স্থানত তীৰ বিন্ধাৰ দৰে এবিধ বেদনা বুকু, পিঠিলৈকে ধাবিত হয় পাকস্থলীত, বুকুত, ভয়ানক কামোৰণি তথা তীৰবিদ্ধৰ দৰে তীব্ৰ বেদনা হয়; বেদনা এবাৰ গলৰ ওপৰলৈ উঠে, এবাৰ পাকস্থলীৰ তললৈ নামে। আহাৰৰ পিছত পেট ফুলি উঠে।

ভিৰেট্ৰাম এল্বম— ইয়াৰ বেদনা ধীৰে ধীৰে বাঢ়ে, ধীৰে ধীৰে কমে। বেদনা পিঠি আৰু কান্ধলৈ পৰিচালিত হয়, ৰোগী কঁপে আৰু শীতবোধ কৰে, হাত ভৰি ঠাণ্ডা হয়।



এই পীড়াৰ উক্ত ঔষধৰ বাহিৰেও আৰ্স, বিস্মথ, ম্যাগ-ফচ, ন্যাট-ফচ, ব্ৰায়ো, কাৰ্ব্বো, ক্যাম্পো, চেলিডোন, ফেৰম, ইগ্ৰেচিয়া, লেপ্টাণ্ড্ৰা, লাইকো, নক্স, পেট্ৰোলিয়ম, এচিড-ফচ, প্লম্বম, এচিড অকজ্যা, ছালফাৰ প্ৰভৃতি বহুতো ঔষধ ব্যৱহৃত হয়। সকলো ঔষধ তথা ইহঁতৰ লক্ষণ লিখিলে এই প্ৰবন্ধৰ কলেবৰ বৰ্দ্ধিত হোৱা আকস্থাত সংক্ষেপে লিখিলো। আশাকৰো এই ক্ষেত্ৰত সুধী পাঠকে এইবোৰ ঔষধৰ চিত্ৰ মেটেৰিয়া মেডিকা চাই প্ৰয়োগ কৰিব।

ম্যাগ-ফচ — ৩x, ন্যাট্ৰম-ফচ ৩x; প্ৰত্যেকক ৩ গ্ৰেণ হিচাপত একেলগে ৪ গ্ৰেণ মাত্ৰাত, ১ আঃ গৰম পানীৰ লগত ১০ মিনিট অন্তৰে অন্তৰে ৮/১০ মাত্ৰা সেবণত উপকাৰ দৰ্শে, ডিষ্ট্ৰেম এল্বম ৬x তথা কলোচিন্থ ৩x পৰ্য্যায় ক্ৰমে ৩ ঘণ্টা অন্তৰে অন্তৰে দিনে ৫/৬ বাৰ সেবণত পুৰাতন পীড়াত অনেক স্থলত উপকাৰ দৰ্শে। একোনাইট ১x, কোনোও অৱস্থাত উপকাৰ নহয়, ই গৰমত উপশম হয়। ইয়াত নাভীৰ স্থানত জ্বালা থাকে।

---

N.B.— Treat the patient, not the disease : Hahnemann.

জাতীয় জীৱনৰ সন্ধিক্ষণত আমি ব্ৰহ্মাস্ত্ৰ নিক্ষেপ কৰিব নোৱাৰিলেও মাজে সময়ে দুই এটা বাটলু গুটিকেই দলিয়াব লাগিব।

—অম্বিকাগিৰী ৰায় চৌধুৰী



# শতিকাৰ অন্তিম বেদনাহত হৃদয়ৰ কান্দোন।

● এটা বাক্যৰ গল্প ●

আজাদ হুছেইন শ্বৰীফ
স্নাতক ৩য় মহলা (বিজ্ঞান শাখা)


[ প্ৰেমৰ কথাতো আনক কব নোৱাৰি।
নিশ্বাসৰ দৰে নিশব্দে ই যেন বিচাৰি ফুৰে
শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস। — হীৰুদা ]

বৰ্তমানত— পৱিত্ৰ প্ৰেমৰ কোনো মূল্য নথকাৰ বাবেই আকাশে সৰুৰে পৰা ভয়ত তথা এক অজান আশংকাত "প্ৰেম" নামৰ শব্দটোৰ পৰা বহুত দূৰৈত অৱস্থান কৰি নিজকে সমাজ সেৱা, ৰাজনীতি আৰু সংস্কৃতিৰ পথাৰত এৰাল দিও নিজৰ হৃদয়ক বুজাব নোৱাৰিছিল এযুৰি গভীৰ অথচ বিশাল চকু, এমোকোৱা হাঁহি আৰু আশৈশৰ এখনি মুখৰ তীব্ৰ আকৰ্ষণৰ বাবে অৰ্থাৎ সি প্ৰেমত পৰিছিল সেই আশৈশৰ চৰিত্ৰটিৰ সতে আৰু সেই কাৰণে সি নিজৰ হৃদয়ক কৌটি বাধা দিয়া স্বত্বেও বুজাব নোৱাৰি অৱশেষত বহু ভাৱি-গুণি মাথো 'হৃদয়ৰ পৱিত্ৰতাগিদা'ত সেই আশৈশৰ চৰিত্ৰটিৰ ওচৰত নিজৰ হৃদয় খনিক ভিক্ষাৰ পাত্ৰ সজাই দিছিল; কিন্তু দান পাত্ৰত সি মাথো পালে এসোপা অলিখিত, অপ্ৰকাশিত কৱিতাৰ সতে ঘৃণাৰ এটি বৃহৎ টোপোলা; কিন্তু আকাশৰ হৃদয় আকাশৰ দৰেই বিশাল আৰু এই বিশালতাৰ পৰিধিৰ চাৰিওফালে চিৰদিন ঘূৰি থকাৰ সিদ্ধান্তৰে সি আজি বিশ্বৰ বৃহৎ পথৰ পদ যাত্ৰী; চিৰাল দিয়া জেপৰ পৰা এখনি নিৰ্ব্বাক ছবি উলিয়াই পথে-পথে সি গায়—

চাজনৰে, ইয়ে মত ভুলো—
খোদা কি পাস জানা হ্যায়,
না হাথী (হাতী) হ্যায়, না ঘোৰা হ্যায়
উহা ত' প্যাদল হি জানা হ্যায়।

● ● ●





ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সফল অভিযানৰ সামৰণি অনুষ্ঠানত ভাষণৰত, ৰূপসী উন্নয়ন খণ্ডৰ জ্যেষ্ঠ খণ্ড-উন্নয়ন-বিষয়া **শ্ৰীযুত ইছলাম উদ্দিন আহমেদ**।



ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সফল অভিযানত শ্ৰমদান কৰা অৱস্থাত, মাননীয় অধ্যক্ষ মহোদয়ৰ সৈতে মহাবিদ্যালয়ৰ এন. এছ. এছ. কৰ্মী সকল।

# "মানৱ সেৱাৰ অমৰ প্ৰতীক : মাদাৰ টেৰেছা"

মিচ. হাছিনা আহমেদ
স্নাতক ২য় বৰ্ষ (কলা)

"কুৰি শতিকাত যাৰ নাম শুনিলেই শত সহস্ৰ শিশু আত্মহাৰা হৈ পৰে, শত সহস্ৰজন অনাথ শিশুৰ মুখত পানী আহে, অন্তৰ জীপাল কৰি তোলে, নিপীড়িত, নিঃসহায় আৰু নিৰাশ্ৰয়জনে বিচাৰি পায় জীয়াই থকাৰ সঞ্চাৰ" তাৰেই নাম মা, তাৰেই নাম বিশ্ব মাতৃ, তাৰেই নাম অমৰ ৰত্ন মাদাৰ টেৰেছা।

১৯১০ চনৰ ২৭ আগষ্টত যুগোশ্লোভিয়াৰ আড্ৰিয়াটিক সাগৰৰ পাৰত স্কোপজে নামৰ চহৰত এক আলবেনিয়ান পৰিয়ালত জন্ম হৈছিল এটি ফুট-ফুটীয়া কণমানি দেৱ শিশুৰ। পিতৃ-মাতৃৰ সৈতে চাৰিজনীয়া পৰিয়ালটো আনন্দ, উলাহত উথলি উঠিছিল এই কণমানি দেৱ শিশুজনীৰ আগমণত। মৰমতে নাম থৈছিল "এগ্‌নিছ গনঝ বৰ্ডঝিউ"। মধ্যবিত্ত পৰিয়ালটোত কণমানি জনীৰ ককায়েক আৰু বায়েকৰ মাজত লৰৰি ঢাপলি ক্ৰমাৎ ডাঙৰ হ'ল। দোকানী দেউতাক নিকোলাছৰ অতি আলাসৰ লাড়ু আছিল এগ্‌নিছ। কিন্তু পিতৃৰ মৰমৰ আও-ভাও বুজি নোপাওঁতেই পৃথিৱীৰ পৰা চিৰ বিদায় লৈছিল এগ্‌নিছৰ দেউতাকে। তেতিয়া মাত্ৰ তিনি বছৰ বয়স। তেতিয়া মাতৃ ড্ৰানফিল বাৰ্ণাৰ আচলত ধৰি ল'ৰালিৰ বাট বুলিব ধৰিলে, বছৰ নৌঘূৰোতেই আৰম্ভ হ'ল প্ৰথম বিশ্বযুদ্ধ। যুদ্ধৰ বিভীষিকাই যুগোশ্লোভিয়াক ধ্বংসস্তূপত পৰিণত কৰিলে, সেই দুৰ্যোগৰ দিন বোৰৰ মাজত আগবাঢ়ি গৈছিল ককায়েক, বায়েক আৰু মাতৃৰ জীৱন। ল'ৰালি কালৰ অভাৱ, অনাটনৰ অভিজ্ঞতা আৰু যুদ্ধৰ বিভীষিকাই এগ্‌নিছক ভাবুক কৰি তুলিছিল আৰু ক্ৰমাৎ আতৰাই নিছিল পাৰ্থিৱ জগতৰ পৰা।

এগ্‌নিছৰ শিক্ষা জীৱন আৰম্ভ হৈছিল "চেক্ৰেড হাট চাৰ্চত"। পিছত "কেথলিক চাৰ্চৰ ৰাষ্ট্ৰীয় বিদ্যালয়ত" ভৰ্ত্তি হয়। শিক্ষা এৰি ১৮ বছৰীয়া এগ্‌নিছে সিদ্ধান্ত ললে 'নান' হ'ব। মানৱ সেৱাৰ নামত জীৱন উৎসৰ্গিত কৰিব আৰু বাঞ্ছা কৰিছিল সন্ন্যাসিনী আৰু মিছনেৰী জীৱন। এই আশা বুকুত বান্ধিলৈ বাস্তৱত ৰূপদিয়াৰ কাৰণে তেওঁ জেচুইট পাদ্ৰীসকলক লগ কৰে কাৰণ এই পাদ্ৰী সকল তেতিয়া ভাৰতবৰ্ষত থাকি মিছনত কাম কৰিছিল কিন্তু পাদ্ৰী সকলে আয়াৰলেণ্ডৰ লৰেটো সন্ন্যাসিনীসকলৰ লগত যোগ দিবলৈ পৰামৰ্শ দিছিল। ১৯২২ চনত এগ্‌নিছে গাৱেঁ গাৱেঁ চহৰে নগৰে, দেশ বিদেশত যীশুখ্ৰীষ্টৰ বাণীবোৰ প্ৰচাৰ কৰিছিল। তেতিয়া মাত্ৰ বয়স আছিল ১২ বছৰ। ১৯২৫ চনত যুগোশ্লোভিয়াৰ খ্ৰীষ্টীয়ান মিছনেৰী সংস্থা এটাই কলিকতাত কাম কৰাৰ বাবে ভাৰতলৈ আহে। তৰুণী এগ্‌নিছে এই কামত আগ্ৰহ প্ৰকাশ কৰে আৰু কলিকতাত প্ৰচাৰ কাৰ্য্যত নিযুক্ত আয়াৰলেণ্ডৰ লৰেটো সন্ন্যাসিনী দলৰ সংস্পৰ্শলৈ আহে। ১৯২৮

চনত আয়াৰলেণ্ডৰ ছিষ্টাৰছ অৱ লৰেটোত যোগদান কৰে আৰু তাতে তেওঁৰ নাম হয় মাদাৰ টেৰেছা। ১৯২৯ চনত কলিকতাত থাকিবলৈ আৰম্ভ কৰে আৰু ১৮ বছৰ বয়সত শিক্ষয়িত্ৰী হিচাপে কলিকতাৰ গুৰুত্বপূৰ্ণ লৰেটো কেন্দ্ৰত আৰু পিছত বেংগল মিছনত যোগদান কৰে।

১৯৪৮ চনলৈকে কলিকতাত ছেণ্টমেৰী হাইস্কুলত শিক্ষকতা কৰি শেষত তেওঁ সেই স্কুলৰ অধ্যক্ষৰ পদো লাভ কৰিছিল। যিসময়ত তেওঁ কলিকতাত আছিল সেই সময়ত কলিকতাত মানুহৰ মাজত অভাৱ, দাৰিদ্ৰ; অত্যাচাৰ, নিপিড়ীত, নিঃসহায় শিশুৰ আৰ্তনাদ আৰু বেমাৰ আজাৰৰ ফলত এক ভীষণ হাহাকাৰৰ সৃষ্টি হৈছিল। কিন্তু কোনোৱে সেই অভাৱবোৰ প্ৰতিকাৰ কৰাৰ কাৰণে চেষ্টা কৰা নাছিল। এই শোকাবহ আৰু ভয়াবহ দৃশ্যবোৰে মাদাৰ টেৰেছাৰ অন্তৰত বাৰুকৈ আঘাত দিছিল আৰু থলকনি কৰি তুলিছিল, এইবোৰ দুখ বেদনা তেওঁৰ সহ্য হোৱা নাছিল। বিশেষ এদিনৰ ঘটনাই তেওঁৰ অন্তৰত বাৰুকৈ দুখ দিছিল কাৰণ চিকিৎসালয়ৰ সন্মুখত এগৰাকী তিৰোতা মৰো মৰো অৱস্থাত পৰি আছিল; কিন্তু কোনোৱে কাষত যোৱা নাছিল। সেই তিৰোতাগৰাকীক মাদাৰে বহু চেষ্টা কৰিও চিকিৎসালয়ৰ সেৱা আগবঢ়াব নোৱাৰি তেওঁ মৰ্মাহত হ'ল। কাৰণ দুখীয়া মানুহক উন্নত চিকিৎসালয়ত চিকিৎসা কৰাৰ সুযোগ দিয়া নহয় আৰু সেই দিনাই তেওঁ উপলব্ধি কৰিলে এটি মানৱ সেৱা সংস্থাৰ। তেওঁৰ ইচ্ছাৰ কথা পোপৰ আগত ব্যাক্ত কৰিছিল আৰু ১৯৪৮ চনতেই লৰেটোৰ পৰা চিৰদিনলৈ বিদায় লৈছিল। তেওঁ পোছাক হিচাপে বাছি লয় নীলা পাৰিৰ বগা কপাহী শাৰী, হাতত বাইবেল আৰু কান্ধৰ ওপৰত সৰু ক্ৰুছ। সেই বছৰতে ভাৰতীয় নাগৰিকত্ব লাভ কৰে। ১৯৫০ চনত "মিছনেৰীজ অৱ চেৰিটিজ" প্ৰতিষ্ঠা কৰিছিল। কলিকতাত থাকোতে মাদাৰ আৰু তেওঁৰ সহকৰ্মী ছিষ্টাৰ'ছ সকলে এটা ঘৰৰ কথা চিন্তা কৰি দান বৰঙণি তুলি নিজাববীয়াকৈ এটা ঘৰ কিনি ললে আৰু তাত থাকিবলৈ আৰম্ভ কৰিলে। তেওঁলোকে পুৱা চাৰে চাৰি বজাত উঠি দিনটোৰ বাবে আৰম্ভ কৰিছিল তেওঁলোকৰ কৰ্মময় জীৱন। কলিকতাৰ অলিয়ে গলিয়ে, ৰাস্তাৰ দাঁতিত পৰি থকা অনাহাৰী, নিঠৰুৱা, বেমাৰী, ভিক্ষাৰী আৰু আৰ্তনাদ কৰি ঘুৰি ফুৰা মৃত প্ৰায় শিশুসকলৰ উদ্ধাৰ কাৰ্য্যত তেওঁলোক ব্ৰতী হ'ল। আনকি দুৰ্গন্ধময় জাবৰৰ পৰা তুলি আনিছিল পেলনীয়া শিশুক। তেওঁলোকৰ বাবেইতো জীৱন আৰু জীৱন মানেই পৱিত্ৰ। এই শিশুসকলৰ বাবে আচাৰ্য্য জগদীশ বসু ৰ'ডত প্ৰতিষ্ঠা কৰিলে এটা শিশু গৃহ নাম দিলে "নিৰ্মল শিশু ভৱন"। ইয়াত কেৱল আশ্ৰয়েই প্ৰদান কৰা নাছিল, তেওঁলোকক হিয়া উজাৰি মৰম কৰিছিল শতাব্দীৰ এই আই মাতৃ জননীয়ে। মাদাৰে কেৱল অনাথক সহায় কৰিছিল এনে নহয়, বিপথে যোৱা সকলক শুদ্ধ পথৰ সন্ধান দিছিল। কলিকতাত থকা চিকিৎসালয় সমূহত যিবিলাক ৰোগীক আশ্ৰয় দিয়া নাছিল সেইবোৰ ৰোগীক মাদাৰ টেৰেছাই বিচাৰি আনিছিল বিভিন্ন ঠাইৰ পৰা এনেকি কলিকতাৰ বাটে ঘাটে পৰি থকা মৃত প্ৰায় অৱস্থাত থকা ৰোগীবোৰকো তুলি আনি আশ্ৰমত ৰাখি সেইবোৰক সেৱা শুশ্ৰূষাৰে আৰোগ্য কৰি তুলিছিল।



অৱশেষত কালিঘাট মন্দিৰৰ কাষত থকা ধৰ্মশালা এটাও তেওঁ দখল কৰিলে আৰু ১৯৫২ চনত নিঃস্ব-সকলৰ বাবে গঢ় লৈ উঠিল "নিৰ্মল হৃদয়" নামৰ এক আশ্ৰয় স্থল। সেই 'নিৰ্মল হৃদয়' ৰোগীৰে উপচি পৰিল। মাদাৰৰ এনেকুৱা কাৰ্য্যত বহুত মানুহে বিৰোধিতা কৰিছিল যদিও একান্ত নিষ্ঠাৰে আগবাঢ়ি গৈছিল নিঃশব্দে। এদিনাখন কালিঘাটৰ প্ৰধান পূজাৰীৰ পুত্ৰৰ কলেৰা হ'ল। তাক কোনেও চোৱা নাছিল এনেকি কাষলৈকে যোৱা নাছিল; কিন্তু মাদাৰ টেৰেছাই নিজ হাতেৰে তুলি চিকিৎসা কৰি সুস্থ কৰাইছিল। মাদাৰৰ এনে কাৰ্য্যক সকলোৱে সহানুভূতিৰে চাবলৈ ধৰিলে আৰু মাদাৰে ৰাজপথৰ পৰা হাজাৰ হাজাৰ ৰোগী আৰু শিশুক চিকিৎসা কৰি সফল অৰ্জন কৰিছিল যাৰ বাবে, ৰোগী আৰু শিশুবোৰ মাদাৰৰ কাৰণে ব্যাকুল আৰু আত্মাহাৰা হৈ পৰিছিল।

যিবিলাক শিশুৱে অভাৱ আৰু অনাশ্ৰয়ত ৰাজ পথৰ দাঁতিয়ে দাঁতিয়ে ঘূৰি ফুৰিছিল, এমুঠি খাবলৈ পোৱা নাছিল; বিছনাত শুৱ পৰা নাছিল, থিয় হোৱাৰ বাবে ঠাই বিচাৰি পোৱা নাছিল, মাত্ৰ আৰ্তনাদত ৰাস্তাৰ কাষে কাষে কুকুৰৰ দৰে অনাই-বনাই ঘুৰি ফুৰিছিল। এনেবোৰ শিশুৰ দুখ বেদনা দেখি মাদাৰৰ অন্তৰত থলকনি তুলিছিল, দুখ পাইছিল আৰু শিশুৰ জীৱনৰ কাৰণে চিন্তা কৰিছিল। সেয়েহে ভাৰতৰ বিভিন্ন ঠাইত শিশু ভৱন নিৰ্মাণ কৰিছিল। কিন্তু যেতিয়া আগ্ৰাত শিশু ভৱন খোলাৰ কাৰণে মনস্থ কৰিছিল তেতিয়া টকাৰ অভাৱত ইচ্ছা পূৰণত প্ৰতিবন্ধকতাৰ সৃষ্টি হয়। এনে সময়ত তেওঁলৈ ঘোষণা হ'ল মেগ্‌চেচ পুৰস্কাৰ। এই পুৰস্কাৰ হিচাপে তেওঁ সন্মান লাভৰ ওপৰিও নগদ পঞ্চাশ হাজাৰ টকাৰে পুৰস্কৃত হৈছিল। তেতিয়া মাদাৰে ২০ টাৰো অধিক শিশু ভৱন নিৰ্মাণ কৰিছিল। তেওঁ মানুহক সদায় সৎ উপদেশ দিছিল কিন্তু কিছুমান দুষ্ট লোকে তেওঁৰ কাৰ্য্যৰ বিৰোধিতাও কৰিছিল। তেওঁলোকে ভাবিছিল যে খ্ৰীষ্টান ধৰ্মত দীক্ষিত কৰাৰ চক্ৰান্ত বুলি অভিহিত কৰিছিল কিন্তু মাদাৰৰ গভীৰ বিশ্বাস আছিল ঈশ্বৰৰ প্ৰতি আৰু মন দৃঢ়তাৰ বাবে কোনেও একো ৰোষত পেলাব পৰা নাছিল। কিন্তু দুষ্ট লোকে ভ্ৰান্তিবোৰ নিজে নিজে উপলব্ধি কৰি আতৰি গৈছিল মাদাৰৰ কাৰ্য্য আৰু সহানুভূতি দেখি।

১৯৫৩ চনত তেওঁ প্ৰথম অনাথ আশ্ৰম প্ৰতিষ্ঠা কৰিছিল আৰু কুষ্ঠ ৰোগীৰ কাৰণে "প্ৰেম দান" কৰিছিল আৰু এবিধ চলন্ত ডিচ্‌পেনছাৰী প্ৰচলন কৰিছিল যাৰ ফলত বহুতো ৰোগীয়ে সহজতে চিকিৎসা সেৱা লাভ কৰি আৰোগ্য হোৱাৰ পথ দেখিছিল। এই ৰোগী সকলক তেওঁ নিজে চিকিৎসা কৰাৰ ওপৰিও ডাক্তৰ আৰু ধাত্ৰী সকলে তেওঁক সহায় কৰিছিল। আৰোগ্য নোহোৱা ৰোগীবোৰক "শান্তি নগৰ" নামে ঠাইত সংস্থাপনৰ ব্যৱস্থা কৰিছিল। শান্তি নগৰত মাদাৰৰ ৩৪ একৰ মাটি আছে। সম্পূৰ্ণখিনি আশ্ৰমৰ নামত দান কৰিছে। জনা মতে মাদাৰে বিশ্বৰ জনসাধাৰণৰ সেৱাৰ নামত প্ৰতিষ্ঠা কৰিছে ৫০ খন বিদ্যালয়, ২০০ ৰো অধিক চিকিৎসালয়, ৫৪ খন কুষ্ঠাশ্ৰম, ২০ খনৰো অধিক অনাথ গৃহ, ৩৩৫ খন চলন্ত ডিচ্‌পেনছাৰি, ২৪ টা পৰিয়াল সেৱা কেন্দ্ৰ, এটা যক্ষ্মা ক্লিনিক, ৬ খন দাঁতব্য চিকিৎসালয় আৰু বহুত কমাৰ্ছিয়েল স্কুল মাদাৰ টেৰেছাই মানৱ সেৱাৰ নামত স্থাপন কৰা এনে শাখা প্ৰশাখা পৃথিৱীৰ প্ৰায়বোৰ দেশতে আছে। তেওঁৰ সংস্থাত ১৮০০ গৰাকী ছিষ্টাৰ, ১৮৫ জন ব্ৰাদাৰ, আৰু ৪০০ জন প্ৰশিক্ষক আছে।

"মিছনেৰী ৱাদাৰ অৱ চেৰিটি" আৰু "ইন্টাৰ নেচনেল এছোচিয়েশন অৱ বাৰ্কাছ অৱ মাদাৰ টেৰেছা" সেৱা বাহিনী। মাদাৰ টেৰেছাৰ কাৰ্য্যালয় হৈছে কলিকতাত চাকু লাৰ ৰোডত। মাদাৰ টেৰেছাই জীৱনত বহুত খ্যাতি লাভ কৰিছে তাৰে ভিতৰত ১৯৬২ চনত মানৱতাবাদী কাম কাজৰ শ্ৰেষ্ঠ সন্মান হিচাপে প্ৰথম পুৰস্কাৰ মেগ্‌চেচ বঁটা লাভ কৰে আৰু বিশেষ সেৱাৰ বাবে "পদ্মশ্ৰী" উপাধি লাভ কৰে।

১৯৭১ চনত যেতিয়া বাংলাদেশ আৰু পাকিস্থান বিভক্ত হয় তেতিয়া ভাৰতত স্থাপন কৰা শিবিৰত সহস্ৰাধিক শৰণাৰ্থী, এই শিবিৰত উপস্থিত হৈছিল মাদাৰ আৰু তেওঁৰ দল। উল্লেখযোগ্য যে সেই বছৰতে ছেপ্তেম্বৰ মাহত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বোষ্টনত "গুড চামাৰিটান" বঁটা লাভ কৰে আৰু এমাহ পিছতে সন্মানিত হয় 'জন কেনেডী অন্তঃৰাষ্ট্ৰীয়" পুৰস্কাৰ আৰু ১৯৭২ চনত জৱাহৰলাল নেহেৰু পুৰস্কাৰ, ১৯৭৩ চনত ইংলেণ্ডৰ প্ৰিন্স ফিলিপে ধৰ্মৰ প্ৰসাৰতাৰ বাবে "টেম্পলটন" বঁটা প্ৰদান কৰে। ১৯৭৪ চনত আকৌ আমেৰিকা যুক্তৰাষ্ট্ৰই আগবঢ়ায় আন এক সন্মানীয় পুৰস্কাৰ।

১৯৭৯ চনত তেওঁ মানৱতাবাদী সেৱাকৰ্ম্মী আৰু শান্তিৰ প্ৰতীক হিচাপে মাদাৰক "শান্তিৰ নবেল" বঁটা প্ৰদান কৰা হয়।

১৯৮০ চনত বিলম্বিত ভাবে চূড়ান্ত কৃতঘ্ন ভাবে নবেল বঁটা লাভ কৰাৰ বহু পিছতহে তেওঁলৈ আগবঢ়োৱা হয় দেশৰ সৰ্বোচ্চ সন্মান "ভাৰত ৰত্ন"।

১৯৮২ চনত যুদ্ধ বিধ্বস্ত বেইৰুটৰ এক চিকিৎসালয়ত আবদ্ধ ৩৬ জন প্ৰতিবন্ধী শিশুক উদ্ধাৰ কৰাৰ বাবে ইজৰাইল আৰু পেলেষ্টাইনক যুদ্ধ বন্ধ কৰাবলৈ সন্মত কৰাইছিল। ১৯৮৩ চনত ৰাণী এলিজাবেথৰ দ্বাৰা "অৰ্ডাৰ অৱ মেৰিট" প্ৰদান কৰে। এনেকি ১৯৯৩ চনত মানৱ সেৱাও উচৰ্গিত ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় সদ্ভাৱনা বঁটাৰেও মাদাৰ টেৰেছাক সন্মানিত কৰা হৈছে। এনে একাধিক পুৰস্কাৰৰে বিভূষিত হৈছিল শান্তিৰ দূত মাদাৰ। কিন্তু ব্যক্তিগত জীৱনৰ প্ৰতি জননীৰ যি নিস্পৃহাৰ সদা বিৰাজমান, এই পুৰস্কাৰ সমূহ গ্ৰহণৰ সময়ত মাদাৰৰ সেই অভিব্যক্তিৰ সলনি হোৱা নাছিল। যাৰ দেহৰ প্ৰতি বিন্দু ৰক্ত কনিকা আৰ্তজনৰ সেৱাত উৎসৰ্গীত তেওঁৰ ইয়েই হয়তো অতি স্বাভাৱিক। বাস্তৱিকতে অতি নিস্পৃহাৰে এবাৰ মাদাৰে ঘোষণা কৰিছিল— "কোনো পুৰস্কাৰেই মই নিজৰ বাবে গ্ৰহণ কৰা নাই, গ্ৰহণ কৰিছোঁ বিশ্ব মানৱতাৰ নামত"। তেওঁৰ জীৱন ভিক্ষা এই বক্তব্যৰেই অন্তিম সাক্ষ্য। দীৰ্ঘ দিন ধৰি তেওঁক শাৰীৰিক ৰোগে জুৰুলা কৰি পেলাইছিল, দেহৰ প্ৰতিটো ভাজেঁ ভাজেঁ পৰিছিল বয়সৰ আচৰ। ১৯৮৬ চনত ভ্ৰমণ কৰাৰ সময়ত হঠাত এক বিমান দূৰ্ঘটনাৰ পৰা কোনো মতে প্ৰাণ ৰক্ষা পৰিছিল মাদাৰৰ। ১৯৮৯ চনত হৃদ ৰোগত আক্ৰান্ত হৈছিল। অস্ত্ৰোপচাৰ কৰি পেচমেকাৰো সংস্থাপন কৰা হৈছিল। ১৯৯১ চনত আমেৰিকাত হৃৎপিণ্ডৰ অস্ত্ৰোপচাৰ কৰিছিল যদিও আৰোগ্য নোহোৱাত আকৌ ১৯৯৩ চনত হৃৎপিণ্ডৰ ৰক্ত পৰিবাহী নলীকাত আন এক অস্ত্ৰোপচাৰ কৰা হৈছিল। এক কথাত সকলো নিশ্চিন্ন হৈছিল যে নৰকত থকা দেৱ দূত গৰাকী শতাব্দীৰ জননীৰ জীৱন বেলি অস্ত যাবলৈ বেছিদিন নাই। এনেকি ১৯৯৬ চনত হঠাত বিছনাৰ পৰা পৰি মূৰত আঘাত প্ৰাপ্ত হৈছিল। মাদাৰ টেৰেছাই উপলব্ধি



কৰিছিল যে তেওঁৰ কিজানি সময় নাই, সেই কথা আগতীয়াকৈ উপলব্ধি কৰি ১৯৯৭ চনৰ ১৩ মাৰ্চত ছিষ্টাৰ নিৰ্মলাক পূৰ্বেই মিশ্যনেৰীজ অৱ চেৰেটীৰ নিজৰ পদটোৰ উত্তৰাধিকাৰী হিচাপে নিযুক্তি দিছিল। তথাপিও সকলোৱে আশা কৰিছিল এই গৰাকী মহীয়সী, বিশ্ব বৰণ্যে জননীয়ে অন্ততঃ শতায়ু লাভ কৰক। অসুস্থ দেহৰে মাতৃয়ে দেখুৱাইছিল কৰ্মস্পৃহা। কিন্তু মাতৃ গৰাকীৰ সকলো উদ্যম, বিশ্ব সন্তানৰ সকলো অশাৰো হঠাত যতি পৰিল মহাকালৰ আমোঘ নিৰ্দেশত যেন বিশ্ব চৰাচৰেই মুহূৰ্ত্তৰ বাবে স্তব্ধ হৈ পৰিল। বহু লাঞ্চনা গঞ্জনা যুৰ্পাতিলৈ নিঃশব্দে, নীৰৱে, নিয়তিৰ কেলাত; অতিমানৱে মাদাৰ টেৰেছাই মেলানি মাগিলে চিৰ দিনৰ বাবে সমগ্ৰ বিশ্বকে শোকাহত কৰি। নিৰ্বাপিত হ'ল ভাৰতৰ গৌৰৱৰ জ্যোতি। জীৱনৰ অন্তিম মুহূৰ্ত্তৰ সম্বাদ কাকো নজনাকৈ সম্পূৰ্ণ মাতৃৰ প্ৰতীকি ৰূপত এই বিশাল সমুদ্ৰও নিথৰ কৰি ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰত বিশ্বৰ পৰা চিৰ বিদায় ললে। আমি অনাথ হলো, আমি আৰু উভতাই নাপাও দেৱদূত স্বৰূপ জননীক। মাতৃয়ে আমাৰ পৰা বিদায় লৈছে সঁচা কিন্তু তেওঁৰ দৃষ্টি ভঙ্গিবোৰ আৰু কাৰ্য্যকলাপবোৰ ইতিহাসৰ পাতত সোণালী আখৰেৰে ডাঙৰ ডাঙৰকৈ লিখা থাকিব। হে বিশ্বমাতৃ তুমি স্বৰ্গৰ পৰাই দিয়া আমাক আশীৰ্বাদ তুমি অমৰ! চিৰ দিনেই থাকিবা জিলিকি! তোমাৰ পথৰ পথ যাত্ৰী যাতে আমিও হব পাৰো— "হে বিশ্বমাতৃ দেৱদূত ৰূপী জননী"। ০০০



# একলব্য সংবাদ অথবা মুহিবুল মাষ্টৰৰ এদিন

চৈয়দ কাইয়ুম কবীৰ
মুৰব্বী অধ্যাপক,
ৰসায়ন বিজ্ঞান বিভাগ।

আটলাণ্টিক মহাসাগৰৰ নীলিম জলৰাশিৰ বুকু ভেদি জলদস্যুৰ জাহাজ এখন তীব্ৰ বেগে আগবাঢ়িছে। নাতিদূৰৈত গছ-গছনিৰে ভৰা এটি দ্বীপ। দ্বীপটো দেখি এজন জলদস্যু হঠাৎ উল্লাসিত হৈ চিঞৰি উঠিল। বেনগান তাৰ নাম। সি বাকীবোৰক উদ্দেশি চিঞৰি চিঞৰি কবলৈ ধৰিলে "সোঁৱা চোৱাহক! এইটোৱেই সেই দ্বীপ যত কেপ্টেইন ফ্লিণ্টে আজিৰ পৰা তিনি বছৰ আগতে লুণ্ঠন কৰি অনা ধন সোণ, সোণৰ মুদ্ৰা; অলংকাৰ পুতি থৈ আহিছিল। মই তেতিয়া ফ্লিণ্টৰ তলত কাম কৰো। আমি বাকীবোৰ জলদস্যু জাহাজত; ফ্লিণ্টে দুজন জলদস্যুৰ সৈতে ধন সোণবোৰ এখন সৰু নাওঁত লৈ গৈ দ্বীপটোত প্ৰবেশ কৰে। লগৰ দুজনক হত্যা কৰি ধন সোণবোৰ দ্বীপটোত পুতিথৈ অকলে পুনৰ জাহাজলৈ উভতি আহিছিল। যোৱা বছৰ ফ্লিণ্ট ঢুকাল। পিছত এই দ্বীপলৈ কোনেও যোৱা নাই। আহা, আমি সেই দ্বীপত লংগৰ পেলাও আৰু সেই ৰত্ন ভাণ্ডাৰৰ সন্ধান কৰো। সেইবোৰ যদি আমি লাভ কৰিব পাৰো গোটেই জীৱন আমি ৰজাৰ দৰে থাকিব পাৰিম"। বেনগানৰ কথাত বাকীবোৰৰ চকুত বিস্ময় আৰু লালসাৰ এক মিশ্ৰিত চাৱনি। জাহাজৰ কেপ্টেইনজনে সৰ্ব্বসম্মতি ক্ৰমে দ্বীপটোৰ ওচৰত লংগৰ পেলালে। সকলোৱে দ্বীপটোলৈ নামি আহিল। আৰম্ভ হ'ল গুপ্তধনৰ সন্ধান। তিনিদিন সিহঁতে দ্বীপটোত গুপ্তধনৰ সন্ধান কৰিলে। ধন সোণ নাপাই সিহঁতে পুনৰ জাহাজখনলৈ উভতি আহিল। সিহঁতৰ দলপতিজনে শাস্তিৰূপে বেনগানক সেই দ্বীপটোত এৰি থৈ আহিল। বেচেৰা বেনগান সেই নিৰ্জন দ্বীপত অকলে কটাব লগা হ'ল। কি যন্ত্ৰনা তাৰ! কি নিসংগতাৰে দিনৰ পিছত দিন গছৰ ফল-মূল খাই পগলাৰ দৰে জীৱন পাত কৰিব লাগিব। চাৰিওফালে সীমাহীন জলৰাশি; বহু দূৰত এৰি থৈ আহিছে তাৰ মাতৃভূমি। সি আৰু এতিয়া বৰদিন পালন কৰিব নোৱাৰিব; সিজোৱা মাংস, ফটিকা, পনিৰ তাৰ বাবে এতিয়া কল্পনাৰ বস্তু। জনপ্ৰাণী হীন দ্বীপৰ নিসংগ সময় তাৰ বাবে নাযায় নুপুৱায় ........।

মুহিবুল মাষ্টৰে দশম শ্ৰেণীৰ ইংৰাজী পাঠ্য-ক্ৰমৰ দ্ৰুত পাঠ হিচাবে লুই ষ্টিফেনচনৰ "ট্ৰেজাৰ আইল্যাণ্ড" খন পঢ়ায়। ট্ৰেজাৰ আইল্যাণ্ডৰ পৃষ্ঠাই পৃষ্ঠাই বিয়পি থকা শিহৰণ উদ্ৰেককাৰী ঘটনাবোৰ ইংৰাজীৰ পৰা অসমীয়ালৈ ভাষান্তৰ কৰি শ্ৰেণীটোৰ প্ৰতিজন ছাত্ৰকে আটলাণ্টিক মহা-সাগৰৰ নিৰ্জন দ্বীপলৈ লৈ যায়। সিহঁতৰ মানস-পটত মাষ্টৰে একোখনি মনোৰম কল্পচিত্ৰৰ সৃষ্টি কৰে। এইদৰে ইংৰাজী পাঠ শিকোৱাৰ এক অভিনৱ কৌশল, আয়ত্ব কৰিছিল তেওঁ। এয়া তেওঁৰ বহুদিনৰ কৰ্ষিত প্ৰচেষ্টা। প্ৰতিটো বাক্যৰ লগত জড়িত বৈয়াকৰণীক বাক্য গাঠনি, ক্ৰিয়াৰ কাল, বাচ্য, প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তিৰ প্ৰয়োগ সমূহ এক নাটকীয় প্ৰাসংগিকতাৰে মূল বিষয়ৰ ৰসাচ্ছাদনত অলপো ব্যাঘাত সৃষ্টি নকৰাকৈ উপস্থাপন কৰিব পাৰে। গাৱঁলীয়া স্কুলখনৰ তেওঁ আছিল ইংৰাজী বিষয়ৰ নিৰ্ভৰযোগ্য কৃতী শিক্ষক। ইংৰাজীৰ বাহিৰে ভূগোল, অংক আৰু জ্যামিতিটো তেওঁৰ সমানেই দখল। বৰপূজাৰীৰ ভূগোল প্ৰৱেশিকা-খনৰ বেচিভাগ লেখাই তেওঁৰ মুখস্থ। চক্ৰৱৰ্ত্তীৰ প্ৰৱেশিকা জ্যামিতিৰ উপপাদ্য সমূহ, প্ৰাসংগিক অতিৰিক্ত সমূহ অকনো খোকোজা নলগাকৈ বুজাই দিব পাৰে। গতিকে গাৱঁলীয়া এই শিক্ষানুষ্ঠান খনত মুহিবুল মাষ্টৰ নিজেই আছিল অনন্য অনুষ্ঠান।

এবাৰ স্থানীয় খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ এজন বিষয়া বদলি লৈ আহিল। বিষয়াজনৰ নৱম মান শ্ৰেণীত পঢ়া একেটি মাত্ৰ ল'ৰাক নাম লগাই দিছিল মুহিবুল মাষ্টৰৰ স্কুলত। ল'ৰাজন আছিল ভোটা বুদ্ধিৰ। মুহিবুল মাষ্টৰৰ ইংৰাজী ক্লাচত ক্ৰিয়া এটাৰ নিৰ্দ্দিষ্ট কালৰ বিভিন্ন পুৰুষ ৰূপবোৰ ল'ৰাটিয়ে কব পৰা নাছিল। মুহিবুল মাষ্টৰে সেই ল'ৰাটিক অইন কেইজনমান তেনে ছাত্ৰৰ লগত স্কুলৰ চোতালত আঠুকঢ়াই ৰাখিছিল। ল'ৰাজনে দেউতাকক সিদিনাৰ ঘটনাটো কান্দি কান্দি বৰ্ণনা কৰিছিল। বিষয়াজনে শুনি গৰম হৈ গৈছিল আৰু মুহিবুল মাষ্টৰক এসেকা দিম বুলি মনে মনে প্ৰতিজ্ঞা কৰিছিল। এমাহ পিছত চৰকাৰৰ পৰা তেওঁক হাফলংলৈ বদলি কৰাৰ ফৰমান আহিছিল। তেও মুহিবুল মাষ্টৰ আছিল সম্পূৰ্ণ নিৰ্বিকাৰ। তেও ঠিক জানিছিল যে বিষয়াজনে এয়া এক প্ৰকাৰে তেওঁৰ ওপৰত প্ৰতিশোধ ললে। তেওঁ কোনো দুৰ্ব্বলতা নেদেখুৱায়। গতিকে মুহিবুল মাষ্টৰৰ স্কুল এৰি হাফলংলৈ যোৱাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ। তেওঁ ভাবে কৰ্মস্থানলৈ শিক্ষক এজনৰ কোনো অশান্তি হব নোৱাৰে। সততা আৰু নিষ্ঠাৰে কাম কৰিলে সকলো ঠাইতে আনন্দ পোৱা যায়। স্থানীয় মানুহে কিন্তু মুহিবুল মাষ্টৰৰ দৰে নেভাবিলে। এটি অমূল্য ৰত্ন হেৰুৱাৰ আসন্ন সম্ভাৱনাই স্থানীয় মানুহখিনিক দলে বলে চিলং পোৱালেগৈ। স্থানীয় বিধায়কজনক তেওঁলোকে লগ কৰি মাষ্টৰৰ বদলিৰ হুকুম ৰদ কৰোৱালে। এই ৰাউণ্ডত মুহিবুল মাষ্টৰৰ জয় হ'ল।

সেই তেতিয়াৰ পৰা এই হাইস্কুলখনতে শিক্ষক জীৱন কটাই। অলপতে মুহিবুল মাষ্টৰে অৱসৰ ললে।

কৰ্মময় জীৱনৰ পৰা অৱসৰ লোৱাৰ পিছত ষাঠিৰ উৰ্দ্ধৰ যিকোনো মানুহৰ জীৱনলৈ এনেকুৱা এক সময় আহে যে যেতিয়া সংসাৰৰ সকলো বিষয় বাসনা আৰু মোহৰ পৰা মুক্ত হৈ এৰি অহা অতীতৰ স্মৃতিবোৰৰ মাজত বিচৰণ কৰি অনিবাৰ্য্য মৃত্যু অনুভূতিৰে দেহ মনত এক ভয়াৰ্ত জোকাৰণিৰ অনুভৱেৰে ঈশ্বৰৰ চিন্তাত আত্মনিয়োগ কৰে। মুহিবুল মাষ্টৰক পিচে এনেবোৰ অনুভূতিয়ে দেহমন আচ্ছন্ন নকৰে। অথচ ষাঠিৰ উৰ্দ্ধৰ অৱসৰ প্ৰাপ্ত শিক্ষক মুহিবুল মাষ্টৰৰ এনে ধৰণৰ চিৰাচৰিত ঈশ্বৰ অনুভূতি, বিষাদ কিম্বা অৱসাদ নাইবা বহু অম্ল মধুৰ নষ্টালজিয়াই দেহমন জোকাৰি যোৱাই স্বাভাৱিক আছিল। তেওঁ সেইবোৰক দূৰতে বিদুৰ কৰিছে। এতিয়াও তেওঁৰ বহু কাম বাকী। মৃত্যুৰ পৰা তেওঁ সাত হাত দূৰত থাকিবলৈ সদায় যত্ন কৰে। ঘৰত দুজনীকৈ বিবাহ যোগ্য কন্যা, বিশ্ববিদ্যালয়ত পঢ়ি থকা তেওঁৰ ডাঙৰ ল'ৰাজন, প্ৰৱেশিকা পৰীক্ষা দিবলৈ ওলোৱা প্ৰথৰ

বুদ্ধিৰ, সৰু ল'ৰাটোৰ কথা ভাবি তেওঁ অইন কথা ভৰাৰ সময় নাই। তেওঁৰ লগত একেলগে অৱসৰ পোৱা কেইজনমানে অলপতে তীৰ্থৰ পৰা আহিছে। তেওঁলোকে আজিকালি ওচৰৰ সভা সমিতিবোৰত নিৰ্দ্দিষ্ট বক্তা বা সভাপতিৰ আসন শুৱনি কৰে। মুহিবুল মাষ্টৰৰ সেইবোৰৰ প্ৰতি কোনো আকৰ্ষণ নাই। আহেও তেওঁৰ ওচৰলৈ অনেক। তেওঁৰ যে এতিয়া মৰিবলৈও সময় নাই। পুৱা গধুলি এসোপা মান ল'ৰা-ছোৱালীক ইংৰাজী গ্ৰামাৰৰ টিউচন পঢ়ায়। তাৰ পিছত স্থানীয় ছপাশাল এটাত প্ৰুফ চোৱা কাম। প্ৰেছৰ পৰা বাহিৰে বাহিৰে তেওঁ এঘৰত আনটো টিউচন কৰিহে ঘৰ সোমায়। এই বয়সতো এক আচৰিত প্ৰাণ শক্তিৰে মুহিবুল মাষ্টৰ সংসাৰৰ অনিবাৰ্য্য দায়িত্ববোধৰ তাগিদাত অৱশিষ্ট জীৱন কালৰ নাতিদৈৰ্ঘ্য পথ পৰিক্ৰমাত অক্লান্ত, অবিনীত। তথাপিও মাজে মাজে তেওঁ এক অকথিত মানসিক যন্ত্ৰনাত ভোগে। এই যন্ত্ৰনা-বোধৰ উৎস তেওঁৰ চৌপাশৰ মানুহবোৰ, সমাজখন, স্থানীয় অঞ্চলটো পুৰাপুৰি কমাৰ্চিয়েল হৈ গৈছে। মানুহবোৰ সব কিবাকিবা ধান্দাত ঘূৰিছে। কোনেও যেন পেট খুলি কি ভাবিছে কব নোখোজে। কত পেঁচ হুইলচ উইদিন হুইলচ, অনবৰত কিবা এটা চেপা চেপা ভাব. এটা বিৰক্তি, দুঃচিন্তা, এংজাইটি। কতো যেন কোনো উদাৰতাৰ স্থান নাই, সৰলমনে কথা কোৱাটো বুৰ্বকামি প্ৰাণ খোলা হাঁহি দুষ্প্ৰাপ্য বস্তু ....... । নৈতিকতাৰ সংকট, মানৱীয় মূল্য-বোধৰ অৱক্ষয়, উৎকট ভোগবাদ সৰ্ব্বস্ব জীৱনধাৰাৰে মাষ্টৰৰ প্ৰতিজন প্ৰতিবেশীয়ে আত্ম প্ৰতিষ্ঠাৰ এক অঘোষিত যুদ্ধত নামি পৰিছে। মাষ্টৰৰ নিজকে এখন ট্ৰেজিক নাটকৰ নিঃসংগ নায়ক যেন ভাব হয় কেতিয়াবা। লুইষ্টিফেনচনৰ "ট্ৰেজাৰ আইল্যাণ্ড"ৰ বেনগান চৰিত্ৰটোৰ নিসংগতাৰ লগত তেওঁৰ নিসংগতাখিনিৰ মাজত সাদৃশ্যতা বিচাৰি পায়।

এইযে তেওঁ পুৱা গধুলি ল'ৰা-ছোৱালীবোৰক গ্ৰামাৰ পঢ়ায় এই লৈ সিহঁতৰ অভিভাৱকবোৰে তেওঁৰ ওচৰত কিছুমান আপত্তি দৰ্শাই আছে। মাষ্টৰে হেনো বেচি গভীৰলৈ গৈ গ্ৰামাৰ শিকায়। ইমান বেচি ডিটেইলচ্‌ত নগৈ পৰীক্ষাত নম্বৰ ধৰিব পৰা ৰচা বচা কিছুমান গ্ৰামাৰৰ নিয়ম শিকালেই হয় চোন। ভাল নম্বৰহে লাগে, ইংৰাজী গ্ৰামাৰৰ জ্ঞান আহৰণ পিছে পৰেও কৰিব পাৰিব !

এনেবোৰ কথাই মাষ্টৰৰ মনত বৰ কষ্ট দিয়ে। এই অঞ্চলত ইংৰাজী গ্ৰামাৰত দখল থকা দ্বিতীয় এজন নাই নহলে .............

আজিকালি গধুলি তেওঁ ঘৰত নথকাৰ সুযোগ লৈ ঘৰৰ ওচৰৰ পুলটোত বহি দহটামান ডেকা ল'ৰাই আড্ডা মাৰে। মাজে মাজে অশ্লীল টিটকাৰী আৰু উচ্চস্বৰত হাঁহিৰ শব্দ। উদ্দেশ্য তেওঁৰ ছোৱালী দুজনী। প্ৰৱেশিকা পৰীক্ষা দিবলৈ ওলোৱা তেওঁৰ সৰু ল'ৰাটোৰ সেই সময়খিনিত পঢ়া-শুনা নহয়। ছোৱালী দুজনী ভয়ত পেপুৱা লাগি থাকে। মাষ্টৰে স্থানীয় বয়সস্থ চাঁমক কথাটো কাণ চোৱাইছে। সেই কেইটাৰ নাম শুনিলে বেচি ভাগৰে পেটতে হাত ভৰি লুকায়। বৰ উদণ্ড সিহঁত। কি দৰকাৰ বাটৰ কাইট চপাই লোৱাৰ ! মাষ্টৰৰ ঘৰৰ ওচৰত হে আড্ডা মাৰে সিহঁতে, তেওঁলোকৰ ঘৰৰ ওচৰত নহয়।

স্থানীয় দোকানখনৰ দোকানীজনেও আজিকালি মাষ্টৰৰ প্ৰতি কিছু উদ্ধত আচৰণ দেখায়। আজি দহ বছৰ ধৰি দোকানখনৰ তেওঁ নিয়মীয়া গ্ৰাহক।



চাকৰি থকা সময়ত মাষ্টৰৰ ওচৰত সি আছিল বিনয়ৰ অৱতাৰ। অৱসৰ পোৱাৰ পিছত মাষ্টৰে মাজে মাজে দোকানখনত বাকী কৰিব লগা হয়। পৰিশোধ কৰোতে অনিয়মীয়া হয়। আজিকালি মাষ্টৰক দোকানীয়ে বহু সময় বহি থকাৰ পিছতহে বস্তু জুখি দিয়ে। নগদ টকা দিয়াবোৰক আগে ভাগে পঠায়। দোকানীয়ে মাষ্টৰৰ লগত কথা কম কয়। অনৱৰত এক কৃত্ৰিম গাম্ভীৰ্য্য।

অভিনয় সকলোৱে শিকি পেলাইছে। মুহিবুল মাষ্টৰৰহে অভিনয় শিকা নহল। আজি কেইদিন-মানৰ পৰা মাষ্টৰে ভীষণ অসুস্থ অনুভৱ কৰিছে। বাতি তেওঁৰ উশাহ লওঁতে কষ্ট হয়। আগতে তেওঁৰ এনেকুৱা হোৱা মনত নপৰে। ভীষণ ভয় খাইছে। স্থানীয় ডাক্তৰজনৰ ওচৰত তেওঁ গৈছে। ডাক্তৰে তেওঁক গুৱাহাটীৰ ডাঃ ইৰফান হবিবৰ ওচৰলৈ যাবলৈ পৰামৰ্শ দিছে। কিন্তু এই অথৰ্ব শৰীৰলৈ গুৱাহাটী যোৱাটো তেওঁৰ বাবে দুঃসাধ্যকৰ হৈ পৰিছে। কিন্তু ডাক্তৰৰ মুখত ইৰফান হবিবৰ নাম শুনি হঠাৎ যেন এছাটি মলয়া বতাহৰ দৰে কৰ্মময় অতীতৰ স্মৃতিয়ে দেহমন জুৰাই পেলালে। বাহিৰৰ পৰা অহা এই ডাক্তৰজনে হয়তো নেজানে ডাঃ ইৰফান হবিবৰ লগত মুহিবুল মাষ্টৰৰ সম্পৰ্কৰ কথা। ডাঃ ইৰফান আছিল এসময়ৰ মাষ্টৰৰ এজন প্ৰিয় ছাত্ৰ। তেওঁ শিক্ষকতা কৰা এই হাইস্কুলখনৰ পৰা চাৰিটা বিষয়ত লেটাৰ নম্বৰ সহ প্ৰৱেশিকা পৰীক্ষাত চতুৰ্থ স্থান পোৱা ইৰফানৰ কৃতকাৰ্য্যতাৰ মূলতে আছিল মুহিবুল মাষ্টৰৰ প্ৰচেষ্টা। মাষ্টৰে সিদ্ধান্ত কৰি পেলালে। তেওঁ অহাকালি গুৱাহাটীলৈ যাব তেওঁৰ একালৰ প্ৰিয় ছাত্ৰ ডাক্তৰ ইৰফানৰ ওচৰলৈ।

গুৱাহাটীৰ বাছ আস্থানত গাড়ীৰ পৰা নামিয়ে মাষ্টৰে চিটিবাছ এখনত উঠি ললে। ডাক্তৰৰ ঠিকনা তেওঁৰ আগধৰি সংগ্ৰহ কৰা আছিল। এটা নিৰ্দ্দিষ্ট বাছ ষ্টপেজত তেওঁ নামি পৰিল। প্ৰাত্যহিক ব্যস্ততাৰে ভৰা গুৱাহাটীৰ জনসমাগমৰ মাজত মুহিবুল মাষ্টৰ মিলি গ'ল। বহুদিনৰ পিছত তেওঁ গুৱাহাটীখনলৈ আহিছে। তেওঁৰ ছাত্ৰাৱস্থাৰ গুৱাহাটীখন কৰবাত হেৰাই গৈছে। মাত্ৰাধিক জনসংখ্যাৰে কি এক কদৰ্য্য চহৰ ! তাহানিৰ মুকলি ঠাইবোৰৰ প্ৰতিবৰ্গফুটতে কাঠফুলাৰ দৰে গজি উঠিছে বিভিন্ন আহিঁৰ ঘৰ, ব্যৱসায়িক প্ৰতিষ্ঠান। কংক্ৰীটৰ অৰণ্যৰ মাজেৰে ব্যস্ত পথত নিৰুদ্বেগ মুখৰ মানুহবোৰৰ ব্যস্ত আহযাহ। মাষ্টৰে লক্ষ্য কৰিছে চহৰখনৰ বৈশিষ্টপূৰ্ণ চিহ্নবোৰ হেৰাই গৈছে। শেহতীয়া মডেলৰ মটৰ গাড়ী, স্কুটাৰ, চিটি বাছৰ কি দুৰ্ভেদ্য যানজ'ট। গাড়ীবোৰৰ পৰা অহা অসহ্যকৰ দূৰ্গন্ধ মাত আৰু ধোঁৱাই পৰিবেশ প্ৰদূষিত কৰিছে। বিবৰ্ধিত ৰূপত কাষৰ দোকানখনৰ পৰা হিন্দীগানৰ সুৰ ভাহি আহিছে। মাষ্টৰৰ কাষেদি এখন মাৰুতি নিশব্দে পাৰ হৈ গৈছে। ফুটপাথেৰে হাতত ক্ৰিকেট বেট লৈ খৰ-খোজেৰে এজাক স্কুলীয়া ল'ৰা আৰু এজাক কলেজীয়া ছোৱালী মাষ্টৰৰ ওচৰেদি কথা কৈ কৈ পাৰ হৈ গ'ল ... ... ...

: " ঐ বৰ্ণালী, তইতে টাইটানিক চালি বোলে অপ্সৰাত ? "

: অ আকৌ, তোক আমি কলেজত খুউব বিচাৰিলো জান।

: মই আমাৰ ঘৰতে চালো; 'দিল্লীৰ পৰা পৰহি দাদাই টাইটানিকৰ চি, ডি, এখন আনিছিল।

: এ সেইখন স্মলস্ক্ৰীণত ভাল নেলাগে দে, হ'লত যেনেকুৱা এনজয় হয় ... ... .

: কেনেকুৱা টেকনিক্ বনাইছে ন ! আৰু সেই পেইন্টিং কৰি থকা চিনটো যে .. ... ...

: ঐ শ্ৰুতি, মাধুৰ্য্যদায়ো ভাল আৰ্ট কৰে। তয়ো নহলে তেনে এখন ... .......

: ধেৎ ... ... ..

আটাই কেইজনীয়ে সশব্দে হাঁহি-হাঁহি মুহিবুল মাষ্টৰৰ ওচৰেদি পাৰ হৈ যায়।

মাষ্টৰে ৰাস্তাৰ দুয়ো কাষৰ দোকান, চাইনবোর্ড আদি চাই গৈছে। মাজে মাজে কোনোবা ডাক্তৰৰ চেম্বাৰ দেখা যায়। কিন্তু ডাঃ ইৰফানৰ চেম্বাৰ তেওঁ বিচাৰি পোৱা নাই। অথচ এইখিনিতে কৰবাত থকাৰ কথা কৈছিল। ইফালে সিফালে দৃষ্টি ৰাখি মাষ্টৰে এইবাৰ এটা নতুন উপপথেৰে সোমাই পৰিল। হঠাৎ মাষ্টৰৰ সন্মুখত বহু কেইখন গাড়ী ৰৈ গ'ল। পুলিচে গাড়ীবোৰ সাময়িক ভাবে ৰখাই থৈছে। এটা কৃত্ৰিম যানজ'টৰ সৃষ্টি হৈছে। গাড়ীৰ খিৰকিৰে আৰোহীবোৰৰ মুখ দেখা গৈছে। মুহিবুল মাষ্টৰৰ কাৰোবাক ডাঃ ইৰফানৰ চেম্বাৰৰ বিষয়ে সুধিবৰ মন গৈছে। অথচ নতুন এক পৰিবেশত মানুহজন ভিতৰি-ভিতৰি সংকুচিত হৈ পৰিছে। ৰৈ থকা মাৰুতি এখনত দুজন ভদ্ৰলোকে কথাপাতি আছে। মাষ্টৰে সেইপিনে আগবাঢ়ি গ'ল ·· ··· ···

ঃ গতিকে বৰুৱা আমি কব পাৰো যে কনজিউমাৰিজিম্ যদি বিশ্ব পুজিবাদী শোষণৰ এখন আৱৰণ হয় তেনেহলে Post Modernism বা উত্তৰ আধুনিকতাবাদ এই কনজিউমাৰিজিমৰ মতাদর্শগত প্ৰতিধ্বনি! নে কি কয়?

ঃ অ একেবাৰে সঁচা, কিয়নো আজি বজাৰত নিত্য নতুন ভোগ্য পণ্যৰ অভিনৱ ডিজাইন বা বেহৰূপে গ্ৰাহক বা উপভোক্তাক মতলীয়া কৰি ৰাখিছে। উত্তৰ আধুনিকতাবাদে বজাৰৰ পণ্যদ্ৰব্যৰ অস্থায়ী কিন্তু মাদকতাময় উপভোগৰ আদর্শ বিয়পাই দিছে মানুহ সম্পৰ্কীয় শিল্প সাহিত্য আৰু চিন্তাৰ ক্ষেত্ৰলৈ। Post Modernism ৰ প্ৰৱক্তাসকলে কব খোজে যে ·· ··· ··· ····

ঃ অনুগ্ৰহ কৰি ডাক্তৰ ইৰফান হবিবৰ চেম্বৰ কোন খিনিত কব পাৰিবনে? দুয়োজনৰ কথোপকথনত ব্যাঘাত জন্মাই এক বিনীত ভংগীৰে মুহিবুল মাষ্টৰে প্ৰশ্ন কৰিলে। মানুহ দুজন যেন যথেষ্ট বিৰক্ত হ'ল।

ঃ ছৰি উই হেভ ন আইডিয়া।

মুহিবুল মাষ্টৰে যানজ'টৰ মাজেৰে আগবাঢ়ি চাৰিআলিৰ দোমাজাটো পালে। বাওঁফালে কেকুৰিটো পাৰ হৈয়ে তেওঁ ডাক্তৰ ইৰফানৰ চেম্বাৰটো পাই গ'ল। মাষ্টৰে স্বস্তিৰ নিশ্বাস পেলালে।

প্ৰায় বিশ-পঁচিশজনমান ৰোগীয়ে দীঘল বাৰান্দাখনত অ'ত-ত'ত বহি ডাক্তৰৰ বাবে অপেক্ষা কৰি আছে। মুহিবুল মাষ্টৰে পোনে পোনে ডাক্তৰৰ কোঠাৰ মুখত থিয় হ'ল। ভিতৰলৈ সোমাই যাব খোজতেই বাধা দিলে কর্মচাৰী এজনে। ইমান মানুহ অপেক্ষা কৰি আছে! তেওঁ তেনেকৈ সোমাই গলেই হবনে? মাষ্টৰৰ লগত কর্মচাৰীজনৰ বাদানুবাদ চলি থাকোতে ডাঃ ইৰফান কোঠাৰ পৰা ওলাই আহিল। ভৰিৰ পৰা মুৰলৈ মাষ্টৰৰ অথর্ব শৰীৰটো নিৰীক্ষন কৰিলে। ভ্ৰুকুঞ্চিত দৃষ্টিৰে অলপ আবেগ অলপ আশ্চর্য্যৰ অভিব্যক্তিৰ লগত উত্তাপহীন ভক্তিৰ এক মিশ্ৰণ মুখমণ্ডলত বিয়পাই ডাক্তৰে তাহানিৰ মুহিবুল চাৰক সম্ভাষণ জনালে। মাষ্টৰে কিবা কৰলৈ মুখমেলোতেই "অলপ জিৰণি লওক চোন" জাতীয় কিবা এষাৰ কৈ ডাক্তৰে তেওঁক বাহিৰৰ চকী এখনত বহুৱাই দি খুউব ব্যস্ততাৰে পুনৰ নিজৰ কোঠাত সোমাই পুনৰ ৰোগী চোৱাত লাগিল।

বহু সময় পাৰ হৈ গ'ল। মুহিবুল মাষ্টৰ বহি আছে। তেওঁ ৰাতিপুৱাৰ পৰাই একো খোৱা নাই। তেওঁৰ সন্মুখেৰে ডাক্তৰ ইৰফান খুউব ব্যাস্ততাৰে কৰবালৈ গাড়ীৰে ওলাই গ'ল। এক ঘণ্টা পিছত ঘূৰি আহি মাষ্টৰৰ আগেদিয়ে পুনৰ কোঠাত সোমাই ৰোগী চোৱাত মনযোগ দিলে। মাষ্টৰৰ কথা হয়তো পাহৰি গ'ল ডাক্তৰে। পুৰণি চিটিজেন ঘড়ীটোলৈ লক্ষ্য কৰি মাষ্টৰে জাপ মাৰি উঠিল বহাৰ পৰা। ঘৰলৈ যোৱা শেষ গাড়ীখন চাৰি বজাত। গুৱাহাটীৰ এই মূৰৰ পৰা আদাবাৰী বাছ আস্থানলৈ চিটি বাছেৰে আহি তেওঁ যেনে তেনে নির্দ্দিষ্ট গাড়ীখন ধৰিব লাগিব। তেওঁ আৰু ৰৈ নাথাকিল। এক নামহীন বিষাদেৰে মুহিবুল মাষ্টৰৰ দেহমন এতিয়া ভাৰাক্ৰন্ত বহু আশা কৰি আহিছিল একালৰ প্ৰিয় ছাত্ৰজনৰ ওচৰলৈ। আশা ভংগৰ বেদনাই তেওঁৰ চকুহাল সেমেকাই তুলিলে। এখোজ দুখোজকৈ তেওঁ ডাঃ ইৰফানৰ চৌহদৰ পৰা ওলাই ৰাজপথলৈ ওলাই আহিল। মুখৰ ভিতৰত "ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন" বুলি বিৰবিৰাই ক্ৰমে ওচৰ চাপি অহা চিটিবাছখনৰ পিনে দুর্ব্বলশীর্ণ বাওঁহাতখন প্ৰসাৰিত কৰি দিলে। প্ৰচণ্ড হতাশা আৰু ভোকে পিয়াহে লেবেজান মুহিবুল মাষ্টৰে জুন মাহৰ প্ৰচণ্ড ৰদৰ উত্তাপত ভাৰসাম্য ৰাখিব নোৱাৰি ৰাজপথতে অচেতন হৈ বাগৰি পৰিল। আহি থকা চিটিবাছখনে প্ৰচণ্ড শব্দৰে ব্ৰেক মাৰি সাম্ভাব্য এটা দুৰ্ঘটনাৰ পৰা হাত সাৰিল।

বহু সময় পিছত মুহিবুল মাষ্টৰে যেতিয়া টোপনিৰ পৰা সাৰ পালে তেতিয়া তেওঁ নিজকে আবিস্কাৰ কৰিলে এটি সৰু কোঠালিৰ বিচনা এখনত; ভৰিৰ ফালে এমুখ ডাড়িৰে খীন চেহেৰাৰ চল্লিশ বছৰ মান বয়সৰ এজন ডেকা ল'ৰা।

লাহে লাহে মুহিবুল মাষ্টৰে জানিব পাৰিলে কেনেকৈ তেওঁৰ অচেতন দেহাটো তাহানি তেওঁ পঢ়োৱা বহু অখ্যাত, অজ্ঞাত ছাত্ৰৰ মাজৰ এজন ছাত্ৰ যি সেই বাছখনৰ ড্ৰাইভাৰ, আথে বেথে ৰিক্সা এখনত উঠাই লৈ; গাড়ীৰ দায়িত্ব অইন এজনক দি পোনে পোনে সি থকা সৰু ভাড়া ঘৰটোলৈ আনি বিচনাত শুৱাই ডাক্তৰ এজনৰ হতুৱাই আৰোগ্য কৰি তুলিছিল।

এনেয়ে মুহিবুল মাষ্টৰৰ এৰি অহা অতীতৰ প্ৰতি কোনো আকর্ষণ নাছিল। আজি কিন্তু তেওঁ তেওঁৰ এৰি অহা কর্মময় অতীতটোলৈ এবাৰ ভুমুকিয়াবলৈ যত্ন কৰিলে। বয়সৰ বাবে তেওঁৰ এক প্ৰকাৰ স্মৃতি ভ্ৰষ্টতাৰ দোষে পাইছে। তথাপিও অতীত নামৰ এখন বহুদিন পৰিত্যাক্ত দূর্গম পর্ব্বতৰ এন্ধাৰ সুৰংগৰে এটি অতি মূল্যৱান বস্তুৰ অনুসন্ধানৰ বাবে খেপিয়াই খেপিয়াই প্ৰবেশ কৰি মাষ্টৰে এটা সময়ত ল'ৰাজনক যেন পুনৰ আৱিস্কাৰ কৰিলে। স্মৃতিশক্তি তেওঁৰ বৰ দুর্ব্বল। তথাপিও মুহিবুল মাষ্টৰ এক প্ৰকাৰ নিশ্চিত যে এই ল'ৰাজন ইৰফান ডাক্তৰৰ শ্ৰেণীৰে আছিল। ওচৰৰ গাওঁ এখনৰ পৰা পঢ়িব অহা ল'ৰাজন আছিল পঢ়া-শুনাত অত্যন্ত দুর্ব্বল। ইংৰাজীৰ ক্লাচত মুহিবুল মাষ্টৰৰ পৰা সি সদায় শাস্তি পায়। এনেকুৱা ছাত্ৰক তেওঁ অলপ অৱজ্ঞাৰ দৃষ্টিৰেও চায়। বহুদিন মুহিবুল মাষ্টৰে ল'ৰাজনক ইংৰাজী গ্ৰামাৰৰ ক্ৰিয়াৰ কালৰ ৰূপ শুদ্ধকৈ কব নোৱাৰাৰ বাবে স্কুলৰ চোতালত প্ৰখৰ ৰ'দত আঠুকঢ়াই ৰাখিছিল। ভাৱ লেশহীন মুখৰ ল'ৰাজনে বিনাদ্বিধাই নির্বিকাৰ ভাৱে মাষ্টৰে দিয়া সকলো শাস্তি মানি লৈছিল। তথাকথিত আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ অসমর্থতা সত্বেও কি সংগোপনে আৰু সযত্নে তাৰ হৃদয়ৰ এক নিভৃত চুকত মাষ্টৰৰ প্ৰতি সঞ্চিত কৰি ৰাখিছে এক নির্ভেজাল ভক্তি আৰু সহৃদয়তা! অথচ প্ৰৱল অহামিকাবোধ আৰু ভুৱা আভিজাত্যৰে ইৰফানৰ দৰে উচ্চ শিক্ষিত এজনৰ এনে মানৱীয় গুণৰ কি দৈন্যতা। জীৱনৰ অর্দ্ধেক সময় অতিক্ৰম কৰি আজিহে মাষ্টৰৰ এই নির্মম উপলব্ধিটো হ'ল। মাষ্টৰৰ সকলো খেলি-মেলি লাগি গ'ল। সমস্ত শিক্ষক জীৱনৰ সার্থকতা আৰু কৃতিত্ব সম্পৰ্কে তেওঁ সন্দিহান হৈ উঠিল। ইমান দিনে প্ৰৱল এক আত্মতুষ্টিৰে নার্চিচাছৰ দৰে নিজৰ শিক্ষক জীৱনৰ সার্থকতা আৰু কৃতিত্বক লৈ ভিতৰি ভিতৰি যি এক গৌৰৱবোধ কৰিছিল আজি পোন প্ৰথমবাৰৰ বাবে মুহিবুল মাষ্টৰে সেই সকলোবোৰকে এক অপৰিমেয় আত্ম প্ৰৱঞ্চনালৈ পর্য্যবেশিত কৰিলে। ওচৰত ৰৈ থকা প্ৰাক্তন ছাত্ৰজনৰ প্ৰতি এক ক্ষমাহীন অপৰাধবোধ আৰু কৃতজ্ঞতাৰ মিশ্ৰিত অনুভূতিৰে মাষ্টৰৰ চকুহাল ক্ৰমে বষ্পাকুল হৈ আহিল। OO

# NABAJYOTI COLLEGE MAGAZINE

## ENGLISH SECTION

LEARN, LABOURE, SERVE

**Year— 1998-99**



## সম্পাদনা সমিতি




*বহি থকা সকল (বাওঁফালৰ পৰা) ঃ* ড° এম. শ্বাহাজামাল শ্বেইখ (তত্ত্বাৱধায়ক), অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ (সভাপতি), শ্ৰীযুত ঘনশ্যাম ভৰালী (সদস্য)

*থিয় হৈ থকাজন ঃ* স্বাজাহান আলী (সম্পাদক)

*অনুপস্থিত ঃ* দেৱান আব্দুল গফুৰ (তত্ত্বাৱধায়ক), শ্ৰীযুত যোগেন্দ্ৰ ঝা (সদস্য)

# ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক/বিষয়ববীয়া সকল (১৯৯৮-৯৯)



প্ৰথম শাৰী ঃ— এম, নজমুল হক (তত্ত্বাৱধায়ক, ছাত্ৰ একতা সভা), এম, মতিয়াৰ ৰহমান (তত্ত্বাঃ সংগীত আৰু সাংস্কৃতিক বিভাগ), দেৱান আব্দুল গফুৰ (তত্ত্বাঃ আলোচনী বিভাগ), ড° ছোলেমান মণ্ডল (তত্ত্বাঃ ছাত্ৰ জিৰণি কোঠা) ড° এম. শ্বাহাজামাল শ্বেইখ (তত্ত্বাঃ আলোচনী বিভাগ)।



দ্বিতীয় শাৰী ঃ— আবুল কাশেম দেৱান (তত্ত্বাঃ গুৰু খেল বিভাগ), আশীফুল হক (তত্ত্বাঃ লঘু খেল বিভাগ) সুশীল কুমাৰ সৰকাৰ (তত্ত্বাঃ সংগীত আৰু সাংস্কৃতিক বিভাগ), ছেৰাফিমা আহমেদ (তত্ত্বাঃ ছাত্ৰী জিৰণি কোঠা) আৰু আব্দুল খালেক (তত্ত্বাঃ শৰীৰ চৰ্চা বিভাগ)



তৃতীয় শাৰী ঃ— ছফিকুল ইছলাম (উপ সভাপতি), স্বাজাহান আহমেদ (সম্পাদক, আলোচনী বিভাগ), গোলাম মুস্তাফা (সম্পাদক, তৰ্ক আৰু আলোচনী বিভাগ), ছৈয়দ বাহাৰুল ইছলাম (সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ) আৰু গোলাপ হুছেইন (সম্পাদক, শৰীৰ চৰ্চা বিভাগ)



মইনুল হক আকন্দ
বৰ্ষটোৰ শ্ৰেষ্ঠ গায়ক

চতুৰ্থ শাৰী ঃ— দুলেনা বেগম (সম্পাদিকা, সমাজ সেৱা বিভাগ), আৰু নবিৰণ নেছা (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা)

NABAJYOTI COLLEGE
Estd. 1971
Dist Barpeta

# THE RECKLESS RACE

*A. S. Ahmed*
Principal.

There is no lack of enthusiasm to participate in the race of the developmental activities of the people living at and around Kalgachia. The developmental activities pertain to education, culture, small scale industry, business and commerce, service, and labour. Brief illustrations of the above noted resorts of the people, more precisely the neo-Assamiya (?) People will provoke thoughtful jesture among the intellectual sections belonging to this distinctly featurd neo-Assamiya group.

The characteristic features of this section of people living in different parts of Assam are more or less the same. Though their life-style during some decades ago was identical it has changed to a great extent, and has assumed similarity with that of the original Assamese people. This change is evolutionary and steps towards assimilation have started.

After much struggle for existence this section of people have impact upon them, of education, culture, business, commerce, industry and agricultural production.

A tremendous encouragement is discerned among the young generation of this section of people for acquiring higher education with prime aim of getting govt. jobs which are acts of building castle in the air. Getting education in science and technology in job oriented specialisations, although have

prospects, only a few guardians can afford to give them education in relevant fields. However, the educated unemployed must not cry in the wilderness of unemployment problem. They have to be led to proper directions. I do not think that in the rural sectors where employment generation opportunities are abundantly lying in dormant state, rural boys and girls are to be disappointed every day. There is of course want and that is the want of impetus for mobilizing the unemployed boys and girls for works. And this must be done by intellectually political leaders. Motivation is prerequisite for such a venture.

Education should illuminate people to lead life intellectually and decently free of economic crisis. If a crisis free life is to be led, there must start in the region green revolution, commercial revolution, labour and industrial revolutions. If the revolutions in expected nature can be started, man power would be necessary, production will increase and problem of employment would minimise. Industriousness will be the call of the hour. Crisis for living decent life will lower down spontaneously. Why is then hankering after govt. jobs and getting disappointed ?

So far as agricultural productivity is concerned. The young generations must have habit of engaging themselves in higher rate of production. The deficit area in food must be turned into a surplus area. The impetus for this kind of revolution should be initiated by the educated section.

Trade and commerce have so high a prospect during this days that 80% of people living in the rural areas in the country need not go up to the towns and cities for our essential and luxurious commodities. How much have we improved our trade and commerce or business ? How many of our young boys and girls are engaged in our localities. Don't we have employment opportunities ?



Engagements in cultural activities and labour need encouragements. The poor section or landless section of the people must not feel downtrodden. A society without cultural heritage is like a whirl wind which vanishes elsewhere. A good society is replete with wealth, culture, intellect, enlightenment opportunities and entertainment provisions. A sound economy is at the root of all the opportunities a society need.

Small scale industries like vehicular garrages, iron and plastic goods manufacturing workshops, bamboo and wooden goods manufacturing industries and the industries relevant to agricultural products must be set up in the leading selected areas in every constituency. Segments to usher in employment opportunities, on the one hand, and availability of essential goods in the area on the other.

To do all these in a planned manner a group of social workers with sacrificing attitude will have to come forward to give impetus to the people to set new order in economic change.

The race we have participated in seems to be reckless. We have been giving education to the young ones without specific objective. We have been digging tanks after tanks without least bit of thought whether the area dug will yeild more fish-food that paddy. We have been sharing patriarchal land property and building houses to live independently without pondering the consequences that after 50-60 years our posterity will have no place to lie on. There is a need of awareness and foresight edtessness of our people to stop all this recklessness. Now who is to bell the cat ? It is the teaching community from College to L. P. School level which are to bell the cat. The maxim that ' live and let live ' must be replaced by 'live and help live'. Teacher community and a few govt. officers and employees of

our area the number of which can be counted on finger points will have to think deeply about how not only they but also the poor of our community lead decent lives. To lead life tasting all kinds of sophistications and amenities without any service to the society is meaningless and we are not worthy of being addressed as intellectuals.

## Pollution

Hayet Ali
H. S. 2nd year (Sc.)

Pollution ! Pollution ! Pollution !
What a nuisance is Pollution !
Yet nobody is so serious.
Where is the main Pollution ?
Pollution in air, Pollution in water
Pollution in heaven, Pollution on earth,
Poltution in feeding, Pollution in breeding
Pollution has invaded human heart too,
It is much deadlier than all other Pollutions,
That attack people as the militants,
Man's heart ridden with ervelty and hatred,
Which destroys thousands national progress
When you come into its ken,
You are sure to fall its prey;
It is easy to control the first type of Pollution,
Is there any way to control the next ?



# QYAMAT
# THE ULTIMATE DESTINATION

DR. M. S. SHEIKH
Sr. Lecturer, Deptt. of Zoology.

Earth is one of the most fascinated creations of Almighty Allah with numerous miraculous network of interactions among living and non-living beings. In this planet life found to exist within the range of about 10 kms vertically in the atmosphere, 10·7 kms depth into ocean and 7 kms into surface. This limit of earth is termed as biosphere. Where the role of men is tremendous as they can exploit right from the micro-organisms to the giant mammals or the human itself. The outcome of this role is either detrimental or raises the competition in inter and intra specific level for shelter, food, reproduction and survivality. These attitudes along with environmental factors creates the diversity of animals and plants that are directly or indirectly responsible for evolution or adaptation of organisms During this long course the phenomena like community succession, speciation etc. Occur almost every corner of this green globe.

As we all know from the geological evidences that our solar system originated about 4500 myrs ago. The life originated probably about 3500 myrs ago. The photosynthetic plants originated about 2000 myrs ago. The ocean becomes full with complex lives about 570-470 myrs ago. About 200 myrs ago complex ecological webs were originated and thereafter about 100000 years ago the *Homo sapiens* originated. About 60,000 years later than origin of *Homo sapiens* the modern man *(Homo sapiens)* originated.

The Sun was 75% less hot and bright at the time of its origin. But the ocean was with liquid water due to green house effect. At present the average temperature of earth is +15°c. If there is no green house effect the average temperature of earth would be −18°c where no life can survive.

During the last ice age (100000 to 3500 years ago) the earth was several degrees colder than today and the sea level was about 100 meteres low than today. Also the level of $CO_2$ and $CH_4$ was too low than at present.

From the above facts it can be assumed that with the increasing earth's temperature the amount of liquid water, $CO_2$ and $CH_4$ also increasing gradually. Subsequently life becomes more and more compli cated with more adaptive radiations that inturn leads to evolve newer and newer species but lose many of them creating an imbalance in the ecosystem.

In a balanced ecosystem all living organisms shared the energy as per their trophic levels. An imbalance of which leads the animals to radiate. Thus from a pentadectyle ancestor arises the terrestrial, cursorial, fossorial, arborial, aquatic and amphibious mode of adaptations in the mammals, for example. Each time either they are evolved or forced towards extinction.

Whatever may not be the changes of climatic conditions either due to increase of hot and brightness of sun or by the detrimental functioning of the human through over exploitation, industriali sation, deforestation, colonisation and reproduction there is crisis of over all energy. It is easier for the human to exploit the terrestrial energy level from where they can invade air, water and inside the earth's crust with in the biosphere. For this human activity the earth is either losing some of floral and



faunal species or producing some resistant varieties including himself to cope with the drastically changing environment along with the phenomenon of green house effect.

A day will come where there will be more water resources with full energy rich components. At that time man will gradually radiate towards aquatic habitat for food, shelter and reproduction and will adapt themselves with the aquatic environment and thus will be the origin of aquatic human species the *Homo sapiens aquatica*. This human race will not return to the land because of the energy or food crisis on the land as they will get more and more energy or food in the water.

Now when there will be more and more heat radiated by the sun and due to subsequent green house effect all the ice of the earth crust will melt and the whole earth will be submerged in water. This can be treated as the golden age of *Homo sapiens aquatica*. Could we term this as Qyamat (Mahapralaya) or the indepth truth of the Holy Quran? If it is true then as per the rule of Qyamat gradually the sun will come in contact with the earth's surface. Will it be possible ? Various scientific studies have revealed that infuture the sun will expand hugely with the phenomenon of Helium conversion and will come incontact with the earth. If it is true then Qyamat will also be a well established fact.

Now, the question is that, how can the *Homo sapiens aquatica* will survive? Are they will be able to resist the circumstances as per the rule of resistance? At this situation there will be vigorous rise of temperature and water will enter into the plasma stage it will produce electrons from hydrogen and oxygen ions. This will be again energy rich media as readymade and ultimate stage of energy to run a life. Because whatever we eat in the form of carbohydrate, protein and fats break down and enter into

the TCA cycle, produces electrons which enters into the respiratory chain and give energy to conduct the life activities. This can be possible because a man with naked body can easily move on uniform fire without any burning. If so then *Homo sapiens aquatica* will be the luckiest person to have the Behest ( Jannat or Heaven )

If it is not possible then we cannot deny or neglect the possibility of Qyamat, because of the fact that origin of life it self is a miraculous phenomenon. If a cell can produce germ cells, two germ cells can unite to form a zygote to an embryo to a baby to an adult by aquiring different elements from nature with the help of parents during embryonic conditions and himself later on which after death breakdown by the magical roles of the micro-organisms to the original elemental states. Then there is every possibility of reunification of elements to form exact copy of the past human to get new life in the plasma environment to form another new human race the *Homo sapiens aquatica plasmica* the real inhabitant of the Bahest. Where there will be no shortage of food, neither will need to defaecation. The energy will provide by the electrons of the plasma environment. Everybody will be everjuvinated. They will be very fast moving with their soular state so that the high temperature will be unable to burn them.

The existance of Qyamat can also justify by the phenomenon that all population increases either by 'S'—shaped or 'J'— shaped growth forms. At the begining growth rate is very low due to adaptation with the climate but thereafter the population grows exponentially and then falls to zero. The 'S'—shaped growth is more persistance than 'J'—shaped growth. Both the growth forms are environment dependent. In



high resist unfavourable environmental conditions the natality becomes equal to mortality of the population. In other words when the environmental resistance will completely overwhelmed the biotic potential of the species than at that particular period "Qyamat" will come because on that day or period all human will die or unable to survive due to the adverse environmental resistance. Thereafter the reunification process can create the Bahesti human species the *Homo sapiens aquatica*.

Another human race may originate through the process of migration to extra solar systems when there will be no food in the earth or the climate of the earth will be anti life. At that unfavourable conditions practically it will be impossible for human to survive in the earth. But due to the development of extraordinary high tech sophistication they will be able to invade in other star systems having favourable conditions for life. In other words when solar system will be colapsed by the formula of "Qyamat" as found in religious descriptions the super human will shift their colony from earth to the planet of extra solar systems accordingly they will adapt there to form another new species. That super human species can be designated as *Homo sapiens suprima starica*.

That human race may find heavenly or hellish climate. But for each and every change we have to wait for a very very long period say millions of years. ● ● ●



# LAND

*Shahidul Islam*
H. S. 1st year (Sc.)

It is my brother's land
Because brother is as
My father.
It is my sister's land
Because sister is as
My mother.
It is my lover's land
Because lover is as
My lives cover.
It is my teacher's land
Because teachers are as
My father.
It is my friends land
Because all of the things of earth are
My own friend.
Land Land Land
Land is my friend.





# Utility of Copper and its biological role.

*A. H. Mustaque*
Lecturer, Deptt. of Chemistry.

The growth of human civilization from pre-historic days depends largely on the type of materials. People have been able to develop during that era. Depending upon the types of materials developed, human civilization has been divided in to different ages. Such as stone age, bronze age and iron age. In bronze age people learnt how to prepare bronze be fusing ochres of copper and tin.

With elaps of time advanced techniques have been acquired, by man which enable them to extract pure metal from ochre. The metal copper is widely distributed in nature as sulphide, arsenide, carbonate, chloride and so on. It is a characteristic red colour metal with high maleability and ductility. It is one of the most essential metals.

Owing to its high thermal and electrical conductivity copper is extensively used in electrical industry and because of inertness it is also used in making water pipe and household utensils.

Besides brass and bronze over one thousand different alloys of copper being used in our day to day life. Several copper compounds being used in agriculture as germicide, fungicide and pesticide all over the world.

Bordeaux mixture is basic copper hydroxide made from copper sulphate and calcium hydroxide and is widely used as an important spray for preventing fungal attack on potato leaves (potato blight) and it is also used as spray in virus. Paris green is an important insecticide made from copper acetate arsenic oxide and acetic acid.

Widespread use of copper and copper compounds accumulates copper in environment rendering the latter polluted. From the environment copper gets into our food chain as well as into biological system.

Copper is essential for life as it is incorporated in several enzymes, An adult body requires 4 to 5 mg. of copper in daily life. Deficiency of copper in human being, rare as a very poor food can provide enough copper for human need. But deficiency in animal result in inability to use stored iron in liver and suffer from anaemia.

The metalic copper bound to protein in the body either as metaloprotein or as enzyme which includes various oxidase and blue proteins, such as amino oxidase, ascorbate oxidase, cytochrome oxidase and galacto oxidase.

Copper affect the elasticity of aortic wall and it is also important for normal functioning of brain pigmentation of skin and metabolism of iron.

Excess amount of copper in our body is toxic and cause hyper cupremia. The excess amount being stored in kidney, liver and brain cause a disease called wilron's disease in which there is full of Plasma cerulo plasmin, because of increase of copper in liver and brain leading to neurological disterbance and hepatic damage.

Hyper cupremia may result from intaking food prepared in copper cooking vessels which associated with several acute and chronic infections; such as leukaemia, Hodgkin's disease, severe anaemia, myocardial infarcation and hyperthyroidism.

The estimated amount of copper in an adult body is found to be between 100 to 150 miligram.



# WHAT IS INTERVIEW ?

*Norul Alam*
T. D. C. Final yr. ( A )

Interview- An Art : Interview is an art and has to be cultivated and developed carefully. A successful interview means a prosperous career. Many candidates take their interview very lightly and donot make any preparation for it whatsoever. This neglect often costs them dearly. In the following pages, there are some specific illustrations the art of successful interview.

Scope : The interview has become an essential art of every competitive examination. Much can be learnt about a man in a fifteen minute interview than through examinig many answer papers he may submit in different subjects. The interview calls forth all the faculties of human personalities.

Objective : The main objective of an interview is to discover whether a candidate has mental alertness, initiative, self- confidence, etc.

SOME DON'TS

1. Donot Bluff : It is always a wrong practice to bluff. The interviewee should never forget that the members of the board of interview are well read, accomplished and experienced people who seldom make a mistake in judging the real worth of the candidate. It is therefore, suggested that the interviewee should be as frank, truthful and sincere as possible.

2. Don't try to Flatter : Don't try to flatter the chairman or any other member of the board. Flattery is a fine art, but very few people

know how to catch the fancy of another person successfully. In most case, a flatterer only embrasses and even irritates the other person.

The interviewers, as it has been said, find that the interview is the most quickly searching means of discovering the traits and qualities of the interviewee; bearing this in mind, the later must be on his quards. At any kind of interview, with a board of selectors or with an employer, the moral to be pointed out is the same; the interview is not the test of intellect so much as it is the revelation of the mind and character of the candidate.

3. Don't speak too fast : Interviewees are advised not to speak fast in the course of an interview. Every word must be well pronounced and distinctly spoken. The use of slangs or colloquial should be completely avoided. Sentences should be brief and concise.

a) First, carefully watch the sitting and the manner of starting the first sentence; if the speaker starts well, he will naturally continue well.

b) Use plain and simple words. By doing this, there will be a minimum of error in correct pronounciation.

c) Imperfect quotations lead to confusion in speech; the hesitation involved results in linguistic handicaps. In other words, where there is sincerity, speeches follow naturally.

d) Each person must develop his own method of speaking. It is fatal to initate any body elses style. It is better to speak a few words correctly than a volley jargons.

4. Don't be Rude : Politeness always pays in life, particularly at the time of interview. Unable to answer a few consecutive questions, some candidates lose their temper and ever become rude. This is fatal as it ruins the career of the candidate.

An illustration: –

Chairman : " Do you remember the date on which the ceasetive



between India and Pakistan during the 1971 Indo-Pak conflict took place ?

Candidate : I don't, and I am sure that no intelligent reader of newspapers is ever able to memorise the dates of the ceasefire. After all, this is not a test of man's ability.

Chairman : What would you do to assist a man blown off by a bomb ?

Candidate : Wait till he comes down.

Chairman : What muscles should I put into action to knock you down for that silly answer ?

Candidate : The muscles of my right arm, for I shall knock you down in turn.

Of course, this sort of situation does not arise quite frequently. Yet interviewers with experience tells us that it has happened occasionally—with disastrous results of the interviewee. But the interviewer has profited by such experience. He has got to know his man. That man may have obtained top grades in his written examinations. What do you think he should get in such an interview ? It requires little imagination to answer this.

5. Don't Feel Nervous :—

Even though every interview is vital occasion, it should not be taken too seriously. Most of the candidates feel extremely self-conscious and nervous a little before the interview. They brood much over the occasion; trying to calculate their chances of success. All this makes them a little abnormal and they are unable to display their natural qualities before the board. They stammer and fumble in speech, look pale and scared and behave even awkwardly and shabbily in and out of the interview room. It is, therefore; very essential that, as far as possible, the interviewees should keep their minds of the experience they are going to pass through. The motto of every interviewee should be, "Hope for the best but except the worst."

6. Don't Dress Foppishly: Be Natural :—

Dress is an important part of human personality. It often reveals our tastes and temperament. It is, therefore, very essential that we should dress carefully. Before the partition of the country, no candidate in national dress— "Dhoti and Kurta" could have any chance of success at a public service interview. Times have, however, changed now. National dress is no more taboo. But this does not imply that the interviewee should be dressed shabbily and in loose clothes. The important point to remember in this case is that the clothes should be neat and well-ironed, enabling the candidate look smart and tidy. No hard and fast rules can be laid down about dress. It may be European or Indian.

7. Don't Talk too Much :

Stick to your point of view. It is unwise to be loquacious at the time of interview. Speak concisely, lucidly and keep to the main point. Once you have indicated your attitude or approach towards a problem, stick to your point of view. A successful interviewee is supposed to have a marked individuality of his own. He is not the type to agree with every one's views, right or wrong. He is supposed to have his own preferences, ideas and even prejudices. If a candidate tries to agree with the chairman's view in every matter, he is most likely to present himself as an unimpressive yesman, without any views of his own. It must, however, be remembered that the point of disagreement or differences must be expressed politely. The interviewee should not be rude in expressing his views.

You must sit erect— but not stiff necked; be calm and self possessed when the interview is going on, you must begin to give answers slowly and steadily to the



interviewer, looking towards him face to face, like man to man, and not like a shy young boy or girl with eyes downcast as if he or she is sitting before a marriage spouse, blushing profusely.

Unless you come quite unprepared and not able to give intelligent answers even to simple questions, the questions will not be odd or such that you or any of you fellow candidates cannot answer. They are always upto the standard of attainment of the candidates and mostly related to the post applied for. Often they are very common place, and they are put to judge the intelligence of the candidates. So, there should be no occasion for being an edge most of the time.

N.B.— With the help of "Current General Knowledge And Interviews."

Education is the reconstruction of experiences.

*John Dewey.*

# AFTER MY DEATH

*Md. Anower Hussain*
H. S. 2nd yr. ( Sc. )

After my death,
You will perhaps
Search me
Weeping every where !

But no where will you
Find me out !
And then
Standing lonely
Under the empty sky,
Sing—
The lonely song of sorrow.
May find me out
In that tune.



# নৱজ্যোতি মহাবিদ্যালয় ছাত্র একতা সভাৰ উপ-সভাপতিৰ বাৰ্ষিক প্ৰতিবেদন—

প্ৰতিবেদন লিখাৰ প্ৰাক্ মুহূৰ্তত আজি মই সচাঁকৈয়ে ভাৰিবলগীয়া হৈছো যে প্ৰকৃতাৰ্থত প্ৰতিবেদনত লিখিবলগীয়া কাৰ্য্য মোৰ দ্বাৰা হৈছে জানো! মানৱ মনে দুৰন্ত গতিৰে কাম কৰাৰ মানস ৰখাৰ দৰেই মোৰো তেনেকুৱা কিবা এটা কৰাৰ দুৰন্ত আশা আছিল। কল্পনাবোৰক বাস্তৱত ৰূপায়িত কৰাৰ যথেষ্ট প্ৰয়াস নকৰা নহয়। অৱশ্যে তাক নিৰ্ণয় কৰাৰ দায়িত্ব মোৰ নহয়, সেই দায়িত্ব ন্যস্ত থাকে "নৱজ্যোতি"ৰে জ্যোতিষ্মান সকলৰ হাতত।

১৯৯৮-৯৯ ইং বৰ্ষৰ বাবে ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ পদৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতেই আমি অনুষ্ঠিত কৰিবলগীয়া হৈছিল "মহাবিদ্যালয় সপ্তাহ"। অতি কম সময়ৰ ভিতৰত সীমিত পৰিকল্পনাৰে সমাপ্ত হোৱা "মহাবিদ্যালয় সপ্তাহ কিমান দূৰ সফল হৈছে সেয়া সুধীজনৰ বাবে এৰিছো। মহাবিদ্যালয়ত মোৰ পাঁচবছৰীয়া শিক্ষাকালত আমি পৰিচালনা কৰা "মহাবিদ্যালয় সপ্তাহ"টোতেই কিছু নতুনত্বৰ প্ৰভাৱ পৰা বুলি মই ডাঠি কব পাৰো।

মহাবিদ্যালয়ত অনুষ্ঠিত কৰা অনুষ্ঠানবোৰত আমি মাথো ৰং-ৰহইচ হে কৰিব বিচাৰো কিন্তু কোনেও মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতিৰ বাবে গঠনাত্মক কাম কৰিব নিবিচাৰে। কাৰণ আমি সমালোচনাহে কৰিব জানো, আত্মসমালোচনা কৰিব নাজানো।

উপ-সভাপতিৰ কাৰ্য্যকালত ছাত্ৰ জিৰণী কোঠা আৰু ছাত্ৰ একতা সভাৰ একোটি কক্ষ স্থায়ীকৈ নিৰ্মাণ কৰাৰ বাবে অধ্যক্ষ মহোদয়ৰ লগত কৰা আলোচনাৰ ফলশ্ৰুতিতেই আজিৰ নিৰ্মাণ ৰত " Students Day Home "।

ছাত্ৰী জিৰণী কোঠাৰ ভিতৰত এটি দমকলো পুতি দিয়া হয় সাধাৰণ সম্পাদকৰ একান্ত প্ৰচেষ্টাত। অৱশ্য মই কাৰ্য্যৰ খতিয়ান দাঙি ধৰিব বিচৰা নাই। মাথো বিচাৰিছো— "আহক, আমি ছাত্ৰ-ছাত্ৰীসকল শিক্ষা তথা কৰ্ত্তব্যমুখী হওঁ আৰু নিজৰ লগতে সমাজখনকো উপযুক্তভাৱে গঢ় দিওঁ।

মোৰ কাৰ্য্যকালত প্ৰতিটো দিশতে সু-পৰামৰ্শ দিয়া মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় তথা ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় আব্দুছ ছাত্তাৰ আহমেদ মহাশয়লৈ মোৰ আন্তৰিক শলাগ

যাচিছোঁ। বিভিন্ন বিভাগৰ তত্ত্বাৱধায়ক মহোদয় / মহোদয়াসকলৰ প্ৰতিও তেওঁলোকৰ সু-পৰিচালনাৰ বাবে আন্তৰিক ধন্যবাদ জনাইছো। সাধাৰণ সম্পাদক শ্বহিদুল ইছলাম প্ৰমুখ্যে আন সম্পাদক / সম্পাদিকা আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলে মোৰ প্ৰতিটো সিদ্ধান্ত তথা পৰামৰ্শ মানি চলাৰ বাবে তেওঁলোকৰ ওচৰতো মই কৃতজ্ঞ থাকিম।

শেষত যিসকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ তথা প্ৰচেষ্টাৰ ফলত আজিৰ এই মহাবিদ্যালয় স্থাপন হৈছিল তেখেতসকলৰ চৰণত সভক্তি নিবেদন কৰিছোঁ।

পৰিশেষত, মোৰ কাৰ্য্যকাল তথা এই প্ৰতি-বেদনৰ সমূহ ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি, 'নৱজ্যোতি'ৰ জ্যোতি প্ৰখৰতা বাঢ়ক তাৰেই পৱিত্ৰ মানস ৰাখি প্ৰতিবেদন সমাপ্ত কৰিলোঁ। ইতি—

জয়তু নৱজ্যোতি মহাবিদ্যালয়,
ছাত্ৰ একতা সভা।

শ্ৰদ্ধাৰে—

**ছফিকুল ইছলাম**
উপ-সভাপতি,
ছাত্ৰ একতা সভা।
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।
১৯৯৮-৯৯ বৰ্ষ।



# নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন

আৰম্ভণিতে ভাৰত পাকিস্থানৰ সীমা আন্দোলনত অসমৰ যিসকল বীৰ সৈনিকে দেশ ৰক্ষা কৰিবলৈ নিজৰ প্ৰাণ আহুতি দি শ্বহীদ হৈছে তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। লগতে শ্বহীদ আত্মাই পৱিত্ৰ স্থান পাবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। যিসকলৰ কঠোৰ পৰিশ্ৰমৰ ফলত গঢ়লৈ উঠা নৱজ্যোতি মহাবিদ্যালয়ত আমি উচ্চ শিক্ষা লোৱাৰ সুবিধা পাইছো আৰু লগতে মাননীয় অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, অধ্যাপিকাসকললৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। যিসকল ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোক ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদত নিৰ্ব্বাচিত কৰিছিল সেই সকলৈ মোৰ আন্তৰিক অভিনন্দন জনাই মহান সৃষ্টিকৰ্তাৰ ওপৰত নিৰ্ভৰ কৰি মোৰ ক্ষুদ্ৰ বছৰেকীয়া প্ৰতিবেদন লিখিবলৈ মৰমৰ কলমডাল হাতত তুলি ললে।।

ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদত থাকি মই এটা অভিজ্ঞতা লাভ কৰিলো যে খুউব কম সংখ্যক ছাত্ৰীয়ে খেল সমূহত অংশ গ্ৰহণ কৰে। এইটো শুভ লক্ষণ নহয়। যি কি নহওক আগলৈ সমূহ ছাত্ৰীয়ে খেল সমূহত অংশ গ্ৰহণ কৰিব বুলি মোৰ গভীৰ বিশ্বাস থাকিল।

মোৰ সকলো কাৰ্য্যত পৰামৰ্শ দি উৎসাহিত কৰা তত্ত্বাৱধায়িকা মহাশয়া ছাৰাফিমা আহমেদ বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। মোৰ সকলো কামত সহায় সহযোগ আগবঢ়োৱা অধ্যাপক এম, নজমূল হক, বান্ধৱী মিচ ৰহিমা খাতুন, মিচ তুলেনা খাতুন, মিচ মফিদা খাতুন, মিচ মিঠু পাৰবিন, মিচ আনোৱৰা খাতুন আদি সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু ভাল পোৱা থাকিল।

সদো শেষত প্ৰতিবেদনত নজনাকৈ বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু ছাত্ৰী সমাজৰ উন্নতি কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি—

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"
"জয় আই অসম"

**মিচ. নবিৰণ নেচা**
সম্পাদিকা,
ছাত্ৰী জিৰণি কোঠা।
ছাত্ৰ একতা সভা.
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

## নৱজ্যোতি মহাবিদ্যালয় ছাত্র একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই মই সেই সকল ব্যক্তিলৈ শত শত ছালাম আৰু ধন্যবাদ জনাইছোঁ, যি সকল ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত পশ্চিম বৰপেটাৰ কলগাছিয়াৰ নিচিনা তৃতীয়া অঞ্চলত গঢ়ি উঠে এটি উচ্চ শিক্ষাৰ অনুষ্ঠান "নৱজ্যোতি মহাবিদ্যালয়"। বৰ্ত্তমান সেই পুজনীয় ব্যক্তিসকলৰ যি সকল আমাৰ মাজত নাই তেখেত সকলৰ আত্মাৰ সদগতিৰ বাবে চিৰ শান্তি কামনা কৰিছোঁ।

ইয়াৰ লগতে আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, আৰু অধ্যাপিকা সকলক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। শৰীৰ চৰ্চা বিভাগৰ সম্পাদক পদৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিবলৈ সুযোগ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ তথা ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত বছৰৰ দৰে এইবাৰো মহাবিদ্যালয় সপ্তাহত শৰীৰ চৰ্চা বিভাগৰ অধীনস্থ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। ইয়াত অংশ গ্ৰহণ কৰি নিজা পাৰদৰ্শিতা দেখুওৱাৰ উপৰিও ব্যক্তিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীলৈ হিয়া ভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। এই বিভাগৰ সম্পাদক পদৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি মই এটা কথা লক্ষ্য কৰিছোঁ যে খুব কম সংখ্যক ছাত্ৰ ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে, তাতো তুলনামূলক ভাৱে ছাত্ৰতকৈ ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ। যিয়েই নহওঁক মই সমূহ ছাত্ৰ ছাত্ৰীলৈ অনুৰোধ জনাওঁ যাতে এই বিভাগৰ খেল সমূহত নিজা একাগ্ৰতাৰে তেওঁলোকে অংশ গ্ৰহণ কৰে। মোৰ কাৰ্য্যকালত গঠণমূলক দিহা পৰামৰ্শ দি সহায় কৰা তত্ত্বাৱধায়ক অধ্যাপক মাননীয় আব্দুল খালেক মহাশয় আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্বহিদুল ইছলামলৈ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ।

ইয়াৰ উপৰিও বিভিন্ন খেল পৰিচালনাত মোক সহায় কৰা মাননীয় আবুল কাশেম দেৱান মহাশয় আৰু শ্বেখ আহাম্মদ খানলৈ মোৰ শ্ৰদ্ধা, আৰু কৃতজ্ঞতা জনাইছোঁ। লগতে মোৰ বিভিন্ন কাম কাজত সহায় সহযোগিতা কৰা আমিৰ হুছেইন, জিয়াউৰ ৰহমান, মহিদুল ইছলাম তাৰু সহযোগ কৰা বান্ধৱী ৰুবিয়া খাতুন, মিচ্ মিনাৰা খাতুনলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল ক্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি আৰু নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনাৰে মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। খোদা হাফিজ—

প্ৰীতি আৰু শুভেচ্ছাৰে—

**মোঃ গোলাপ হুছেইন**
সম্পাদক, শৰীৰ চৰ্চা বিভাগ।
ছাত্ৰ একতা সভা।
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।



## নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

নৱজ্যোতি মহাবিদ্যালয়ৰ বিভিন্ন শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীৰ আশা আকাংখা পূৰণ কৰি তৰ্ক আৰু সুকুমাৰ কলা বিষয়ক মৌলিক প্ৰতিভা বিকাশৰ প্ৰতিশ্ৰুতিৰে উক্ত বিভাগীয় সম্পাদকৰ দায়িত্বভাৰ বহন কৰি বিগত শৈক্ষিক বছৰটোত কিমানখিনি সেৱা আগবঢ়াব পাৰিছো তাৰেই মূল্যায়ণ হিচাবে এই সংক্ষিপ্ত প্ৰতিবেদন লিখিবলৈ লৈছো।

পাতনিতে মই মোৰ সহকৰ্মী আৰু জ্যেষ্ঠ, কনিষ্ঠ সকলো সতীৰ্থৰ লগতে মাননীয় অধ্যক্ষ মহোদয় তথা সমুদায় শিক্ষাগুৰু সকলোক শ্ৰেণী অনুসাৰে মোৰ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

এইটো সকলোৰে জ্ঞাত যে আমাৰ পিছপৰা অঞ্চলৰ মহাবিদ্যালয়গনত খেল-ধেমালি, তৰ্ক, সুকুমাৰ কলা আদি বহিঃপাঠ্যক্ৰমিক কাৰ্য্যাৱলীৰ পৰ্য্যাপ্ত সা-সুবিধাৰ অভাৱ আছে। বিশেষকৈ আৰ্থিক দিশত এই অসুবিধা বেছিকৈ অনুভৱ কৰা হয়। তাৰোপৰি ৰক্ষণশীলতাৰ কঠিন শিকলি ছিঙি সকলো ল'ৰা-ছোৱালীৰ মুক্ত আৰু অবাধ অংশ গ্ৰহণ এতিয়ালৈকে সম্পূৰ্ণ হৈ নুঠাটো দুৰ্ভাগ্যজনক। তথাপিও সম্প্ৰতি এই দিশত হোৱা অগ্ৰগতি যথেষ্ট আশাব্যঞ্জক বুলিব পাৰি।

বিগত শৈক্ষিক বছৰটোত তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ দায়িত্ব বহন কৰিবলৈ গৈ সীমিত অৰ্থৰে যিমানখিনি কৰিব পাৰিছো সেয়া হয়তো ছাত্ৰ-ছাত্ৰীৰ চাহিদাৰ অনুকুলন কৰিব পৰা নাই। তথাপিও বছৰটোৰ কলেজ সপ্তাহত তিনিদিনীয়া কাৰ্য্যসূচীৰে উক্ত বিভাগীয় বিভিন্ন প্ৰতিযোগিতা আকস্মিক বক্তৃতা, কুইজ, তৰ্ক প্ৰতিযোগিতা আদি বিভিন্ন প্ৰতিযোগিতা পাতি ছাত্ৰ-ছাত্ৰীৰ নিৰংকুশ সহযোগিতা লাভ কৰা গৈছে। কলেজ সপ্তাহৰ ভিন্নমুখী আৰু ব্যাপক কাৰ্য্যসূচীৰ মাজতে মোৰ বিভাগীয় প্ৰতিযোগিতাবোৰ যথা সময়তে অনুষ্ঠিত কৰা হৈছিল। এই ক্ষেত্ৰত মোৰ সম্পাদকীয় সফলতা আৰু বিফলতা সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলোৰ বিচাৰ্য্যাধীন কৰিলো।

সদো শেষত, মোৰ কাৰ্য্যকালত সদায় বন্ধুত্বৰে সহায় আৰু পৰামৰ্শ দিয়াৰ বাবে বিভাগীয় তত্ত্বাৱধায়ক মাননীয় শিক্ষাগুৰু আঃ কুদ্দুচ আহমেদ চাহাবৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা যাচি মোৰ কাৰ্য্যাৱলীৰ ভূল ক্ৰুটিৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ সমাপ্ত কৰিলোঁ।

জয়হিন্দ—

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"

ধন্যবাদেৰে —

**গোলাম মস্তফা**
সম্পাদক,
তৰ্ক আৰু সুকুমাৰ কলা।
ছাত্ৰ একতা সভা, নৱজ্যোতি মহাবিদ্যালয়।

# ANNUAL REPORT

At the very outset I would like to convey my thanks to the students of the college who offered me the opportunity to serve as cultural secretary for the session 1998-99. I also express my gratitude to the honourable principal, respected teachers, non-teaching staff, friends and well wishers for their kind guidence during my tenure.

Music and culture is the real picture of civilization. A nation is recognised by their culture. Nation having rich and whose cultural heritage termed as civilized. In the advance country music & culture has a unique position in the education which not only develop the philosophy but also act as a vitality.

Hence students should be encouraged to take active part to make their own culture as strong as possible and to maintain national integrity. The culture reflects the social status including education, health, economy etc. which can be developed if and only we have refined practice in music & culture. Though it seens to violate the basic Islamic rules. Our college has many facilities but the quality production seens to be wanting. Hence I request the students to become dynamic in this scientific field of cultural heritage to build a new community.

My best regards to Hon'ble principal of this college & the in-charge professors M Motiur Rahman (G.M) and Sri. Susil Kr. Sarkar for their kind and meticulous suggestions to conduct the college week very smoothly.

Lastly I beg pardon for any sort of known and unknown mistakes as a secretary of music & culture.

" Long live Nabajyoti College "

With thanks—
*Sayed Baharul Islam*
Secretary
Music & Culture
S. U., N. J. College, Kalgachia



# নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম আৰু জাতীয় মুক্তিৰ হকে আত্মবলিদান দিয়া জ্ঞাত-অজ্ঞাত ব্যক্তিসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে নিৰ্য্যাতিত সকললৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰি প্ৰতিবেদনৰ শৰাই আগবঢ়ালোঁ।

১৯৯৮-৯৯ বছৰটোৰ বাবে নৱজ্যোতি মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাবে মোক নিৰ্ব্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ আগবঢ়োৱাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এইবেলি মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনাখন সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগত মহাবিদ্যালয় চৌহদত এখন সৰু ফুলৰ বাগিচাৰ কাম আৰম্ভ কৰা হৈছে। ইয়াত বহু ছাত্ৰ-ছাত্ৰীয়ে অতি নিষ্ঠাৰে শ্ৰম দান কৰি সেৱাৰ মনোভাৱ প্ৰদৰ্শন কৰাৰ বাবে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালত নানা ধৰণে সহায় আৰু পৰামৰ্শ আগবঢ়োৱা ব্যক্তি সকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।

ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় মীৰ্জা আঃ হামিদ চাহাবে কাৰ্য্য ক্ষেত্ৰত যি সহায় আৰু সহযোগ আগবঢ়াইছিল তাৰ বাবে মই অধ্যাপক ডাঙৰীয়ালৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো।

বিভিন্ন দিশত প্ৰয়োজনীয় উপদেশ দিয়া মাননীয় অধ্যক্ষ আৰু অধ্যাপক, অধ্যাপিকা সকলোৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজ্ঞাতে হোৱা ভুল ত্ৰুটিৰ বাবে মই সকলো শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমাৰ লগতে আশীৰ্ব্বাদ বিচাৰি মই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"
"জয় আই অসম"

ধন্যবাদেৰে —
মিচ্ দুলেনা খাতুন
সম্পাদিকা,
সমাজ সেৱা বিভাগ।
ছাত্ৰ একতা সভা, নৱজ্যোতি মহাবিদ্যালয়।

BAJYOTI COLLEG... Estd. 1971 Dist Barpeta (Assam) P.O. KALGACHIA

# লঘু খেল বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতেই মই নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ আৰু অধ্যাপক, অধ্যাপিকা সকলোলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। আৰু লগতে যিসকল ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত পশ্চিম বৰপেটাৰ ভিতৰত একমাত্ৰ উচ্চ শিক্ষাৰ মহানুষ্ঠান নৱজ্যোতি মহাবিদ্যালয় গঢ়ি উঠিছে সেই সকল মহান ব্যক্তিলৈ মোৰ বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছো। যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোৰ নিচিনা এজন সামান্য ছাত্ৰক নৱজ্যোতি মহাবিদ্যালয়ৰ লঘু খেল বিভাগৰ সম্পাদক হিচাপে পৰিচয় দিয়াৰ সুযোগ দিলে তেখেত সকললৈ মোৰ উষ্ম অভিনন্দন জ্ঞাপন কৰিছো।

১৯৯৮-১৯৯৯ ইং চনৰ বাবে এইখন নৱজ্যোতি মহাৱিদ্যালয়ৰ লঘুখেল বিভাগৰ সম্পাদকৰ দায়িত্ব হাতত লোৱাৰ পিছতেই অধ্যক্ষ মহোদয়ৰ সদ ইচ্ছাত আৰু মোৰ পূৰ্ব্বৰৰ্ত্তী লঘুখেল বিভাগৰ সম্পাদকে আগবঢ়োৱা তহবিলৰ সহায়ত পোন প্ৰথম বাৰৰ বাবে বহুকল্পিত তথা অত্যাধুনিক তথা আন্তৰ্জাতিক খেল টেবুল টেনিছ এখন যোগান ধৰিবলৈ সক্ষম হওঁ।

লঘুখেল বিঃ সম্পাদক হিচাপে মোৰ ওচৰত যি মহান দায়িত্ব অৰ্পন কৰিছিল সেই দায়িত্ব মই কিমানখিনি সফলতাৰে পালন কৰিছো তাক বিচাৰ কৰাৰ ভাৰ আপোনালোকৰ ওচৰত ন্যস্ত কৰিলো। আন আন বছৰৰ দৰে এই বছৰো নানান সমস্যাৰ মাজেদি মহাবিদ্যালয় সপ্তাহ ৫ দিনীয়া কাৰ্য্যসূচীৰে সমাপ্ত হৈ যায়। মোৰ বিভাগত থকা কেৰম, বেডমিণ্টন, ডবা ইত্যাদি খেল সুন্দৰ ভাৱে পৰিচালিত হয়। কিন্তু সুখৰ বিষয় যে এই বছৰৰ পৰা এখন নতুন খেল উদ্বোধন কৰা হল আৰু সেয়া হৈছে টেবুল টেনিছ খেল প্ৰতিযোগিতা। সম্পাদক হিচাপে মই এটা কথা কব বিচাৰিছো যে আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ খেল সিমান উন্নতমানৰ নহয় আৰু তাৰ লগতে প্ৰতিযোগীৰো অভাৱ। কাৰণটো হল যে ছাত্ৰ-ছাত্ৰী সকলে খেলা-ধুলাত সিমান গুৰুত্ব নিদিয়ে। এইটো ছোৱালীৰ ক্ষেত্ৰত বেছি দেখা যায়। যিহেতু খেলা-ধুলা শিক্ষাৰ এটা অংগ সেই কাৰণে মই নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সময় মতে খেলা-ধুলা কৰাৰ কাৰণে অনুৰোধ জনালোঁ।

অত্যন্ত গৌৰৱেৰেই কব খুজিছো যে বাজেট বাহি কৰি দিয়াৰ বাবে অধ্যক্ষ মহোদয়ে মোক পুৰস্কৃত কৰাৰ বাবে মই তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ।

মোৰ কাম কাজত সং উপদেশ দি উৎসাহিত কৰা ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় আশিফুল হক চাহাব আৰু তেখেতৰ লগত অধ্যাপক আৰু অধ্যাপিকা তথা ছাত্ৰ একতা সভাৰ সমূহ সদস্য, সদস্যা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক খতিবুল ইচলামক মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

বিভিন্ন ধৰণৰ পৰামৰ্শ আৰু খেল পৰিচালনাত সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদো শেষত মহাবিদ্যালয়ত এবছৰীয়া কাৰ্য্যকালত অবাঞ্চিত ভাবে কৰি অহা ভুলৰ বাবে ক্ষমা বিচাৰি নৱজ্যোতি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"নৱজ্যোতি মহাবিদ্যালয় জিন্দাবাদ"

ধন্যবাদেৰে—

**খন্দকাৰ আশ্ৰাফুল মামুন**

সম্পাদক, লঘু খেল বিভাগ।

ছাত্ৰ একতা সভা, নৱজ্যোতি মহাবিদ্যালয়।

**—ঃ সমাপ্ত ঃ—**

# Our Ex - Editors & Editress

| | | |
|---|---|---|
| 1st Issue | - ROFIQUL ISLAM | 1979 - 80 |
| 2nd ,, | - L. M. KHAN | 1981 - 82 |
| 3rd ,, | - M. MAZEDUR RAHMAN | 1982 - 83 |
| 4th ,, | - RUSTOM ALI AHMED | 1983 - 84 |
| 5th ,, | - MISS. MAHMUDA KHANAM | 1984 - 85 |
| 6th ,, | - NURUL ISLAM | 1985 - 86 |
| 7th ,, | - M. U. AHMED | 1986 - 87 |
| 8th ,, | - A. S. AHMED | 1987 - 88 |
| 9th ,, | - A. H. ALI | 1988 - 89 |
| 10th ,, | - M. A. RAHMAN | 1989 - 90 |
| 11th ,, | - RAFIQUL ISLAM | 1990 - 91 |
| 12th ,, | - SHAHZAHAN ALI (SHAZAMAL) | 1991 - 92 |
| 13th ,, | - MUZZAMMEL HUSSAIN | 1992 - 93 |
| 14th ,, | - ZAHIDUL ISLAM | 1993 - 94 |
| 15th ,, | - ZAKIR HUSSAIN | 1994 - 95 |
| 16th ,, | - HALALUDDIN | 1995 - 96 |
| 17th ,, | - AZAD HUSSAIN SARIF | 1996 - 97 |
| 18th ,, | - NURUL ISLAM | 1997 - 98 |

NABAJYOTI COLLEGE LIBRARY * P.O. KALGACHIA

♦ নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হকে আলোচনী সম্পাদক স্বাজাহান আহমেদৰ দ্বাৰা সম্পাদিত, প্ৰকাশিত আৰু প্ৰগতি প্ৰেছ, কলগাছিয়াত মুদ্ৰিত।